

# ৰাইজৰ বাতৰি

১ জানুৱাৰী ২০২১



## অসমৰ সংস্কৃতি ভাৰতীয় সংস্কৃতিৰ গহনা


জনতাৰ চৰকাৰ
my GOV
মুখ্যমন্ত্ৰী দিব্যাংগজন আত্মনিৰ্ভৰ আঁচনি
প্ৰথম পৰ্যায়ত অৰ্ধলক্ষাধিক দিব্যাংগ ব্যক্তিৰ পৰিয়ালক সাঙুৰি লোৱা হ'ব
লক্ষ্য
দিব্যাংগসকলক মহাত্মা গান্ধী এনৰেগাৰ অধীনত বিশেষ জব কাৰ্ড প্ৰদান কৰি বছৰি ১০০ দিনৰ মজুৰিভিত্তিক অনাকৌশলী কৰ্মসংস্থান নিশ্চিত কৰা
কৃষি আৰু কৃষিভিত্তিক জীৱিকা অৰ্জনৰ ক্ষেত্ৰত প্ৰয়োজন অনুসৰি বহনক্ষম ব্যক্তিগত সম্পদ সৃষ্টিৰ জৰিয়তে দিব্যাংগসকলৰ পৰিয়ালৰ জীৱিকাৰ পথ সুগম কৰা
জীৱিকাৰ উত্তৰণেৰে দিব্যাংগসকলক সামাজিক আৰু অৰ্থনৈতিক সুৰক্ষা প্ৰদান কৰা
এই অভিযানৰ অধীনত
অহা ১৫ জানুৱাৰী, ২০২১ চনৰ ভিতৰত দিব্যাংগসকলৰ তালিকা প্ৰস্তুত কৰি ৩১ জানুৱাৰী, ২০২১ চনৰ ভিতৰত বিশেষ জব কাৰ্ড প্ৰদানৰ বাবে বিশেষ অভিযান আৰম্ভ কৰা হ'ব
দিব্যাংগসকলৰ বাবে ২৪ টা কৰ্মসূচী যুগুত কৰা হৈছে
বহনক্ষম জীৱিকাৰ বাবে ব্যক্তিগত সম্পদৰ তালিকা প্ৰস্তুত কৰা হৈছে
পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম


জনতাৰ চৰকাৰ
my GOV मेरी सरकार
জল জীৱন মিছন
ঘৰে ঘৰে বিশুদ্ধ পানী
লক্ষ্য ঃ
• ২০২৪ চনৰ ভিতৰত অসমৰ প্ৰতিটো পৰিয়াললৈ কাৰ্যক্ষম পানীকল সংযোগৰ দ্বাৰা বিশুদ্ধ খোৱাপানীৰ যোগান
• নগদ ধন, ব্যৱহাৰ্য সামগ্ৰী, পৰিশ্ৰম আদিৰ অৰিহণাৰে পানী যোগান ব্যৱস্থাটোত স্থানীয় ৰাইজৰ স্বেচ্ছামূলক মালিকীস্বত্ব নিশ্চিতকৰণ
• বিদ্যালয়, অংগনবাড়ী কেন্দ্ৰ, গাঁও পঞ্চায়তৰ কাৰ্যালয় আদিৰ সৈতে কাৰ্যক্ষম পানীকলৰ সংযোগ স্থাপন
• বৰ্জিত পানী নিষ্কাসনৰ সুব্যৱস্থাৰ সুনিশ্চিতকৰণ
ৰাইজৰ দ্বাৰা পানীৰ উৎস, আন্তঃগাঁথনি আৰু পানী যোগান ব্যৱস্থাৰ চোৱা-চিতাৰ বাবে প্ৰয়োজনীয় পুঁজি যোগানৰ ব্যৱস্থা
জনস্বাস্থ্য কাৰিকৰী বিভাগ, অসম চৰকাৰ
পঞ্জীয়ন কৰক : assam.mygov.in
/mygovassam

RAIJAR BATORI ❐VOL. XI ❐ISSUE 12 ❐RNI REGN NO. ASSASS/2004/13224 ❐POSTAL REGN NO. RNP/066/07-09

অসম চৰকাৰ
GOVERNMENT OF ASSAM

National Health Mission, Assam

# কৰ'না ভাইৰাছ

কৰ'ণা ভাইৰাছ, বা (2019-Cov) এক নতুন ভাইৰাছ (বীজাণু) যাক চীনৰ হুবেই প্ৰান্তৰ ৱুহান চহৰত প্ৰথমে চিনাক্ত কৰা হৈছিল। কৰ'ণা হৈছে বৃহৎ গোষ্ঠীৰ ভাইৰাছ, যিয়ে জ্বৰ আৰু ছৰ্দি সম্বন্ধীয় ৰোগসহ মানুহ আৰু জীৱ-জন্তু উভয়কে সংক্ৰমিত কৰিব পাৰে। এই ভাইৰাছ আগতে কোনোদিন চিনাক্ত কৰা হোৱা নাছিল বাবে ইয়াক নভেল বা নতুন বুলি কোৱা হৈছে। এই ভাইৰাছবিধ অতি সোনকালে এজন ব্যক্তিৰ পৰা আনজন ব্যক্তিলৈ সংক্ৰমিত হয়।

## কৰ'না ভাইৰাছৰ লক্ষণ সমূহ কি ?

কাহ | জ্বৰ | উশাহ লোৱাত কষ্ট | নিউমোনিয়া | বমি | ডায়েৰিয়া

## কৰ'না ভাইৰাছ কিদৰে বিয়পে ?

এই ৰোগত আক্ৰান্ত হোৱা কোনো ব্যক্তিৰ সংস্পৰ্শলৈ আহিলে এই ভাইৰাছ বিয়পিব পাৰে। আক্ৰান্ত ব্যক্তিজনৰ কাঁহ আৰু হাচিঁ মাৰোতে ওলোৱা ড্ৰপলেটৰমাধ্যমেৰে আৰু আক্ৰান্ত ব্যক্তিজনৰ ব্যৱহৃত সামগ্ৰী স্পৰ্শ কৰাৰ ফলতো এই ভাইৰাছ বিয়পিব পাৰে।

### উল্লেখিত কৰিবলগীয়া আৰু নকৰিবলগীয়া নিয়মসমূহ পালন কৰক

## কৰিবলগীয়া ✓

- পাৰ্য্যমানে লোকসমাবেশ বৰ্জন কৰক
- ব্যৱহৃত টিছু তৎক্ষণাৎ ডাষ্টবিনত পেলাব
- যদি কোনো লোকে কৰণা ভাইৰাছ আক্ৰান্ত দেশ ভ্ৰমণ কৰি আহিছে ১৪ দিনৰ বাবে নিজকে ঘৰত আবদ্ধ কৰি ৰাখক লগতে পৰিয়ালৰ সদস্য তথা ওচৰচুবুৰীয়াৰ পৰা দুৰত্ব বজাই ৰাখিবলৈ অনুৰোধ জনোৱা হ'ল।
- পানী লগা, কাঁহ বা জ্বৰ হৈ থকা ব্যক্তিৰ পৰা অতি কমেও ১ মিটাৰ দুৰত্ব বজাই ৰাখক
- সঘনাই হাত ধোৱাৰ অভ্যাস কৰক। হাত দুখন চাবোন আৰু পানীৰে পৰিস্কাৰকৈ ধোৱাৰ লগতে এলক'হলযুক্ত ছেনিটাইজাৰ ব্যৱহাৰ কৰক
- যদি আপুনি অসুস্থ যেন অনুভৱ কৰিছে (জ্বৰ, উশাহ লোৱাত কষ্ট আৰু কফ) তেন্তে চিকিৎসকৰ পৰামৰ্শ লওক।
- কাঁহ মাৰোতে আৰু হাঁচি মাৰোতে ৰুমাল/টিছু ব্যৱহাৰ কৰি আপোনাৰ নাক আৰু মুখখন ভালকৈ ঢাকি ল'ব
- যদি কোনো লোকে কৰণা ভাইৰাছ আক্ৰান্ত দেশ ভ্ৰমণ কৰি আহিছে তেওঁ নিজেই ওচৰৰ স্বাস্থ্য কেন্দ্ৰলৈ গৈ বা IDSP কোষৰ অথবা সহায়ক নম্বৰৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।
- 108 EMERGENCY — চিকিৎসালয়লৈ যোৱাৰ সময়ত ১০৮ এম্বুলেন্স ব্যৱহাৰ কৰক আৰু আগতিয়াকৈ চিকিৎসালয়ত খবৰ দিয়ক।

**আপোনাৰ পৰিয়ালৰ বা ওচৰচুবুৰীয়াৰ কোনো লোকৰ এই ৰোগৰ লক্ষণসমূহ দেখা দিলে স্বাস্থ্য বিভাগৰ কৰ্তৃপক্ষক অৱগত কৰাওক আৰু ১০৪ ডায়েল কৰক**

## নকৰিবলগীয়া ⊗

- যদি আপুনি জ্বৰ আৰু কফ ৰোগত ভুগি আছে, অন্য লোকৰ সৈতে ঘনিষ্ঠ সংস্পৰ্শ
- অপৰিস্কাৰ হাতেৰে চকু, নাক আৰু মুখখন স্পৰ্শ
- ৰাজহুৱা স্থানত থু-খেকাৰ পেলোৱা
- যিকোনো ঠাইলৈ অপ্ৰয়োজনিয় যাত্ৰা পৰিহাৰ কৰক
- কৰমৰ্দন নকৰিব
- কাকো সাবতি নধৰিব

**একত্ৰিত হৈ আমি কৰ'না ভাইৰাছৰ সৈতে যুঁজ দিও আঁহক**

সবিশেষ জানিবৰ বাবে **6913347770/1/2/3** আৰু **104** নম্বৰত যোগাযোগ কৰক

অসম চৰকাৰৰ দ্বাৰা ৰাইজৰ জ্ঞাতাৰ্থে প্ৰচাৰিত

# রাইজৰ বাতৰি

একাদশ বছৰ দ্বাদশ সংখ্যা ১-১৫ জানুৱাৰী, ২০২১

পষেকীয়া বাৰ্তালোচনী

গৃহ নং ঃ ১, দ্বিতীয় মহলা,
দ্বাৰকা পথ, মহাপুৰুষ হৰিদেৱ পথ,
হাতীগাঁও, গুৱাহাটী ঃ ৭৮১০৩৮


## এই সংখ্যাত


| | |
|---|---|
| দেশৰ ৯ কোটি কৃষক পৰিয়াললৈ ১৮,০০০ কোটি টকা প্ৰদান কেন্দ্ৰৰ | ৩ |
| অসমীয়া সংস্কৃতি সমগ্ৰ ভাৰতবৰ্ষৰে সংস্কৃতিৰ গহনাস্বৰূপ ঃ গৃহমন্ত্ৰী অমিত শ্বাহ | ৪ |
| এক্ট ইষ্ট পলিচী ৰূপায়ণে অসম, উত্তৰ-পূৰ্বাঞ্চললৈ যথেষ্ট বৰঙনি কঢ়িয়াই আনিছে | ১২ |
| বীৰ ছহিদ মৃত্যুঞ্জয় চুতীয়ালৈ শ্ৰদ্ধাঞ্জলি মুখ্যমন্ত্ৰীৰ | ১৪ |
| মুখ্যমন্ত্ৰীৰ হাতত অস্ত্ৰ জমা দি মূলসুঁতিলৈ ৰাজ্যৰ চাৰি উগ্ৰপন্থী সংগঠনৰ ৬৪ সদস্য | ২১ |
| বিশিষ্ট সমাজসেৱিকা মিনতি বৰঠাকুৰক বীৰাংগনা সতী সাধনী বঁটা প্ৰদান | ২৩ |
| মেধাৱী ছাত্ৰীলৈ দুচকীয়া বাহন প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ | ২৮ |
| মানুহৰ মুক্তি মংগলৰ বাবে কাম কৰাজন প্ৰাতঃস্মৰণীয় ঃ হৃষীকেশ গোস্বামী | ৩৫ |
| বৰাক উপত্যকাৰ তিনি জিলাৰ উন্নয়নমূলক কামৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ | ৩৮ |
| মাজুলীৰ ৰাইজৰ মৰম, আশীৰ্বাদতেই মই নিষ্ঠাৰে কাম কৰাৰ শক্তি পাইছো ঃ মুখ্যমন্ত্ৰী | ৩৯ |
| পথ যোগাযোগ ব্যৱস্থাৰ উন্নতি অবিহনে সামাজিক বিকাশ সম্ভৱ নহয় | ৪১ |
| অগণিত জনতাৰ সপোনৰ চিকিৎসা প্ৰতিষ্ঠান এইমছ ঃ ৰবীন শইকীয়া | ৫০ |
| মাঘ বিহুত ভেলাঘৰ-ভেলাপুঁজি-মেজিৰ প্ৰাসংগিকতা ঃ ড° বসন্ত কুমাৰ শৰ্মা | ৫৩ |
| ভৱিষ্যতৰ সোণালী সপোন ঃ গীতাঞ্জলি বৰকটকী | ৫৬ |
| ধাননি পথাৰত পোক-পৰুৱা নিয়ন্ত্ৰণৰ উপায় | ৫৮ |
| নিয়োগ বাতৰি | ৬৩ |



অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়, দিছপুৰ, গুৱাহাটী ৭৮১০০৬ ৰ দ্বাৰা প্ৰকাশিত আৰু চৰকাৰী ছপাশাল, গুৱাহাটী ২১ ত মুদ্ৰিত।

উপদেষ্টা ঃ হৃষীকেশ গোস্বামী সম্পাদক ঃ ভূপেন্দ্ৰ নাথ ভট্টাচাৰ্য

Published by Directorate of Information & Public Relations, Govt. of Assam, Dispur, Guwahati 781006 and Printed at Assam Govt. Press Guwahati-781021.

**Adviser : Hrishikesh Goswami** **Editor : Bhupendra Nath Bhattacharyya**

Phone : 0361-2264334, Email : raijarbatori@gmail.com, raijarbatori123@gmail.com

লগ ইন কৰক ঃ https://dipr.assam.gov.in/portlets/raijor-batori-exclusive-fortnightly

## সম্পাদকীয়




যোৱা ২৬ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণে এইবোৰ আশাক অধিক উজ্জীৱিত কৰি তুলিছে। কামৰূপ জিলাৰ আমিনগাঁৱৰ কুমাৰ ভাস্কৰ বৰ্মা ক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত ২০১৯-২০ বৰ্ষৰ বাজেটত ৰাজ্য চৰকাৰে ঘোষণা কৰা 'অসম দৰ্শন' আঁচনিৰ অধীনত ৰাজ্যৰ ঐতিহ্য বহনকাৰী তথা ৫০ বছৰ পুৰণি ৮ হাজাৰটা নামঘৰলৈ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২.৫ লাখ টকাকৈ অনুদান আগবঢ়োৱাৰ শুভাৰম্ভণি কৰে গৃহমন্ত্ৰীয়ে। ইতিমধ্যে এই আঁচনিৰ অধীনতে দুটা পৰ্যায়ত ১,২৯২খন ধৰ্মীয় অনুষ্ঠানলৈ ১২৯ কোটি টকাৰ অনুদান আগবঢ়োৱা হৈছে।

# এটা নতুন বছৰৰ দুৱাৰডলিত...

এটা নতুন বছৰ মানে কিছুমান নতুন আশাৰ উন্মেষ। এনে আশাবোৰৰ বাস্তৱায়নৰ ভিত্তিতে একোটা বছৰৰ সফলতা-বিফলতা নিৰূপন কৰা হয়। তদুপৰি এৰি অহা দিনবোৰৰ আধৰুৱা সপোনবোৰ বা ভুল-ত্ৰুটীবোৰ চালি-জাৰি চাই আগন্তুক দিনবোৰত এক সঠিক পথেৰে আগুৱাই যোৱাৰো অৱকাশ আনি দিয়ে এনে একোটি ক্ষণে। পুৰণি হৈ যোৱা এটা বছৰক বিদায় দি আন এটা নতুন বছৰক আদৰি লোৱাৰ এই মুহূৰ্তত আমি আটায়ে কিছুমান সংকল্প লোৱা উচিত। আগন্তুক দিনবোৰত আমি হাতত ল'ব পৰা নতুন নতুন কামবোৰ বা বিগত দিনৰ আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰাৰ এক পৰিকল্পনা যুগুত কৰাৰ সময় এয়া। এই কথা সকলো ব্যক্তিৰ বাবেই যিদৰে সত্য, ঠিক তেনেদৰে চৰকাৰ একোখনৰ বাবেও সমানেই সত্য। জনসাধাৰণৰ সামগ্ৰিক উন্নয়ন সাধনৰ বাবে দায়বদ্ধ একোখন চৰকাৰেও নতুন বছৰটোত এই বিষয়বোৰ জুকিয়াই চাই আগবাঢ়িব পাৰে। ইতিমধ্যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে জনসাধাৰণৰ কল্যাণ তথা উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ লৈছে। পাৰ হৈ যোৱা দিনবোৰত বিভিন্ন সাফল্য অৰ্জন কৰিলেও বহুখিনি কাম সম্পূৰ্ণ হ'বলৈ বাকী আছে আৰু আগন্তুক দিনৰ বাবে বিভিন্ন কামো হাতত লৈছে। সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো ক'ভিডসৃষ্ট অভূতপূৰ্ব পৰিস্থিতিয়ে উন্নয়নৰ গতি যোৱা বছৰটোত বহুখিনি বাধাগ্ৰস্ত কৰিলেও এতিয়া চৰকাৰখনে পূৰ্ণোদ্যমে উন্নয়নমূলক কাম-কাজবোৰ আৰম্ভ কৰা দেখা গৈছে। যোৱা বছৰটোত স্থবিৰ হৈ পৰা কামবোৰ সম্পূৰ্ণ কৰাৰ লগতে বিভিন্ন নতুন নতুন পদক্ষেপ লৈছে চৰকাৰে। যোৱা ২৬ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণে এইবোৰ আশাক অধিক উজ্জীৱিত কৰি তুলিছে। কামৰূপ জিলাৰ আমিনগাঁৱৰ কুমাৰ ভাস্কৰ বৰ্মা ক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত ২০১৯-২০ বৰ্ষৰ বাজেটত ৰাজ্য চৰকাৰে ঘোষণা কৰা 'অসম দৰ্শন' আঁচনিৰ অধীনত ৰাজ্যৰ ঐতিহ্য বহনকাৰী তথা ৫০ বছৰ পুৰণি ৮ হাজাৰটা নামঘৰলৈ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২.৫ লাখ টকাকৈ অনুদান আগবঢ়োৱাৰ শুভাৰম্ভণি কৰে গৃহমন্ত্ৰীয়ে। ইতিমধ্যে এই আঁচনিৰ অধীনতে দুটা পৰ্যায়ত ১,২৯২খন ধৰ্মীয় অনুষ্ঠানলৈ ১২৯ কোটি টকাৰ অনুদান আগবঢ়োৱা হৈছে। তেনেদৰে গুৰুজনাৰ জন্মস্থান বৰদোৱাক অধ্যাত্মিক তীৰ্থ পৰ্যটন কেন্দ্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যৰে ১৮৮ কোটি টকা ব্যয় সাপেক্ষে বটদ্ৰবা থানৰ বিকাশ আৰু সৌন্দৰ্যবৰ্ধনৰ এটা বৃহৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। আকৌ ৯খনকৈ আইন মহাবিদ্যালয়ৰো নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি কৰা হয়। একে অনুষ্ঠানতে গুৱাহাটী মহানগৰীত দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্যৰো মাংগলিক শুভাৰম্ভ কৰা হয়। ৰাজ্য চৰকাৰৰ এনেবোৰ পদক্ষেপে নিশ্চয় নতুন বছৰটোৰ দুৱাৰডলিত আশাৰ বতৰা কঢ়িয়ায়। আগন্তুক প্ৰতিটো দিনেই আটাইৰে বাবে কঢ়িয়াই আনক সুখ আৰু সমৃদ্ধি। সকলোলৈ নতুন বছৰৰ শুভকামনা জনালো।

প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনি

# দেশৰ ৯ কোটি কৃষক পৰিয়াললৈ ১৮,০০০ কোটি টকা প্ৰদান কেন্দ্ৰৰ



বিভিন্ন সমস্যাৰে জৰ্জৰিত দেশখনৰ কৃষকসকলক সকাহ প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিছে বিভিন্ন পদক্ষেপ। তাৰে অংশ হিচাপে যোৱা ২৫ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ ছয়খন ৰাজ্যৰ কৃষকসকলৰ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ পৰৱৰ্তী কিস্তি হিচাপে ১৮,০০০ কোটি টকা কৃষকসকলৰ বেংক একাউণ্টলৈ মুকলি কৰি দিছে। প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ পৰা এই ধন লাভ কৰিছে ৯ কোটিতকৈ অধিক কৃষকে। ৬খন ৰাজ্যৰ কৃষকসকলৰ সৈতে ভাৰ্চুৱেল মত বিনিময় কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে চৰকাৰে নতুনকৈ প্ৰণয়ন কৰা তিনিখন কৃষি আইনক লৈ কৃষকসকলে আশংকা কৰিবলগীয়া একো নাই। চৰকাৰ পৰিচালিত মান্দি ব্যৱস্থা পূৰ্বৰ দৰে অব্যাহত থকাৰ উপৰি কৃষকসকলৰ ন্যূনতম সমৰ্থন মূল্য (এম এছ পি) ঠিকেই চলি থাকিব বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছে। নতুন তিনিখন কৃষি আইনৰ জৰিয়তে কৃষকসকলে নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত পূৰ্বতকৈ ভাল সুযোগ লাভ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। উল্লেখ্য যে পি এম কিষাণ আঁচনিৰ অধীনত প্ৰতিগৰাকী কৃষকক মুঠ তিনিটা কিস্তিৰ ৬,০০০ কৈ টকা বেংকৰ একাউণ্টত জমা কৰি দিয়াৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা লোকসভা নিৰ্বাচনৰ পূৰ্বেই সিদ্ধান্ত লৈছিল। মোদী চৰকাৰে নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰি কৃষকসকললৈ চাৰি মাহৰ মূৰে মূৰে পি এম কিষাণ আঁচনিৰ ধন বেংক একাউণ্টত প্ৰদান কৰি আহিছে। কৃষকসকলৰ সৈতে মত বিনিময় কৰাৰ সময়তে প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম দিৱসত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে বাজপেয়ীৰ অনুপ্ৰেৰণাতেই আজি কৃষকসকলৰ কল্যাণৰ উদ্দেশ্যে নতুন কৃষি আইন প্ৰণয়ন কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে যি আঁচনিৰ অধীনত কৃষকলৈ এই ধন হস্তান্তৰ কৰে সেই আঁচনিৰ অধীনত দেশৰ মুঠ ৯ কোটি কৃষকৰ একাউণ্টলৈ অহা আঢ়ৈ বছৰত ৯৫ হাজাৰ কোটি টকা দিয়া হ'ব। ❑❑



## আমিনগাঁৱৰ কুমাৰ ভাস্কৰ বৰ্মা ক্ষেত্ৰত অসম চৰকাৰৰ চাৰিখন গুৰুত্বপূৰ্ণ আঁচনিৰ শুভাৰম্ভ কৰিলে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে

# অসমীয়া সংস্কৃতি সমগ্ৰ ভাৰতবৰ্ষৰে সংস্কৃতিৰ গহনাস্বৰূপ ঃ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ



## ৰাজ্যখনৰ শক্তি আৰু সম্ভাৱনাক বিকশাই তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সকলো ক্ষেত্ৰতে সহযোগিতা অব্যাহত ৰাখিছে ঃ মুখ্যমন্ত্ৰী

'এই অসমভূমি মহান পৰম্পৰাৰ ভূমি। ভাষা-সাহিত্য-সংস্কৃতিকে ধৰি বহু বৈশিষ্ট্যৰে পৰিপূৰ্ণ। অসমৰ সংস্কৃতি কেৱল ৰাজ্যখনৰে সংস্কৃতি নহয়, ই সমগ্ৰ ভাৰতবৰ্ষৰ সংস্কৃতিৰ গহনাস্বৰূপ'— যোৱা ২৬ ডিচেম্বৰত কামৰূপ জিলাৰ আমিনগাঁৱৰ কুমাৰ ভাস্কৰ বৰ্মা ক্ষেত্ৰত অসম চৰকাৰৰ চাৰিখন গুৰুত্বপূৰ্ণ আঁচনিৰ শুভাৰম্ভ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এইদৰে কয়। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে 'অসম দৰ্শন' আঁচনিৰ অধীনত ৰাজ্যৰ ৮০০০ টা নামঘৰলৈ আৰ্থিক অনুদান বিতৰণৰ লগতে বটদ্ৰৱা থানৰ বিকাশ আৰু সৌন্দৰ্য্য বৰ্ধনৰ বাবে হাতত লোৱা ১৮৮ কোটি টকীয়া এক অভিলাষী প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। একেই অনুষ্ঠানতে তেওঁ গুৱাহাটীত দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্যৰ মাংগলিক শুভাৰম্ভ কৰাৰ উপৰি ৰাজ্যৰ বিভিন্ন জিলাত স্থাপন হ'বলগীয়া ৯ খন চৰকাৰী আইন মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্যৰো মাংগলিক শুভাৰম্ভ

কৰে। এই উপলক্ষে আয়োজিত বিশাল জনসভাত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰ যোৱা চাৰে-চাৰি বছৰীয়া শাসন কালত বিকাশে এক নতুন পৰ্যায় লাভ কৰিছে। ২০১৩ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিৰ্বাচনী প্ৰচাৰ অভিযানৰ সময়ত কৈছিল যে যেতিয়ালৈকে পূব ভাৰতৰ বিকাশ নহয়, তেতিয়ালৈকে ভাৰতৰ বিকাশ সম্ভৱ নহয়। প্ৰধানমন্ত্ৰীয়ে ক্ষমতালৈ আহি গ্ৰহণ কৰা পদক্ষেপৰ বাবে আজি উত্তৰ-পূৰ্বাঞ্চল দেশৰ বিকাশৰ ইঞ্জিনলৈ পৰিৱৰ্তিত হৈছে। এসময়ত অসম, পশ্চিমবংগ, উৰিষ্যাকে ধৰি সমগ্ৰ পূব ভাৰততে এক অস্থিৰ পৰিৱেশ বিৰাজ কৰিছিল। বিভিন্ন ধৰণৰ আন্দোলন সঘনাই হৈ থকাৰ লগতে একাংশ যুৱকে হাতত অস্ত্ৰও তুলি লৈছিল। কিন্তু বিপথগামী যুৱক-যুৱতীসকলক মূল সুঁতিলৈ ঘূৰাই আনি এই দিশত এক পৰিৱৰ্তনৰ আৰম্ভণি কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰু ইয়াক ৰাজ্যখনত গতি দিয়াৰ কাম কৰিলে মুখ্যমন্ত্ৰী সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি-




সাহিত্যৰ কাণ্ডাৰী বুলি অভিহিত কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কয় যে অসমীয়া সাহিত্য আৰু সংগীতক মহাপুৰুষজনাই এক নতুন ৰূপ দিলে, সমগ্ৰ দেশৰ লগত পৰিচয় কৰাই দিলে। গুৰুজনাৰ 'ধন্য ধন্য কলিকাল / ধন্য নৰতনু ভাল / ধন্য ধন্য ভাৰত বৰিষ' শীৰ্ষক পংক্তি আওৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে কলিকালত ভাৰতবৰ্ষত জন্মগ্ৰহণ কৰি জীৱন ধন্য কৰাৰ এক বৃহৎ বাৰ্তা মহাপুৰুষ শংকৰদেৱে সেই তাহানিতেই দাঙি ধৰি থৈ গৈছে। খ্ৰীষ্টীয় পঞ্চদশ শতিকাতে অসমৰ সাহিত্য-সংস্কৃতি, আধ্যাত্মিকতা, ইতিহাস আদি সকলো ক্ষেত্ৰতে একক আৰু অনৱদ্য বৰঙনি আগবঢ়াই যোৱা মহাপুৰুষজনাৰ জন্মস্থান পৱিত্ৰ বটদ্ৰৱা সত্ৰৰ উন্নয়নৰ বাবে কংগ্ৰেছ দলটোৱে আজি অত বছৰে একো চিন্তা নকৰিলে। কিন্তু বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে শাসনলৈ আহিয়েই এই দিশত এক বৃহৎ পদক্ষেপ গ্ৰহণ কৰিলে। ইয়াৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালৰ লগতে বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তেওঁ ধন্যবাদ জ্ঞাপন কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে যেতিয়ালৈকে ভাষা-সংস্কৃতিৰ বিকাশ নহয়, তেতিয়ালৈকে শক্তিশালী ৰাষ্ট্ৰ নিৰ্মাণ সম্ভৱ নহয়। বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰখন অসমৰ ভাষা-সাহিত্য,






সংস্কৃতি আৰু ঐতিহ্য ৰক্ষাৰ বাবে বদ্ধপৰিকৰ বুলি উল্লেখ কৰি তেওঁ কয় যে বটদ্ৰৱা থানকে ধৰি ৰাজ্যৰ আধ্যাত্মিক আৰু ঐতিহাসিক স্থলীসমূহক অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসনৰ পৰা মুক্ত কৰাৰ বাবে পূৰ্বৰ কংগ্ৰেছ চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰা নাছিল। কিন্তু বৰ্তমানৰ ৰাজ্য চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰি এই স্থানসমূহ বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰিলে। সদ্যসমাপ্ত বিটিচি নিৰ্বাচন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে বিটিআৰবাসী ৰাইজলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আস্থা আৰু বিশ্বাস প্ৰদৰ্শন কৰি এই অঞ্চলটোৰ জনসাধাৰণে উন্নয়নৰ এক সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিলে। ৰাজ্যখনৰ বান আৰু খহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত উল্লেখ কৰে। কেন্দ্ৰ আৰু ৰাজ্য উভয়তে দীৰ্ঘকাল ধৰি শাসনত থকা পূৰ্বৰ কংগ্ৰেছ চৰকাৰসমূহে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে কোনো ধৰণৰ বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ নকৰিলে বুলি উল্লেখ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে দীৰ্ঘকাল ধৰি অনাদায় হৈ থকা ৮০০০ কোটি টকাৰ খাৰুৱা তেলৰ ৰয়েল্টি প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজ্যখনক তাৎক্ষণিকভাৱে মোকলাই দিলে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক মৰণোত্তৰভাৱে ভাৰতৰত্ন প্ৰদান কৰি ভাৰত চৰকাৰে বিশিষ্ট গণশিল্পীগৰাকীলৈ যথোচিত সন্মান প্ৰদান কৰাৰ লগতে ৰাজ্যবাসীৰ প্ৰতি থকা সদিচ্ছা পুনৰবাৰ প্ৰমাণ কৰিলে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে অঞ্চলটোত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে বিভিন্ন উগ্ৰপন্থী সংগঠনৰ অস্ত্ৰ সম্বৰণ, ব্ৰু শৰণাৰ্থীৰ সমস্যাৰ নিষ্পত্তিকৰণ, বড়ো শান্তি চুক্তি স্বাক্ষৰ আৰু ভাৰত-বাংলাদেশ সীমা সমস্যা নিষ্পত্তিকৰণৰ দৰে ঐতিহাসিক পদক্ষেপসমূহৰ বিষয়েও উল্লেখ কৰে। ক'ভিড-১৯ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পদক্ষেপক ভূয়সী প্ৰশংসা কৰি কেন্দ্ৰীয় মন্ত্ৰী শ্বাহে কয় যে ৰাজ্য চৰকাৰৰ দূৰদৰ্শিতাৰ ফলত ৰাজ্যখনে সংক্ৰমণৰ হাৰ নিম্ন স্তৰত ৰাখিবলৈ সক্ষম হোৱাৰ লগতে ক'ভিডত মৃত্যুৰ হাৰো ঈৰ্ষণীয়ভাৱে নিম্ন স্থানত ৰাখিবলৈ সক্ষম হৈছে। ৰাজ্যখনত এশিঙীয়া গঁড়ৰ চোৰাং চিকাৰ প্ৰতিহতকৰণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপকো কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উচ্চ প্ৰশংসা কৰে। সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে গুৰুজনাৰ আদৰ্শৰে বাট বুলি একবিংশ শতিকাত অসমীয়া জাতিয়ে প্ৰাণ পাই উঠিছে। অসমীয়া সভ্যতা, সংস্কৃতি বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ বাবে সংকল্প গ্ৰহণ কৰি অসমীয়া জাতি আগবাঢ়িছে। অসম তথা দেশক দ্ৰুত বিকাশৰ দিশেৰে আগুৱাই নিয়াৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে লোৱা ভূমিকাৰ কথা উল্লেখ কৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশ আৰু প্ৰগতিৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে গ্ৰহণ কৰা পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীয়ে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক 'অষ্টলক্ষ্মী' হিচাপে সুকীয়া পৰিচয় দাঙি ধৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াক বাস্তৱত পৰিণত কৰাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে দৃঢ় পদক্ষেপ গ্ৰহণ কৰি আহিছে। আগন্তুক দিনত দেশৰ




বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয়, পলিটেকনিক, আইন মহাবিদ্যালয়, দক্ষতা উন্নয়ন কেন্দ্ৰৰ দৰে শিক্ষা প্ৰতিষ্ঠান গঢ়ি তোলা হৈছে। নাৰী শিক্ষাক প্ৰাধান্য দিয়া হৈছে। ৰাজ্যৰ ৭০ লাখ পৰিয়ালক শক্তিশালী কৰাৰ বাবে যাত্ৰা আৰম্ভ হৈছে। তেওঁ কয় যে অসমক অধিক বিকশাই তোলাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অসমলৈ আহিছে। বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ প্ৰতিগৰাকী লোকৰে মিলিত প্ৰচেষ্টাৰে কঠোৰ পৰিশ্ৰমৰ জৰিয়তে অনতিপলমে ৰাজ্যখন দেশৰ ভিতৰতে এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত হ'বলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। সভাত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য, শিক্ষা, লোক নিৰ্মাণ ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই পৱিত্ৰ দিনটোত সভাস্থলীত ভক্তবৃন্দৰ উপস্থিতিয়ে এক আধ্যাত্মিক বাতাবৰণৰ সূচনা কৰিছে। অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে আজি হাতত লোৱা এই বৃহৎ প্ৰকল্পই এই স্থানক পাঞ্জাবৰ স্বৰ্ণ মন্দিৰৰ দৰে জগত বিখ্যাত কৰি তুলিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। সমগ্ৰ উত্তৰ-পূবৰ লগতে দক্ষিণ-পূব এছিয়াৰ স্বাস্থ্যৰ নতুন ঠিকনা হিচাপে অসমক ৰাজ্য চৰকাৰে গঢ় দিব বিচাৰিছে বুলি উল্লেখ কৰি এই প্ৰসংগত ৰাজ্য স্বাস্থ্য আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে তেওঁ বিস্তৃতভাৱে উল্লেখ কৰে। মুখ্য সচিব জিষ্ণু বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা এই সভাত কেন্দ্ৰীয় খাদ্য সংসাধন বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, কৃষিমন্ত্ৰী অতুল বৰা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী নৱ কুমাৰ দলে, ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী পীযূষ হাজৰিকা, ৰাজ্যিক শিক্ষামন্ত্ৰী

অন্যান্য অঞ্চলৰ দৰে উত্তৰ-পূৰ্বাঞ্চলেও বিকাশৰ নতুন পৰিচয় দাঙি ধৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে ৰাজ্যখনৰ শক্তি আৰু সম্ভাৱনাক বিকশাই তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সকলো ক্ষেত্ৰতে সহযোগিতা অব্যাহত ৰাখিছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পদক্ষেপসমূহকো উৎসাহিত কৰি আহিছে। বৰ্তমানৰ ৰাজ্য চৰকাৰখন গঠনৰ ক্ষেত্ৰত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণত ৰাজ্য চৰকাৰ সফল হৈছে। ৰাজ্য চৰকাৰে শাসনভাৰ গ্ৰহণ কৰিয়ে সন্ত্ৰাসবাদমুক্ত, দুৰ্নীতিমুক্ত, বিদেশীমুক্ত আৰু প্ৰদূষণমুক্ত অসম গঢ়াৰ বাবে সংকল্প লৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দৃঢ়তাৰে সহযোগিতা আগবঢ়োৱাৰ ফলত আজি অসমত শান্তি প্ৰতিষ্ঠা হৈছে। মহাপুৰুষ শংকৰদেৱৰ আদৰ্শৰে আজি অসমত বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় আৰু ভাতৃত্ববোধৰ বান্ধোন শক্তিশালী হৈ উঠিছে। জাতি-বৰ্ণ-ভাষাৰ নামত এতিয়া কোনো সংঘাত নাই। মহাপুৰুষগৰাকীৰ আদৰ্শৰে আমি শ্ৰদ্ধা-ভক্তি, মানৱতাৰ আদৰ্শ বিশ্বৰ ৭৫০কোটি জনগণৰ মাজলৈ লৈ যাব লাগিব। শান্তি-সমন্বয়-ভাতৃত্ববোধৰ দৰ্শন বিশ্বৰ মানৱ সমাজলৈ লৈ যাব লাগিব যাতে আমি মানৱতাৰ শিক্ষা প্ৰদান কৰিব পাৰো।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক ৰাজ্য চৰকাৰে আধ্যাত্মিক পৰ্যটনৰ কেন্দ্ৰবিন্দু হিচাপে গঢ় দিব বিচাৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে আমাৰ কৃষ্টি-সংস্কৃতি, আধ্যাত্মিকতাৰ শক্তিশালী স্বৰূপ বিশ্বৰ জনগণৰ মাজলৈ লৈ যোৱাৰ লগতে ৰাজ্যখনক সবল ৰূপত গঢ় দিয়াৰ বাবে অসম চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। আমাৰ উঠি অহা প্ৰজন্মক শক্তিশালীভাৱে গঢ়ি তুলিবলৈ



ভৰেশ কলিতা, সাংসদ কুইন ওজা, হাউছফেডৰ অধ্যক্ষ ৰঞ্জিত দাস, জ্যেষ্ঠ ৰাজনীতিবিদ তথা প্ৰাক্তন সাংসদ বৈজয়ন্ত জয় পাণ্ডাৰ লগতে ৰাজ্যৰ বহুকেইগৰাকী মন্ত্ৰী, সাংসদ আৰু বিধায়ক উপস্থিত থাকে। অনুষ্ঠানত ৰাজ্য প্ৰশাসনৰ শীৰ্ষ বিষয়ববীয়াসকলেও অংশগ্ৰহণ কৰে। উল্লেখ্য যে অসমৰ চহকী ধৰ্মীয় ঐতিহ্যৰ সুৰক্ষা, সংবৰ্ধন আৰু বিকাশৰ বাবে ২০১৯-২০ বৰ্ষৰ বাজেটত ৰাজ্য চৰকাৰে ঘোষণা কৰা 'অসম দৰ্শন' আঁচনিৰ অধীনত ইতিমধ্যেই দুটা পৰ্যায়ত ৰাজ্যখনৰ ১২৯২খন ধৰ্মীয় অনুষ্ঠানলৈ ১২৯ কোটি টকাৰো অধিক অনুদান আগবঢ়োৱা হৈছে। এই আঁচনিৰ অধীনত পুনৰ অসমৰ যাউতিযুগীয়া ঐতিহ্য বহনকাৰী কমেও ৫০ বছৰ পুৰণি ৮০০০টা নামঘৰলৈ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২.৫ লাখ টকাকৈ অনুদান বিতৰণৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত এই কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ত ইয়াৰে ৬৯৭২টা নামঘৰলৈ অনুদান বিতৰণ কৰা হয়। আনহাতে, বৰ অসমৰ ভেটি গঢ়োতা, জাতিৰ জনক শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান বৰদোৱাক আধ্যাত্মিক তীৰ্থ পৰ্যটনৰ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ এক প্ৰয়াস হিচাপে ২০২০-২১ বৰ্ষৰ বাজেটত ৰাজ্য চৰকাৰে কৰা ঘোষণা অনুসৰি আনুমানিক ১৮৮ কোটি টকা ব্যয়সাপেক্ষ এক অভিলাষী প্ৰকল্পৰো সেইদিনা আধাৰশিলা স্থাপন কৰা হয়। বটদ্ৰৱা থানৰ সৰ্বাংগীণ বিকাশ আৰু সৌন্দৰ্য বৰ্ধনৰ উদ্দেশ্যে হাতত লোৱা এই বৃহৎ প্ৰকল্পৰ অধীনত বটদ্ৰৱা থান চৌহদত এক অতিথিশালা নিৰ্মাণ, কলাক্ষেত্ৰ, প্ৰশাসনিক ভৱন, পুথিভঁৰাল ভৱন, মুকলি ৰংগমঞ্চ, ৬০০খন আসনযুক্ত প্ৰেক্ষাগৃহ, যাত্ৰী নিৱাস, আকাশী গংগা হ্ৰদৰ উন্নয়ন, মিউজিকেল ফাউণ্টেইন, সুদৃশ্য বাগিচা, আলোকসজ্জা, প্ৰখ্যাত ব্যক্তিৰ প্ৰতিমূৰ্তি আৰু ভাস্কৰ্য, সংগ্ৰহালয়, দক্ষতা উন্নয়ন আৰু উদ্যোগী প্ৰশিক্ষণ কেন্দ্ৰ, ছাত্ৰ আৰু ছাত্ৰী নিৱাস আদি নিৰ্মাণ কৰা হ'ব। ৰাজ্যখনৰ জনসাধাৰণলৈ উন্নত স্বাস্থ্যসেৱা আগবঢ়োৱাৰ লগতে চিকিৎসা শিক্ষাৰ সম্প্ৰসাৰণৰ উদ্দেশ্যে ৰাজ্যৰ ৰাজধানী চহৰ তথা উত্তৰ-পূব ভাৰতৰ দুৱাৰমুখস্বৰূপ গুৱাহাটী মহানগৰীত সেইদিনা দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্যৰো শুভাৰম্ভ কৰা হয়। কালাপাহাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ চিকিৎসালয় চৌহদত এই চিকিৎসা মহাবিদ্যালয়খন স্থাপন কৰিবলৈ লোৱাৰ লগতে ইয়াৰে অতি বিশেষ সেৱাযুক্ত এটা শাখা মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ত স্থাপন কৰা হ'ব। মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয় চৌহদত থাকিলগীয়া সা-সুবিধাসমূহ হৈছে ৮০০খন বিছনাযুক্ত চিকিৎসালয়, ৩০খন বিছনাযুক্ত জৰুৰীকালীন কক্ষ, ৭৬খন বিছনাযুক্ত আই-চি-ইউ তথা চি-চি-ইউৰ ব্যৱস্থা, ১৬ টা অস্ত্ৰোপচাৰ কক্ষৰ লগতে অত্যাধুনিক ব্লাড বেংক আৰু পৰীক্ষাগাৰৰ সুবিধা আদি। একেদৰে কালাপাহাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ চিকিৎসালয় চৌহদতো এখন ৫০০খন বিছনাযুক্ত চিকিৎসালয়, ৩০খন বিছনাযুক্ত জৰুৰীকালীন কক্ষ, ৪৮খন বিছনাযুক্ত আই-চি-ইউ তথা চি-চি-ইউৰ ব্যৱস্থা, ৯টা অস্ত্ৰোপচাৰ কক্ষ, সংক্ৰমণশীল ৰোগৰ বাবে ৫০খন বিছনাযুক্ত পৃথক কক্ষ আৰু ভূমি মহলাৰ পৰা ষষ্ঠ মহলালৈকে বাৰ্ষিক নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু প্ৰশিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে আৱাসৰ সুবিধাযুক্ত শৈক্ষিক খণ্ডৰ ব্যৱস্থা আদিৰ সুবিধা থাকিব। আনহাতে, ৰাজ্যৰ জনসাধাৰণক আইনৰ দিশত সজাগ আৰু সচেতন কৰি তোলাৰ লগতে আইনী শিক্ষাৰ প্ৰসাৰৰ বাবে ৰাজ্যখনত পৰ্যাপ্ত শিক্ষানুষ্ঠানৰ অভাৱৰ কথা উপলব্ধি কৰি অসমৰ বিভিন্ন জিলাত স্থাপন হ'বলগীয়া ৯ খন চৰকাৰী আইন মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্যৰো সেইদিনা শুভাৰম্ভ কৰা হয়। সৰ্বমুঠ প্ৰায় ১৪১ কোটি টকা ব্যয়েৰে অসমৰ ডিফু, শিলচৰ, ধুবুৰী, ডিব্ৰুগড়, উত্তৰ লখিমপুৰ, যোৰহাট, নলবাৰী, ৰঙিয়া আৰু ৰহাত এই আইন মহাবিদ্যালয়কেইখন নিৰ্মাণ কৰা হ'ব। ইয়াৰ বাবে সদ্যহতে ৩৩ কোটি টকা আবণ্টন কৰা হৈছে। ❏❏



# শিলচৰৰ ৰংপুৰত ভূতপূৰ্ব প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ ব্ৰঞ্জৰ পূৰ্ণাৱয়ৱ প্ৰতিমূৰ্তি উদ্বোধন

# বাজপেয়ীয়ে ৰাজনীতিক সমাজ সংস্কাৰৰ অন্যতম আহিলা হিচাপে গণ্য কৰিছিল ঃ গাডকাৰী



কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰী আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৫ ডিচেম্বৰত শিলচৰৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জিৰো পইণ্টত নিৰ্মাণ কৰা ভূতপূৰ্ব

## ২৩৬৬ কোটি টকা ব্যয়সাপেক্ষ ২৭টা পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন তথা ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা

প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ ব্ৰঞ্জৰ পূৰ্ণাৱয়ৱ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। এই উপলক্ষে শিলচৰৰ ৰংপুৰ হাইস্কুল খেলপথাৰত আয়োজিত বিশাল জনসভাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্মদিনৰ লগতে সংগতি ৰাখি পালন কৰা সু-শাসন দিৱস উপলক্ষে দেশৰ কৃষকসকলক উদ্দেশ্যি প্ৰদান কৰা ভাষণৰ পোনপটীয়া সম্প্ৰচাৰো প্ৰত্যক্ষ কৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৫ ডিচেম্বৰৰ দিনা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ জৰিয়তে দেশৰ ৯ কোটি কৃষকলৈ সৰ্বমুঠ ১৮ হাজাৰ কোটি টকাৰ অনুদান প্ৰত্যক্ষভাৱে তেওঁলোকৰ বেংক একাউণ্টলৈ হস্তান্তৰিত কৰিছে। এই অনুষ্ঠানতে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে মুখ্যমন্ত্ৰীৰ সৈতে ৰাজ্যখনৰ ৪৩৯ কিলোমিটাৰ দৈৰ্ঘ্য সামৰি ২৩৬৬ কোটি টকা ব্যয়সাপেক্ষ সৰ্বমুঠ ২৭ টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি ৰাষ্ট্ৰলৈ উৎসৰ্গা কৰে। উল্লেখ্য যে এই প্ৰকল্পসমূহৰ ২০ টা প্ৰকল্পৰ





সেইদিনা আধাৰশিলা স্থাপন কৰা হয় আৰু ৭ টা প্ৰকল্প ৰাষ্ট্ৰলৈ উৎসৰ্গা কৰা হয়। এই উপলক্ষে আয়োজিত বিশাল জনসভা সম্বোধন কৰি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে ভূতপূৰ্ব প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ী দেশৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ প্ৰেৰণাৰ উৎস বুলি উল্লেখ কৰি এইগৰাকী মহান নেতাই নিজৰ বিচক্ষণতা, কৰ্মদক্ষতা, সততা, ৰাষ্ট্ৰৰ প্ৰতি সমৰ্পিত মনোভাৱেৰে সংসদীয় লোকতান্ত্ৰিক ব্যৱস্থাত এক নতুন দিশৰ সূচনা কৰিছে বুলিও কয়। এইগৰাকী জননেতাৰ প্ৰতিমূৰ্তি উদ্বোধন কৰিবলৈ পাই তেওঁ নিজকে অতি সৌভাগ্যৱান বুলি অনুভৱ কৰিছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়। এইগৰাকী প্ৰধানমন্ত্ৰীয়ে দেশৰ যোগাযোগ ব্যৱস্থা বিশেষকৈ পথ যোগাযোগ ব্যৱস্থাৰ উন্নীতকৰণৰ বাবে লোৱা পদক্ষেপসমূহৰ সৈতে জড়িত হোৱাৰ সৌভাগ্য তেওঁ লাভ কৰিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অটল বিহাৰী বাজপেয়ীৰ স্বপ্ন বাস্তৱায়িত কৰাৰ দিশত বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে সফল হ'ব পাৰিছে বুলিও কয়। অটল বিহাৰী বাজপেয়ীয়ে দেশক যি দিশ দিছিল সেয়া সকলোৰে বাবে আদৰ্শস্বৰূপ বুলি উল্লেখ কৰি এইগৰাকী নেতাক দেশৰ জনতাই কেতিয়াও পাহৰিব নোৱাৰে বুলি তেওঁ কয়। অটল বিহাৰী বাজপেয়ীয়ে ৰাজনীতিক সমাজ সংস্কাৰৰ এক অন্যতম আহিলা হিচাপে গণ্য কৰিছিল বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেওঁৰ শক্তিশালী বৰঙনিৰে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে দেশৰ বিশেষকৈ গ্ৰামাঞ্চলৰ যোগাযোগ ব্যৱস্থা সুচলতৰ কৰাৰ দিশত সফলতা লাভ কৰিছে বুলিও কয়। বৰাক নদীৰ ওপৰত আৰু দুখন দলং নিৰ্মাণ কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বৰাক নদীৰ ওপৰত আৰু দুখন দলং নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে। যোগীঘোপাত আজি কিছুদিন আগতে নিৰ্মাণৰ শুভাৰম্ভ কৰা মাল্টি মডেল লজিষ্টিক পাৰ্কৰ লেখীয়াকৈ বৰাক উপত্যকাতো মাল্টি মডেল লজিষ্টিক পাৰ্ক নিৰ্মাণৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বৰাক উপত্যকাতো এখন মাল্টি মডেল লজিষ্টিক পাৰ্ক নিৰ্মাণৰ পদক্ষেপ লোৱা হ'ব বুলি কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে বালিচেৰা-হাৰাংগাজা ৰাষ্ট্ৰীয় ঘাইপথছোৱা ২০২২ চনৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি কয়। তেওঁ লগতে জাতিংগা-হাৰাংগাজা, হাৰাংগাজা-মাহুৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ কাৰ্য অহা মাৰ্চ মাহৰ পৰা আৰম্ভ হ'ব বুলিও কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যখনৰ ১৯ টা প্ৰকল্প সামৰি আগন্তুক বৰ্ষত আৰম্ভ হ'বলগীয়া কিছু সংখ্যক পথ যোগাযোগ ব্যৱস্থাৰ কাম-কাজৰো আভাষ দাঙি ধৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে ব্ৰহ্মপুত্ৰৰ ওপৰত ৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ধুবুৰী-ফুলবাৰী দলঙৰ ভূমিপূজন অলপতে কৰা হ'ব বুলি উল্লেখ কৰি অহা জানুৱাৰী মাহত মাজুলী-যোৰহাট সংযোগী দলঙৰ ভূমি পূজন কৰা হ'ব বুলিও তেওঁ কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ ব্ৰহ্মপুত্ৰ, বৰাকক ধৰি নদীসমূহৰ জল পৰিবহণৰ ব্যৱস্থা অধিক শক্তিশালী কৰা হ'ব বুলি কয়। ভাষণ প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বৰাক, ব্ৰহ্মপুত্ৰ উপত্যকাকে ধৰি ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ বাবে লোৱা সক্ৰিয় পদক্ষেপৰো ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে পৱিত্ৰ বৰদিন উপলক্ষে জনসাধাৰণক শুভেচ্ছা আৰু ওলগ জনোৱাৰ উপৰি ভাৰতৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ পৱিত্ৰ জন্মদিন উপলক্ষে প্ৰয়াত ৰাষ্ট্ৰ নেতাগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। শিলচৰৰ ৰাষ্ট্ৰীয় ঘাইপথত এইগৰাকী ৰাষ্ট্ৰনেতাৰ প্ৰতিমূৰ্তি উদ্বোধনে নৱ প্ৰজন্মক যুগে যুগে তেওঁ প্ৰদান কৰা সু-শাসন ব্যৱস্থাৰ আদৰ্শৰে





অনুপ্ৰাণিত হোৱাৰ বাবে উদ্বুদ্ধ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে অটল বিহাৰী বাজপেয়ীৰ শক্তিশালী আদৰ্শ সাৱোগত কৰি বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ সকলো শ্ৰেণীৰ জনসাধাৰণে মিলিত প্ৰচেষ্টাৰে ৰাজ্যখনক এখন শক্তিশালী ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ বাবে নিষ্ঠাসহকাৰে কৰ্মত ব্ৰতী হোৱাৰ বাবেও আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ট্ৰেন্সফৰ্মেচন থ্ৰ' ট্ৰেন্সপ'ৰ্টেচন নীতিৰ জৰিয়তে দেশৰ যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ বাবে যি প্ৰয়াস চলাইছে সেই লক্ষ্য বাস্তৱায়িত কৰাৰ দিশত দেশৰ পথ পৰিবহণ তথা ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে শক্তিশালী ভূমিকা লৈছে বুলিও তেওঁ কয়। নীতিন গাডকাৰীক অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এগৰাকী শুভ চিন্তক বুলি উল্লেখ কৰি তেওঁৰ কাৰ্যকালতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থাৰ প্ৰতিচ্ছবি সলনি হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তথা কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোৱা পদক্ষেপৰ বাবেই উত্তৰ-পূৰ্বাঞ্চলে সাম্প্ৰতিক সময়ত নতুন নতুন প্ৰকল্প তথা বৃহৎ বৃহৎ আঁচনি লাভ কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে আগন্তুক সময়তো কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীয়ে ৰাজ্যখনৰ বাবে আৰু অধিক প্ৰকল্প গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰাৰ লগতে বৰাক নদীৰ ওপৰত আৰু দুখন দলং তথা তিনি হাজাৰ কোটি টকা ব্যয় সাপেক্ষে যোগীঘোপাত অলপতে নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰা মাল্টি মডেল লজিষ্টিক পাৰ্কৰ লেখীয়াকৈ বৰাক উপত্যকাতো আৰু এখন মাল্টি মডেল লজিষ্টিক পাৰ্ক নিৰ্মাণৰ পদক্ষেপ লোৱাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে শিলচৰত মিনি ছেক্ৰেটেৰিয়েট ভৱনৰ নিৰ্মাণৰ কাম-কাজ অতি কম দিনৰ ভিতৰতে আৰম্ভ কৰা হ'ব বুলি কয়। বিগত চাৰে চাৰি বছৰৰ কাৰ্যকালত ৰাইজৰ আস্থা আৰু সহযোগেৰে ৰাজ্য চৰকাৰে ৰাজ্যখনক সকলো দিশতে আগুৱাই নিয়াৰ বাবে যথেষ্ট সফলতা লাভ কৰিছে বুলি উল্লেখ কৰি এই সফলতাৰ মালিক জনসাধাৰণ বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ যি লক্ষ্য লৈছে সেই লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে এখন আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ দিশত নতুন প্ৰজন্মক কঠোৰ পৰিশ্ৰমত ব্ৰতী হোৱাৰ বাবেও আহ্বান জনায়। শিলচৰ লোকসভা সমষ্টিৰ সাংসদ ডাঃ ৰাজদ্বীপ ৰয়ে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ তথা হাউছফেডৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, অসম বিধানসভাৰ উপাধ্যক্ষ আমিনুল হক লস্কৰ, সাংসদ কৃপানাথ মাল্লা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থ, কাছাৰ জিলাৰ উপায়ুক্ত কীৰ্তি জালিকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ❐❐



**শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ লগতে মুখ্যমন্ত্ৰী সোণোৱাল**

# এক্ট ইষ্ট পলিচী ৰূপায়ণৰ পদক্ষেপে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চললৈ যথেষ্ট সম্ভাৱনা কঢ়িয়াই আনিছে ঃ মুখ্যমন্ত্ৰী




## ছাত্ৰ-ছাত্ৰীসকলে নিজৰ জ্ঞানক দেশৰ অৰ্থনীতিৰ ৰূপান্তৰৰ এক শক্তি হিচাপে ব্যৱহাৰ কৰিব লাগিব ঃ কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰী

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰী আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৫ ডিচেম্বৰত শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ ১৮ সংখ্যক দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। উল্লেখ্য যে এই দীক্ষান্ত সমাৰোহত বিশ্ববিদ্যালয়খনৰ ২০১৮ আৰু ২০১৯ বৰ্ষৰ লগতে ২০২০ বৰ্ষৰ কিছু সংখ্যক নিৰ্ধাৰিত বিষয়ৰ ডিগ্ৰীসমূহৰ উপৰি বিভিন্ন মেডেলসমূহ ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰা হয়। এই দীক্ষান্ত সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে জ্ঞানক শক্তি বুলি অভিহিত কৰি এই জ্ঞানক সম্পদলৈ ৰূপান্তৰিত কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ বিভিন্ন ডিগ্ৰী তথা মেডেল লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই প্ৰসংগত কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ অৰ্থনীতি ৫ ট্ৰিলিয়ন মাৰ্কিন ডলাৰৰ অৰ্থনীতিলৈ ৰূপান্তৰিত কৰাৰ লক্ষ্য স্থিৰ কৰিছে। এই লক্ষ্যত উপনীত হোৱাৰ বাবে এই মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে নিজৰ জ্ঞানক দেশৰ অৰ্থনৈতিক ৰূপান্তৰৰ এক শক্তি হিচাপে ব্যৱহাৰ কৰিব লাগিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে অসমৰ বহুত সম্পদ আৰু সম্ভাৱনীয়তা আছে। এই সম্পদ আৰু সম্ভাৱনীয়তাসমূহ




বিকশাই তুলি অসমৰ অৰ্থনীত শক্তিশালী কৰি তোলাৰ বাবেও ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে আত্মনিয়োগ কৰিব লাগিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ মুঠ ঘৰুৱা উৎপাদনত ৩০ শতাংশ এমএছএমই ক্ষেত্ৰই বৰঙনি যোগায়। এই খণ্ডৰ আৰু অধিক উত্তৰণৰ বাবে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে বিকশাই তুলি নিজে আত্মনিৰ্ভৰশীল হোৱাৰ উপৰি কৰ্ম সংস্থাপনৰ সৃষ্টিৰ দিশত আত্মনিয়োগ কৰিব লাগিব। এই মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে দেশৰ অৰ্থনীতিৰ বিভিন্ন ক্ষেত্ৰত ভৱিষ্য দৰ্শনৰ সূচনা কৰিব লাগিব বুলিও তেওঁ কয়। তেওঁলোকৰ উদ্ভাৱনী শক্তিৰে আৰ্থ-সামাজিক উত্তৰণৰ পথ প্ৰশস্ত কৰিব লাগিব বুলিও তেওঁ কয়। নিজে সম্পদৰ অধিকাৰী হ'লে যিমান সুখ পোৱা যায় তাতকৈ বেছি সুখ দৰিদ্ৰসকলৰ আৰ্থ-সামাজিক উত্তৰণৰ জৰিয়তে পোৱা যায় বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক দৰিদ্ৰ জনসাধাৰণৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে নিষ্ঠাসহকাৰে কাম কৰাৰ বাবে আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতবৰ্ষক সকলো ক্ষেত্ৰতে স্বাৱলম্বী কৰি গঢ়ি তোলাৰ বাবে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ লক্ষ্য স্থিৰ কৰিছে। এই আত্মনিৰ্ভৰ ভাৰত গঢ়ি তোলাৰ লগতে এখন শক্তিশালী আৰু প্ৰগতিশীল অসম গঢ়াৰ বাবে ডিগ্ৰী আৰু সন্মান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে আত্মনিয়োগ কৰিব লাগিব। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে এক্ট ইষ্ট পলিচী ৰূপায়ণৰ পদক্ষেপে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চললৈ যথেষ্ট সম্ভাৱনা কঢ়িয়াই আনিছে। এই পৰিৱৰ্তিত প্ৰেক্ষাপটৰ সুযোগ গ্ৰহণ কৰি ৰাজ্যখনৰ লগতে দেশক শক্তিশালী কৰাৰ বাবে মেডেল তথা ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে নিষ্ঠাসহকাৰে কৰ্তব্যত ব্ৰতী হ'ব লাগিব। আছিয়ান আৰু বিবিএন দেশসমূহৰ ৮ শ নিযুত জনসাধাৰণৰ মাজত নিজৰ সৰ্বশ্ৰেষ্ঠতা উজাৰি দি শ্ৰেষ্ঠ মানৰ সম্পদ হিচাপে পৰিগণিত হোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। ভাৰতবৰ্ষক যুৱ শক্তিৰ দেশ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱ শক্তিৰে দেশৰ উন্নয়নৰ লক্ষ্য স্থিৰ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে যুৱক-যুৱতীসকলক দক্ষতা উন্নয়নেৰে সকলো সময়ৰ বাবে প্ৰাসংগিক হৈ থকাৰ পদক্ষেপ ল'বলৈ আহ্বান জনায়। ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে পৱিত্ৰ বৰদিন উপলক্ষে সকলোকে আন্তৰিক ওলগ জনোৱাৰ উপৰি প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ জন্ম দিন উপলক্ষে সমগ্ৰ দেশজুৰি পালন কৰা সু-শাসন দিৱসৰ তাৎপৰ্যৰ কথাও উল্লেখ কৰে। শিলচৰৰ অসম বিশ্ববিদ্যালয় অসম চুক্তিৰ অন্যতম ফচল বুলি উল্লেখ কৰি অসম আন্দোলনত আত্মবলিদান দিয়া ছহিদসকলৰ প্ৰতিও মুখ্যমন্ত্ৰীয়ে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ১৯৯৪ চনত স্থাপিত এই বিশ্ববিদ্যালয়খনে বিভিন্ন ক্ষেত্ৰৰ উৎকৃষ্ট মানৰ সম্পদ গঢ় দিয়াৰ কামত নিষ্ঠাসহকাৰে ব্ৰতী হৈ আছে বুলি উল্লেখ কৰি আগন্তুক সময়তো এই বিশ্ববিদ্যালয়খন দেশৰ এখন অগ্ৰণী উচ্চশিক্ষাৰ প্ৰতিষ্ঠান হিচাপে প্ৰতিষ্ঠিত হৈ শিক্ষা ব্যৱস্থাত নতুন দিশৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, শিলচৰ লোকসভা সমষ্টিৰ সাংসদ ডাঃ ৰাজদ্বীপ ৰয়, অসম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেচাৰ দিলীপ চন্দ্ৰ নাথ, অসম বিশ্ববিদ্যালয়, শিলচৰৰ প্ৰো-ভাইচ চেন্সেলৰ প্ৰফেচাৰ অভিক গুপ্তা, অসম বিশ্ববিদ্যালয় ডিফু চৌহদৰ প্ৰো-ভাইচ চেন্সেলৰ প্ৰফেচাৰ শিৰাশিস বিশ্বাস, বিভিন্ন বিভাগৰ ডীনসকল, বিশ্ববিদ্যালয়খনৰ অধীনৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ লগতে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ❑❑



## ছহিদগৰাকীৰ পৰিয়ালক ২০ লাখ টকাৰ এককালীন সাহায্যৰ চেক প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে



# বীৰ ছহিদ মৃত্যুঞ্জয় চুতীয়াৰ বাসগৃহলৈ গৈ ছহিদগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন মুখ্যমন্ত্ৰীৰ

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৮ ডিচেম্বৰত জন্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ আকস্মিক গ্ৰেনেড আক্ৰমণত নিহত চি আৰ পি এফৰ জোৱান মৃত্যুঞ্জয় চুতীয়াৰ ধেমাজি জিলাৰ চিচিবৰগাঁও ৰাজহ চক্ৰৰ অধীনৰ গেলুৱা গাঁওস্থিত বাসগৃহলৈ গৈ ছহিদগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰীয়ে বীৰ ছহিদগৰাকীৰ পিতৃ-মাতৃ তথা আত্মীয়-স্বজনৰ সৈতে মত বিনিময় কৰাৰ উপৰি ছহিদগৰাকীৰ পিতৃৰ হাতত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা ২০ লাখ টকাৰ এককালীন সাহায্যৰ চেকো প্ৰদান কৰে। ইয়াৰ পিছতে ছহিদগৰাকীৰ বাসগৃহত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ বৃহত্তৰ স্বাৰ্থত বীৰ ছহিদ মৃত্যুঞ্জয় চুতীয়াই আত্মবলিদান দিলে। সমগ্ৰ ভাৰতবাসীৰ লগতে অসমবাসী আজি এই ছহিদগৰাকীৰ বাবে গৌৰৱান্বিত। ত্যাগ আৰু বীৰত্বৰ শক্তিশালী আদৰ্শ প্ৰতিষ্ঠা কৰি যোৱা ছহিদগৰাকী সদায়ে অমৰ হৈ থাকিব বুলি তেওঁ কয়। ছহিদগৰাকীৰ আদৰ্শৰে আমাৰ নতুন প্ৰজন্মই দেশৰ একতা, অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ বাবে কাম কৰি যাবলৈ প্ৰেৰণা লাভ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ছহিদৰ তেজ কেতিয়াও অথলে নাযায় বুলি উল্লেখ কৰি এই ত্যাগে দেশৰ প্ৰতিগৰাকী নাগৰিকক স্বদেশপ্ৰেমৰ আদৰ্শৰে উদ্বুদ্ধ হোৱাৰ দিশত প্ৰেৰণা যোগাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ছহিদগৰাকীৰ সপোন অনুসৰি তেওঁৰ সমাধিৰ কাষতে এখন শিশু উদ্যান নিৰ্মাণ কৰি ছহিদগৰাকীৰ নামেৰে নামকৰণ কৰিবলৈ ধেমাজি জিলাৰ উপায়ুক্তক সেইদিনাই নিৰ্দেশ প্ৰদান কৰে। ছহিদগৰাকীৰ গৃহত উপস্থিত হোৱাৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, শ্ৰম আৰু চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়ক তেৰচ গোৱালা, ধেমাজি জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষকক ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। ❑❑



## চাহ জনগোষ্ঠীৰ বিশিষ্ট সাহিত্যিক সুশীল চন্দ্ৰ কুৰ্মীক চাইমন সিং হ'ৰ' আৰু সন্তোষ কুমাৰ তপ্নৰ স্মৃতিত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ দ্বাৰা আগবঢ়োৱা বঁটা প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে




# অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ৭৩ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী

'এটা জাতিৰ ভৱিষ্যৎ নিৰ্মাণ কৰিবলগীয়া হ'লে জনগণে সকলো ক্ষেত্ৰতে প্ৰাণ পাই উঠিব লাগিব। সকলো ক্ষেত্ৰতে পাৰদৰ্শিতা প্ৰদৰ্শনৰ বাবে আগবাঢ়ি আহিব লাগিব। গণতান্ত্ৰিক ধ্যান-ধাৰণাৰে অহিংস নীতিৰে অসম চাহ জনজাতি ছাত্ৰ সন্থাই প্ৰতিষ্ঠা কালৰে পৰা বৰ অসম নিৰ্মাণৰ লগতে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত গ্ৰহণ কৰি অহা ভূমিকা সৰ্বজন স্বীকৃত।' যোৱা ২৮ ডিচেম্বৰত চৰাইদেউ জিলাৰ লাকুৱাৰ গন্ধৰকোঁৰৰ ৰাজহুৱা খেলপথাৰত আয়োজিত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ৭৩ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। সভাত সমবেত ৰাইজক উদ্দেশ্যি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে চাহ জনগোষ্ঠীৰ দুগৰাকী বৰেণ্য পুৰুষ চাইমন সিং হ'ৰ' আৰু সন্তোষ কুমাৰ তপ্ন'ক শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে চাহ জনগোষ্ঠীৰ লগতে বৃহত্তৰ অসমীয়া সমাজখনৰ আৰ্থ-সামাজিক উত্তৰণত তেওঁলোকৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰিবলৈ আমি ইয়াত সমবেত হৈছো। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শাসনলৈ অহাৰ দিনৰে পৰা ৰাজ্যখনৰ প্ৰতিটো জাতি-জনগোষ্ঠীক সম-মৰ্যাদা প্ৰদানেৰে সম-উন্নয়নৰ দিশেৰে আগবঢ়াই লৈ যোৱাৰ বাবে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে। ২০১৬ চনত চৰকাৰ গঠনৰ তিনি মাহৰ পিছতে

ৰাজ্যখনৰ ৭০ টা খিলঞ্জীয়া জাতি-জনগোষ্ঠীক লগত লৈ আয়োজন কৰা 'সহোদৰ' কাৰ্যসূচীয়ে এই জাতি-জনগোষ্ঠীসমূহৰ বিকাশৰ ৰূপৰেখা নিৰ্ণয় কৰিছে। সেইদিন ধৰি ৰাজ্যৰ সৰু-বৰ প্ৰতিটো জনগোষ্ঠীৰ আৰ্থ-সামাজিক বিকাশৰ বাবে ন ন আঁচনি গ্ৰহণ কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সকলোকে উন্নয়নৰ সোৱাদ প্ৰদান কৰিবলৈ সক্ষম হৈছে। চাওলুং ছ্যুকাফাৰ বৰ অসম নিৰ্মাণৰ আদৰ্শৰে প্ৰতিটো জনগোষ্ঠীৰ সৰ্বাংগীণ উন্নয়ন আৰু সবলীকৰণে চৰকাৰৰ এই আঁচনিসমূহৰ মূল উদ্দেশ্য বুলি তেওঁ মন্তব্য কৰে। চাহ জনগোষ্ঠীৰ লোকসকলক কঠোৰ পৰিশ্ৰমী আৰু কষ্টসহিষ্ণু বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই জনগোষ্ঠীৰ আদিপুৰুষসকলৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত অসমৰ চাহে ব্ৰিটিছ শাসনকালৰ পৰাই বিশ্বৰ বজাৰ দখল কৰাৰ লগতে বিশ্ব শ্ৰেষ্ঠ চাহ হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু ইয়াৰ নেপথ্যৰ লোকসকলক আজি পৰ্যন্ত কোনেও চিনি নাপালে বুলি মন্তব্য কৰি চাহ জনগোষ্ঠীৰ নতুন প্ৰজন্মক শৈক্ষিক দিশেৰে আগুৱাই নি বিশ্বত প্ৰভূত্ব বিস্তাৰ কৰাৰ দিশত আগভাগ ল'বলৈ মুখ্যমন্ত্ৰীয়ে চাহ জনজাতি ছাত্ৰ সন্থাৰ নেতৃবৰ্গৰ লগতে জনগোষ্ঠীটোক প্ৰতিনিধিত্ব কৰা মন্ত্ৰী, সাংসদ, বিধায়কসকলকো আহ্বান জনায়। অসম লোকসেৱা আয়োগৰ সদ্যঘোষিত অসামৰিক সেৱাৰ পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা চাহ জনগোষ্ঠীৰ তিনিগৰাকী মেধাৱী সন্তান মাচি তপ্ন', দীপাঞ্জলি কুৰ্মী আৰু বিক্ৰম চাসাক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ বলত জাতিটোৰ এই তিনিগৰাকী সুযোগ্য সন্তানে নতুন প্ৰজন্মৰ বাবে এক আদৰ্শৰ চানেকি দাঙি ধৰিছে। অসম লোকসেৱা আয়োগৰ সংস্কাৰ সাধনৰ বাবে ৰাজ্য চৰকাৰে চলাই অহা নিৰন্তৰ প্ৰয়াসৰ বাবে এয়া সম্ভৱ হৈ উঠিছে বুলি মন্তব্য কৰি তেওঁ কয় যে অসম লোকসেৱা আয়োগৰ সংস্কাৰ সাধন কৰাটো নতুন চৰকাৰখনৰ সন্মুখত এক হিমালয়সদৃশ প্ৰত্যাহ্বান আছিল। এটা সময়ত এই আয়োগত চাকৰিৰ মুকলি বেহা চলিছিল। কৃষক, মজদুৰৰ সন্তানৰ বাবে অসম লোকসেৱা আয়োগৰ চাকৰি আকাশ কুসুম আছিল। কিন্তু বৰ্তমানৰ চৰকাৰে দুৰ্নীতি আৰু অনিয়মৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰি আয়োগলৈ অনা পৰিৱৰ্তনৰ ফলত আজি অতি দৰিদ্ৰ পৰিয়ালৰ



মেধাৱী ছাত্ৰ-ছাত্ৰীও ৰাজ্য প্ৰশাসনৰ অংশীদাৰ হোৱাৰ সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে। এই পদক্ষেপে চৰকাৰখনৰ কাম-কাজত নিহিত হৈ থকা মূল্যবোধ আৰু সংস্কাৰৰ পৰিচয় দাঙি ধৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়। চাহ জনগোষ্ঠীৰ লোকসকলৰ সৰ্বাংগীণ উন্নয়নৰ বাবে বিগত চাৰে চাৰিটা বছৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই চৰকাৰৰ দিনতে চাহ জনগোষ্ঠীৰ মৌলিক সমস্যাক লৈ বিধানসভাৰ মজিয়াত সম্পূৰ্ণ এটা দিন ৰাজ্যৰ ১২৬ গৰাকী জনপ্ৰতিনিধিয়ে আলোচনাত মিলিত হোৱাৰ পৰিৱেশ সৃষ্টি হৈছিল। এই কাৰ্যসূচীৰ আগমুহূৰ্তত জনগোষ্ঠীটোক প্ৰতিনিধিত্ব কৰা অসম চাহ জনজাতি ছাত্ৰ সন্থা, আদিবাসী ছাত্ৰ সন্থাকে ধৰি বিভিন্ন জাতীয় সংগঠন, অসম চাহ মজদুৰ সংঘকে ধৰি বিভিন্ন শ্ৰমিক সংগঠনৰ প্ৰতিনিধিবৰ্গ, জনগোষ্ঠীটোৰ লেখক, বুদ্ধিজীৱী আৰু বিদ্বৎ মহলৰ সৈতেও আলোচনাত মিলিত হৈ পৰামৰ্শ গ্ৰহণ কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰে। চাহ জনগোষ্ঠীৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে অসম চাহ জনজাতি ছাত্ৰ সন্থাই গ্ৰহণ কৰি অহা ভূমিকাৰ বাবে সংগঠনটোৰ পূৰ্বৰ আৰু বৰ্তমানৰ নেতৃবৃন্দক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষা, কলা-সংস্কৃতি, ক্ৰীড়া আদি জীৱন-জীৱিকাৰ প্ৰতিটো ক্ষেত্ৰতে জনগোষ্ঠীৰ মাজৰ পৰা দক্ষ মানৱ সম্পদ সৃষ্টিৰ দিশত আগন্তুক দিনত সংগঠনটোৱে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। জনগোষ্ঠীটোৰ শৈক্ষিক উত্তৰণৰ বাবে আগন্তুক দিনত ছাত্ৰ সংগঠনটোৱে আগবঢ়োৱা প্ৰতিটো গুৰুত্বপূৰ্ণ পৰামৰ্শ চৰকাৰে ৰূপায়ণৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে। নিজৰ শৈশৱৰ স্মৃতি ৰোমন্থন কৰি মুখ্যমন্ত্ৰী সোণোৱালে




কয় যে চাহ বাগিচাৰ কাষতেই জন্মগ্ৰহণ কৰি ল'ৰালিকাল কটোৱাৰ বাবে তেওঁ জনগোষ্ঠীটোৰ সমস্যাৰ কথা আন্তৰিকতাৰে উপলব্ধি কৰিব পাৰে। ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰখনে হাতত লোৱা পদক্ষেপসমূহে জনগোষ্ঠীটোক বিকাশৰ এক নতুন পৰ্যায়লৈ নিবলৈ সক্ষম হ'ব বুলি আশা ব্যক্ত কৰি এইক্ষেত্ৰত জনগোষ্ঠীটোক প্ৰতিনিধিত্ব কৰা সংগঠনসমূহৰ লগতে ৰাইজৰ সহায়-সহযোগিতা তেওঁ কামনা কৰে। এই মুকলি সভাত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বাতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, শ্ৰম আৰু চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু পল্লৱ লোচন দাসেও ভাষণ প্ৰদান কৰে। নিজৰ ভাষণত তেওঁলোকে চাহ জনগোষ্ঠীৰ আৰ্থ-সামাজিক উত্তৰণৰ দিশত গ্ৰহণ কৰি অহা ভূমিকাৰ বাবে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ শলাগ লোৱাৰ লগতে জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। ৰাজ্য চৰকাৰৰ এই আঁচনিসমূহ ৰূপায়ণৰ দিশত চকু ৰখাৰ লগতে তৃণমূল পৰ্যায়ত এইক্ষেত্ৰত চাহ শ্ৰমিকসকলৰ মাজত সজাগতাৰ সৃষ্টি কৰিবলৈ তেওঁলোকে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কৰ্মকৰ্তাসকলক আহ্বান জনায়। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি ধীৰাজ গোৱালাই সভাপতিত্ব কৰা এই মুকলি সভাত বিধায়ক তেৰচ গোৱালা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° পল্লৱী বুজৰবৰুৱা, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি প্ৰহ্লাদ গোৱালা আৰু সীমাঞ্চল দিগাল, সদৌ তাই আহোম ছাত্ৰ সন্থাৰ সভাপতি লিটুল বুঢ়াগোহাঁই, সদৌ অসম মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি অৰুণজ্যোতি মৰাণ, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পৱন বেদীয়া, প্ৰাক্তন সাধাৰণ সম্পাদক ভগীৰথ কৰণ, আদৰণী সমিতিৰ সভাপতি গোবিন্দ গগৈ, স্থানীয় শিক্ষয়িত্ৰী দীপ্তি সন্দিকৈ ৰাজখোৱাকে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ উপায়ুক্তদ্বয় ক্ৰমে বিষ্ণুকমল বৰা আৰু পলাশ ৰঞ্জন ঘৰফলীয়াৰ লগতে প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলেও অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে চাহ জনগোষ্ঠীৰ বিশিষ্ট সাহিত্যিক সুশীল চন্দ্ৰ কুৰ্মীক চাইমন সিং হ'ৰ' আৰু সন্তোষ কুমাৰ তপ্ন'ৰ স্মৃতিত অসম চাহ জনজাতি ছাত্ৰ সন্থাই আগবঢ়োৱা বাৰ্ষিক বঁটাটিও আনুষ্ঠানিকভাৱে প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে শিক্ষক অনিল তাঁতীৰ 'টি মেকাৰ্ছ অব নৰ্থ ইষ্ট ইণ্ডিয়া' শীৰ্ষক এখন গ্ৰন্থও আনুষ্ঠানিকভাৱে উন্মোচন কৰে। ❐❐

## অসম প্ৰকাশন পৰিষদৰ দ্বাৰা আয়োজিত ৩৩তম্ গুৱাহাটী গ্ৰন্থমেলা উদ্বোধন

# গ্ৰন্থ নিৰস মৰুভূমিৰ মৰুদ্যান ঃ হৃষীকেশ গোস্বামী

## ড° থানেশ্বৰ শৰ্মা, ড° ৰমেশ চন্দ্ৰ পাঠকলৈ জীৱনজোৰা সাধনা বঁটা



অসম প্ৰকাশন পৰিষদৰ উদ্যোগত মহানগৰীৰ চান্দমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত আয়োজিত ৩৩ তম্ গুৱাহাটী গ্ৰন্থ মেলা যোৱা ৩০ ডিচেম্বৰত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে অন্যান্য অভ্যাগতসকলৰ সৈতে বন্তি প্ৰজ্বলনেৰে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এই একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে অসম প্ৰকাশ



পৰিষদে ২০১৯ বৰ্ষৰ বাবে প্ৰদান কৰা জীৱনজোৰা সাধনা বঁটা বিশিষ্ট সাহিত্যিক, পণ্ডিত ড° থানেশ্বৰ শৰ্মাক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হৈ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। ২০২০ বৰ্ষৰ এই বঁটা বিশিষ্ট ভাষাতত্ত্ববিদ, সাহিত্য সমালোচক ড° ৰমেশ চন্দ্ৰ পাঠকক আগবঢ়োৱা হৈছে যদিও তেওঁ এই অনুষ্ঠানত উপস্থিত নথকা হেতু প্ৰকাশন পৰিষদে তেওঁক বঁটাটি নিজ গৃহত প্ৰদান কৰিব। এই বঁটাত আছে এখন প্ৰশস্তি পত্ৰ, অংগবস্ত্ৰ, এটা কিতাপৰ টোপোলা আৰু ২ লাখ টকাৰ চেক। উক্ত অনুষ্ঠানতে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী আৰু অন্যান্য অভ্যাগতসকলে অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশ কৰি উলিওৱা ১২ খন আপুৰুগীয়া ভিন্ন ৰসৰ গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কৰ'নাই স্তব্ধ কৰা বন্ধ দুৱাৰ গুৱাহাটী গ্ৰন্থ মেলাই খুলি দিলে বুলি কয়। গ্ৰন্থক নিৰস মৰুভূমিৰ মৰুদ্যান বুলি উল্লেখ কৰি গ্ৰন্থই মানুহৰ বৌদ্ধিক আৰু মনন জগত জীপাল কৰি সৃষ্টিশীল কৰি তোলে বুলিও তেওঁ কয়। মিডিয়া উপদেষ্টাগৰাকীয়ে কৰ'নাৰ সংকটৰ

সময়তো অসম প্ৰকাশন পৰিষদে প্ৰায় ৪০ খন গ্ৰন্থ প্ৰকাশ কৰি উলিওৱাৰ বাবে প্ৰকাশন পৰিষদক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

গ্ৰন্থৰ মাজেদি মানুহৰ বৌদ্ধিক আৰু মনন জগত শক্তিশালী হয় বুলি উল্লেখ কৰি মিডিয়া উপদেষ্টাগৰাকীয়ে শিশুসকলৰ মাজত গ্ৰন্থৰ প্ৰতি প্ৰেম জগাই তোলাৰ উদ্যোগ ল'বলৈ সকলোকে আহ্বান জনায়। শিশুসকলক যদি কোমল বয়সতে গ্ৰন্থৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিব পৰা নাযায় তেতিয়াহ'লে ভৱিষ্যতে গ্ৰন্থৰ পাঠকৰ সংখ্যা তাকৰীয়া হ'ব বুলিও মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে নিজৰ বক্তব্যত কয়। উঠি অহা প্ৰজন্ম যাতে আওবাটে নাযায় তাৰ বাবে ভাল গ্ৰন্থ পঢ়ুওৱাৰ উদ্যোগ ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে কয়। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে সংঘাত নহয়, কেৱল সমন্বয়ৰ মাজেৰে অসম মাতৃৰ মান-স্বাভিমান উজলোৱাৰ বাবে সকলোকে সন্মিলিতভাৱে কাম কৰাৰ বাবেও আহ্বান জনায়।



অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশ গ্ৰহণ কৰি ত্ৰিপুৰাৰ ভূতপূৰ্ব ৰাজ্যপাল তথা বিশিষ্ট লেখক আৰু চিন্তাবিদ তথাগত ৰয়ে অসমৰ সৈতে তেওঁৰ শৈশৱৰ পৰা থকা আত্মিক সম্পৰ্ক অৱলোকনেৰে বক্তব্য প্ৰদান কৰে। অসম আৰু বংগৰ মাজত এক আত্মিক সম্পৰ্ক আছে বুলি উল্লেখ কৰি অসমীয়া আৰু বঙালী ভাষীৰ মাজত সদায়ে মিলাপ্ৰীতি *শেষাংশ ৪৮ পৃষ্ঠাত*



*মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে গ্ৰন্থমেলাত জনসংযোগৰ কক্ষ মুকলি কৰাৰ মুহূৰ্তত*

## ‘বৃন্দাবনী বস্ত্ৰ’ শীৰ্ষক গ্ৰন্থ উন্মোচন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ব্যক্তিত্বৰ বিভিন্ন দিশ উদ্ভাসিত কৰিব পৰাকৈ গ্ৰন্থ ৰচনা কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৩০ ডিচেম্বৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি বৃন্দাবনী বস্ত্ৰ সম্পৰ্কে মৃণাল চন্দ্ৰ কলিতাই ৰচনা কৰা ‘বৃন্দাবনী বস্ত্ৰ’ শীৰ্ষক গৱেষণালব্ধ গ্ৰন্থ এখন উন্মোচন কৰে। ৰেখা প্ৰকাশনৰ হৈ দেৱেন কলিতাই প্ৰকাশ কৰা গ্ৰন্থখন মুখ্যমন্ত্ৰী সোণোৱালে অসম বিধান সভা চৌহদৰ সভাকক্ষত অনুষ্ঠিত এক কাৰ্যসূচীত উন্মোচন কৰে।

গ্ৰন্থখনৰ ৰচক মৃণাল চন্দ্ৰ কলিতাৰ পদক্ষেপৰ প্ৰশংসা কৰি মুখ্যমন্ত্ৰী সোণোৱালে বক্তব্যত এই গ্ৰন্থখনৰ জৰিয়তে পাঠক সমাজে মহাপুৰুষগৰাকীৰ অপূৰ্ব সৃষ্টি বৃন্দাবনী বস্ত্ৰৰ বিভিন্ন দিশ সম্পৰ্কে বিশদভাৱে জানিবলৈ সুযোগ পাব বুলি আশা প্ৰকাশ কৰে। মহাপুৰুষগৰাকীৰ বহুমুখী ব্যক্তিত্বৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে তেখেতৰ ব্যক্তিত্বৰ বিভিন্ন দিশ উদ্ভাসিত কৰিব পৰাকৈ গ্ৰন্থ ৰচনা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ এগৰাকী সমাজ সংস্কাৰক, আধ্যাত্মিক গুৰু, সাংস্কৃতিক পুৰোধাকে ধৰি যি বহুমুখী ব্যক্তিত্বৰ অধিকাৰী আছিল সেই বিষয়ে বিতং গৱেষণাৰ প্ৰয়োজন আছে। এই দিশত লেখকসকলে গভীৰভাৱে অধ্যয়ন কৰি বিস্তৃত বিৱৰণেৰে গ্ৰন্থ ৰচনা কৰিলে সমাজখন যথেষ্ট উপকৃত হ’ব।

ৰাজ্যৰ আৰ্থ-সামাজিক তথা আধ্যাত্মিক জীৱনলৈ গুৰুজনাই আগবঢ়াই যোৱা অৱদানৰ আলোকপাত কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মহাপুৰুষজনাৰ জন্মস্থান বটদ্ৰৱাক নতুন ৰূপত ৰাজ্য চৰকাৰে গঢ়ি তুলিব। মুখ্যমন্ত্ৰীয়ে কয় যে অমৃতসৰৰ স্বৰ্ণ মন্দিৰৰ দৰে বটদ্ৰৱাকো আধ্যাত্মিক পৰ্যটনৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে। সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক দিশে ৰাজ্যৰ জনসমাজত সদায় প্ৰাধান্য লাভ কৰি আহিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সম্পদৰাজিৰ প্ৰতি উপযুক্ত শ্ৰদ্ধা প্ৰদৰ্শন কৰি অসম চৰকাৰে বিকাশৰ নতুন পৰিৱেশ ৰচনা কৰিবলৈ বিগত চাৰে চাৰি বছৰে নিৰৱচ্ছিন্নভাৱে কাম কৰিছে।

এই গ্ৰন্থ উন্মোচনী সভাত অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ ৰঞ্জিত দাস, প্ৰাক্তন উপাধ্যক্ষ দিলীপ কুমাৰ পাল, স্বাস্থ্য আৰু পৰিকল্পনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়ক প্ৰশান্ত ফুকন, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী প্ৰমুখ্যে কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। □□

# মুখ্যমন্ত্ৰীৰ হাতত অস্ত্ৰ জমা দি মূলসুঁতিলৈ ৰাজ্যৰ চাৰিটা উগ্ৰপন্থী সংগঠনৰ ৬৪ গৰাকীকৈ সদস্য




সন্ত্ৰাসবাদমুক্ত অসম গঢ়া আৰু ৰাজ্যখনত চিৰস্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ দিশত এক বৃহৎ পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাকৰিত যোৱা ২১ ডিচেম্বৰত ৰাজ্যৰ চাৰিটা উগ্ৰপন্থী সংগঠনৰ ৬৪ গৰাকীকৈ সদস্যই অস্ত্ৰ সম্বৰণ কৰি মূলসুঁতিলৈ প্ৰত্যাৱৰ্তন কৰে। অসম চৰকাৰৰ গৃহ বিভাগ আৰু অসম আৰক্ষীৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত এক বিশেষ অনুষ্ঠানত সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)ৰ স্ব-ঘোষিত উপ-মুখ্য সেনাধ্যক্ষ মনোজ ৰাভা ওৰফে দৃষ্টি ৰাজখোৱা, তেওঁৰ পত্নী লীলা ডি মাৰাক তথা বিজয় দাস ওৰফে মণ্টু শইকীয়াৰ লগতে সংগঠনটোৰ ১৮গৰাকী সদস্য, পিপ'ল্ছ ডেম'ক্ৰেটিক কাউন্সিল অব্ কাৰ্বি লংৰি (পি ডি চি কে)ৰ স্ব-ঘোষিত মুখ্য সেনাধ্যক্ষ অ'ন টেৰণ ওৰফে লখন টেৰণ, ইউনাইটেড পিপ'ল্ছ ৰিভ'ল্যুচনেৰী ফ্ৰণ্ট (ইউ পি আৰ এফ)ৰ স্ব-ঘোষিত সচিব প্ৰধান লালমিনথাং গুইটে ওৰফে ফ্ৰেংকি তথা স্ব-ঘোষিত প্ৰতিৰক্ষা সচিব চিনখামচেম গুইটে ওৰফে জ্ভিকে ধৰি সংগঠনটোৰ ৩২ গৰাকী সদস্য আৰু ডিমাচা নেচনেল লিবাৰেচন আৰ্মি (ডি এন এল এ)ৰ স্ব-ঘোষিত প্ৰচাৰ সচিব ৰিপেঞ্চ গাৰ্লোচা ওৰফে হাদাইচাকে ধৰি ১৩ গৰাকী সদস্যই অস্ত্ৰ-শস্ত্ৰ জমা দি মূলসুঁতিলৈ ঘূৰি আহে। হিংসাৰ পথ পৰিহাৰ কৰি শান্তিৰ পথ গ্ৰহণ কৰা উগ্ৰপন্থী সদস্যসকলক স্বাভাৱিক জীৱনলৈ স্বাগতম জনাই মুখ্যমন্ত্ৰী সোণোৱালে কয় যে শান্তিৰ অবিহনে প্ৰগতি কেতিয়াও সম্ভৱ নহয়। অন্তৰত ঘৃণা আৰু ভেদভাৱ লৈ কোনেও শান্তিৰে জীয়াই থাকিব নোৱাৰে। নিজৰ জীৱনৰ লগতে, পৰিয়াল, সমাজ, ৰাজ্যখন আৰু দেশক প্ৰগতিৰ পথেৰে আগুৱাই নিবৰ বাবে সেয়ে হিংসাৰ কণ্টকময় পথ এৰি শান্তিৰ সেন্দূৰীয়া পথ আঁকোৱালি ল'বই লাগিব। মূলসুঁতিলৈ ঘূৰি অহা যুৱক-যুৱতীসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয় যে আমি দেশক ধ্বংস কৰাৰ বাবে নহয়, নকৈ গঢ়াৰ বাবেহে যত্নপৰ হ'ব লাগিব। এটা পৰিয়ালৰ মানসিকতাৰে মিলা-প্ৰীতিৰে জীয়াই থাকি বন্ধুত্ব আৰু ভাতৃত্ববোধৰ আদৰ্শৰে ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াত আত্মনিয়োগ কৰিব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে, 'টীম ইণ্ডিয়া'ৰ মানসিকতাৰে 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' গঢ়াৰ বাবে আমি সকলোৱে মিলি কাম কৰিব লাগিব। হিংসাৰ পথে মাথোঁ পতনৰ বতৰাহে কঢ়িয়াই আনে বুলি মন্তব্য কৰি এতিয়াও আত্মগোপন কৰি থকা উগ্ৰপন্থী সদস্যসকলকো অনতিপলমে মূলসঁতিলৈ ঘূৰি আহি ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াৰ অংশীদাৰ হ'বলৈ মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান

**সন্ত্ৰাসবাদমুক্ত অসমৰ দিশত আন এক বৃহৎ খোজ**

জনায়। তেওঁ কয় — ‘অন্ধকাৰময় সেই জীৱন ত্যাগ কৰি আপোনালোক আলোকময় এই জীৱনলৈ উভতি আহক। আমি সকলোৱে মিলি এখন নতুন অসম নিৰ্মাণ কৰিম।’ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত দেশত গঢ়ি উঠা আস্থা আৰু বিশ্বাসৰ বাতাৱৰণৰ বাবে অঞ্চলটোৰ প্ৰায়বোৰ উগ্ৰপন্থী সংগঠনেই শান্তিৰ পথলৈ প্ৰত্যাৱৰ্তন কৰিবলৈ বাধ্য হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মূলসুঁতিলৈ ঘূৰি অহা উগ্ৰপন্থী সদস্যসকলৰ আত্মসংস্থাপনৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ উপৰি ৰাজ্য চৰকাৰে ‘স্বাৱলম্বন’ আঁচনিৰ যোগেদি তেওঁলোকক এক মৰ্যাদাপূৰ্ণ জীৱন উপহাৰ দিয়াৰ বাবে কাম কৰি আহিছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন স্ব-নিয়োজন আঁচনিসমূহতো এই যুৱক-যুৱতীসকলক বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে বুলি জানিবলৈ দি অস্ত্ৰ সম্বৰণ কৰা সদস্যসকলকো ইয়াৰ সুযোগ ল’বলৈ তেওঁ আহ্বান জনায়। বিগত দিনসমূহত অশেষ কষ্ট স্বীকাৰ কৰি এই অস্ত্ৰ সম্বৰণ অনুষ্ঠান সম্ভৱ কৰি তোলাৰ বাবে মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ বিশেষ শাখাৰ মহাপৰিদৰ্শক হীৰেন নাথকে প্ৰমুখ্য কৰি অন্যান্য বিষয়ববীয়াসকল তথা নিৰাপত্তা বাহিনীৰ সদস্যসকলক বিশেষ ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাজ্যৰ মুখ্য সচিব জিষ্ণু বৰুৱাই কয় যে সেনাবাহিনী, অৰ্ধসামৰিক বাহিনীসমূহ আৰু অসম আৰক্ষীৰ সমন্বিত আৰু ধাৰাবাহিক প্ৰয়াসৰ বাবেই আজি ৰাজ্যখনত সন্ত্ৰাসমূলক কাম-কাজ স্তিমিত হৈ স্বাভাৱিক জীৱন-যাত্ৰা উভতি অহাটো সম্ভৱ হৈ উঠিছে। মুখ্যমন্ত্ৰী সোণোৱালৰ লগতে ‘ইউনিফাইড কমাণ্ড’ৰ লগত জড়িত প্ৰতিগৰাকী বিষয়ববীয়াই ইয়াৰ বাবে ধন্যবাদৰ পাত্ৰ বুলি মন্তব্য কৰি মূলসুঁতিলৈ ঘূৰি অহা উগ্ৰপন্থী সদস্যসকলৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰ তথা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও তেওঁ নিজৰ ভাষণত উল্লেখ কৰে। অনুষ্ঠানত আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তয়ো ভাষণ প্ৰদান কৰে। এখন সন্ত্ৰাসবাদমুক্ত অসম গঢ়াৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিগত দিনসমূহত গ্ৰহণ কৰা অক্লান্ত ভূমিকাৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি তেওঁ কয় যে সকলোৱে ঐক্যবদ্ধ প্ৰচেষ্টাত অচিৰেই বাহিৰত থকা উগ্ৰপন্থীসকলেও হিংসাৰ পথ ত্যাগ কৰিবলৈ বাধ্য হ’ব। উগ্ৰপন্থীসকলক মুলসুঁতিলৈ ঘূৰাই অনাৰ ক্ষেত্ৰত অসম আৰক্ষীৰ বিশেষ শাখাৰ লগতে সেনাবাহিনী, অন্যান্য নিৰাপত্তা বাহিনীসমূহ আৰু কেন্দ্ৰীয় চোৰাংচোৱা বাহিনীসমূহে আগবঢ়াই অহা সহযোগিতাৰো তেওঁ শলাগ লয়। এই অনুষ্ঠানৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তৰ পৰামৰ্শত যুগুত কৰা ‘শান্তিৰ দিশত আন এক বলিষ্ঠ পদক্ষেপ’ শীৰ্ষক এটি বিশেষ ভিডিঅ’ও প্ৰদৰ্শন কৰা হয়। অসম আৰক্ষীৰ বিশেষ শাখাৰ মহাপৰিদৰ্শক হীৰেন নাথে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, গৃহ বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিং, গৃহ বিভাগৰ আয়ুক্ত সচিব জি ডি ত্ৰিপাঠী, সেনাবাহিনীৰ ২১ মাউণ্টেইন ডিভিজনৰ জি অ’ চি এছ পি সিং, চি আৰ পি এফৰ নৰ্থ-ইষ্ট জ’নৰ অতিৰিক্ত সঞ্চালকপ্ৰধান সঞ্জীৱ ৰঞ্জন ওজা, এছ আই বিৰ যুটীয়া সঞ্চালক ৰশ্মি সিনহা প্ৰমুখ্যে ভাৰতীয় সেনা, এছ এছ বি, বি এছ এফ, আই টি বি পি আৰু অসম আৰক্ষীৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানত চাৰিওটা উগ্ৰপন্থী সংগঠনৰ অস্ত্ৰ-সম্বৰণকাৰী সদস্যসকলৰ পৰিয়ালবৰ্গ তথা কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ বহুকেইগৰাকী গাঁওবুঢ়া আৰু বিশিষ্ট নাগৰিকেও অংশগ্ৰহণ কৰে। ❑❑



## বিশিষ্ট সমাজসেৱিকা, শিক্ষাবিদ মিনতি বৰঠাকুৰক বীৰাংগনা সতী সাধনী বঁটা-২০২০ প্ৰদান



# অসমৰ খিলঞ্জীয়া জনসাধাৰণ সৰ্বকালৰ বাবে সুৰক্ষিত হৈ থকাৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৪ ডিচেম্বৰত লখিমপুৰ জিলাৰ ঢকুৱাখনা ৰাজহুৱা খেলপথাৰত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু লখিমপুৰ জিলা প্ৰশাসনৰ সহযোগত আয়োজিত এক অনুষ্ঠানত বিশিষ্ট সমাজসেৱিকা, শিক্ষাবিদ মিনতি বৰঠাকুৰক ২০২০ বৰ্ষৰ বীৰাংগনা সতী সাধনী বঁটা প্ৰদান কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে মহকুমা পুথিভঁৰাল, প্ৰেক্ষাগৃহ, ফুটবল খেলপথাৰ, ৰূৰ্বান ক্লাষ্টাৰকে ধৰি বিভিন্ন প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিভিন্ন জনগোষ্ঠীৰ বৰ্ণিল সমাহাৰেৰে অসমৰ সমাজ জীৱন শক্তিশালী। আমাৰ সমাজ জীৱনত বহু শক্তি আৰু সম্ভাৱনা আছে যদিও তাক উজ্জ্বীৱিত কৰাৰ বাবে আমি যিদৰে কাম কৰিব লাগিছিল সেয়া সম্ভৱ হৈ নুঠাৰ বাবে আজি ৰাজ্যখন পিছপৰি থাকিবলগীয়া হৈছে। বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে ২০১৬ চনত ক্ষমতালৈ অহাৰ ক্ষেত্ৰত প্ৰতিটো জাতি-জনগোষ্ঠীয়ে আন্তৰিকতাৰে সমৰ্থন জনাইছিল। সেইবাবে ৰাজ্য চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ তিনি মাহৰ পিছতে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ ৭০টা জনগোষ্ঠীৰ লগত তিনিদিনীয়াকৈ আলোচনাত মিলিত হৈছিল। ৰাজ্যৰ যিসমূহ জনগোষ্ঠীৰ লোক সংখ্যাত কম আৰু বিভিন্ন ঠাইত সিঁচৰতি হৈ আছে সেইসকল জনগোষ্ঠীয়ে মৰ্যাদা, আত্মসন্মান বিচৰাৰ কথাটো উপলব্ধি কৰি সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ মাটি-ভেটি, কৃষ্টি-সংস্কৃতি, ঐতিহ্য, সভ্যতা, স্বাভিমান ৰক্ষাৰ জৰিয়তে তেওঁলোকৰ সমান্তৰাল বিকাশৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। বীৰাংগনা সতী সাধনীৰ নামত বঁটা প্ৰদানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইগৰাকী মহীয়সী নাৰীৰ বিষয়ে নতুন প্ৰজন্মৰ মাজলৈ লৈ যাবলৈ গোলাঘাটত সতী সাধনী বিশ্ববিদ্যালয় স্থাপনৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। বৰ্তমানৰ ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ বাবে আজি সকলোৰে একাকাৰ হৈ আন্তৰিকতাৰে

উন্নয়নৰ যাত্ৰাত খোজ দিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাষা, জাতি, ধৰ্মৰ নামত এতিয়া কোনো সংকট নাই। সকলোৱে সমন্বয়ৰ জৰিয়তে আগুৱাই যাবলৈ অংগীকাৰবদ্ধ হৈছে। তেওঁ কয় যে বীৰ-বীৰাংগনাসকলৰ আদৰ্শক সাৰোগত কৰি কঠোৰ পৰিশ্ৰমৰ জৰিয়তে আমি আমাৰ বিকাশৰ গতি দ্ৰুত কৰিব লাগিব। ঐক্যবদ্ধ প্ৰচেষ্টাৰে আমাৰ শক্তি বৃদ্ধিৰ যাত্ৰাত অগ্ৰসৰ হ'বলৈ ৰাইজ সংকল্পৰবদ্ধ হ'ব লাগিব। তেওঁ কয় যে উঠি অহা প্ৰজন্মই শিক্ষাক প্ৰাধান্য দিব লাগিব। শিক্ষাৰ প্ৰতি ধাউতি বঢ়াই জ্ঞান বৃদ্ধিৰ জৰিয়তে ব্যক্তিত্ব নিৰ্মাণ কৰিব লাগিব। শিক্ষাই বৌদ্ধিক দিশত পাৰদৰ্শী হোৱাৰ সমল যোগায়। সেই বাবে পিতৃ-মাতৃ, অভিভাৱকসকলে ছাত্ৰ-ছাত্ৰীসকলক নীতিশিক্ষা আৰু আধ্যাত্মিক জ্ঞানেৰে আগুৱাই লৈ গৈ মূল্যবোধৰ জৰিয়তে জীৱনত সফল হোৱাৰ বাবে প্ৰেৰণা যোগাব লাগিব। মূল্যবোধ গঢ়ি তুলিব পাৰিলেহে আদৰ্শ ব্যক্তি নিৰ্মাণ কৰা সম্ভৱ বুলিও তেওঁ কয়। চুতীয়া জনগোষ্ঠীৰ লোকসকলক নতুন প্ৰজন্মক শিক্ষাৰে আগুৱাই নিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে এই জনগোষ্ঠীৰ নতুন প্ৰজন্ম শক্তিশালী হ'লে অসম শক্তিশালী হৈ উঠিব। চাওলুং ছ্যুকাফাই বিভিন্ন জাতি-জনগোষ্ঠীৰ মহামিলনেৰে ঐক্যবদ্ধ সমাজ নিৰ্মাণ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও সাৰ্বজনীন নীতি গ্ৰহণ কৰি সকলোৰে সমবিকাশ, সম মৰ্যাদাৰ বাবে কাম কৰি আহিছে। ইয়াৰ ফলত ঐক্যবদ্ধ হৈ থকাৰ এক শক্তিশালী পৰিৱেশ নিৰ্মাণ হৈছে। তেওঁ কয় যে শিক্ষা, সংস্কৃতি, আধ্যাত্মিকতা, কৃষি, বিজ্ঞান আৰু প্ৰযুক্তি, ব্যৱসায়-বাণিজ্যকে ধৰি সকলো ক্ষেত্ৰতে নৱ প্ৰজন্মক এনেভাৱে আগুৱাই নিব লাগিব যাতে এক শক্তিশালী সমাজ নিৰ্মাণ সম্ভৱ হয়। শিক্ষা, ক্ৰীড়া, সংস্কৃতিৰ প্ৰতি নতুন প্ৰজন্মক আগ্ৰহী কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে একবিংশ শতিকাৰ এই প্ৰতিযোগিতামূলক যুগত নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰাৰ বাবে দৃঢ়তাৰে কাম কৰিব লাগিব বুলি কয়। তেতিয়াহে বীৰাংগনা সতী সাধনীৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা জ্ঞাপন কৰা হ'ব। তেওঁ লগতে কয় যে কঠোৰ পৰিশ্ৰমৰ জৰিয়তে জীৱনৰ পৰিৱৰ্তন আনিব লাগিব। সততা, নিষ্ঠাৰে কাম কৰিব লাগিব, উন্নত মানৰ সম্পদ গঢ় দিয়াৰ লক্ষ্যৰে সকলোৱে কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ খিলঞ্জীয়া লোকসকল যাতে সৰ্বকালৰ বাবে সুৰক্ষিত হৈ থাকে তাৰ বাবে সামাজিক নিৰাপত্তা প্ৰদানৰ লগতে অৰ্থনৈতিকভাৱে আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইতিমধ্যে ১.১০ লাখ খিলঞ্জীয়াৰ হাতত ভূমিৰ পট্টা তুলি দিয়া হৈছে। অহা জানুৱাৰী মাহত আৰু ১ লাখ খিলঞ্জীয়া ভূমিপুত্ৰক মাটিৰ পট্টা প্ৰদান কৰা হ'ব। ১৯৫২ চনৰ পৰা কোনো জৰীপ নোহোৱা বাবে খিলঞ্জীয়াসকল বঞ্চিত হৈ আছিল। বৰ্তমানৰ ৰাজ্য চৰকাৰে জৰীপ আৰম্ভ কৰিছে। ভূমিপট্টা প্ৰদানেৰে সাংবিধানিক অধিকাৰ প্ৰদান কৰিছে। অসমৰ স্বাভিমান ৰক্ষা কৰি উন্নয়নৰ যাত্ৰা পথৰে আগুৱাই যোৱাটোৱে চৰকাৰখনৰ লক্ষ্য বুলি উল্লেখ কৰি





তেওঁ কয় যে যাতায়াত, যোগাযোগ, শিক্ষা প্ৰতিষ্ঠান গঢ় দিয়া, ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ লোকক আগুৱাই লৈ যোৱাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে দৃঢ়তাৰে কাম কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে সোৱণশিৰিত লক্ষীনাৰায়ণ ক্ষেত্ৰৰ বাবে ৫০ বিঘা ভূমি আৰু ঢকুৱাখনা সতী সাধনী ভৱন প্ৰাঙ্গনত বীৰাংগনা সতী সাধনীৰ প্ৰতিমূৰ্তি স্থাপনৰ বাবে ১০ লাখ টকাৰ অনুদান দিয়াৰ কথা ঘোষণা কৰে। বীৰ-বীৰাংগনাসকলক নতুন প্ৰজন্মৰ মাজত সজীৱ কৰি ৰখাৰ বাবে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও কয়। সতী সাধনী বঁটাপ্ৰাপক মিনতি বৰঠাকুৰে ২৭ বছৰ কৰ্কট ৰোগৰ বিৰুদ্ধে যুঁজ দি যি মানসিক দৃঢ়তা আৰু সবলতাৰ পৰিচয় দাঙি ধৰিছে তাক সকলোৰে উচ্চস্বৰে প্ৰশংসা কৰিব লাগিব। মনোবল, ধৈৰ্য, সবলতা, নিষ্ঠা, একাগ্ৰতা, সাধনা থাকিলে জীৱনৰ যিকোনো দুৰ্যোগ অথবা প্ৰত্যাহ্বানক যোগ্য প্ৰত্যুত্তৰ দিয়া সম্ভৱ সেই কথা মিনতি বৰঠাকুৰে দেখুৱাই দিছে। এইগৰাকী আদৰ্শ নাৰীৰ কৰ্মৰাজিৰে আমি সকলোৰে জীৱনৰ কঠিন পৰিক্ৰমা অতিক্ৰম কৰাৰ বাবে মানসিক শক্তি আহৰণ কৰিব লাগিব বুলিও তেওঁ কয়। এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি বীৰাংগনা সতী সাধনী বঁটাপ্ৰাপক মিনতি বৰঠাকুৰে কয় যে তেওঁ কৰ্কট ৰোগৰ বিৰুদ্ধে যুঁজ দি এতিয়া জনসেৱাৰ বাবে নিজৰ জীৱন উৎসৰ্গিত কৰিছে। তেওঁ কয় যে কৰ্কট ৰোগৰ বিৰুদ্ধে কিদৰে যুঁজিব লাগে সেই কথা তেওঁ ৰোগীসকলক বুজাই আহিছে। কৰ্ম অবিহনে নিজৰ পৰিচয় দাঙি ধৰিব পৰা নাযায় বুলি উল্লেখ কৰি ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াত সকলোৰে সহযোগিতা আগবঢ়াব লাগিব বুলিও তেওঁ কয়। এই অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ প্ৰদান বৰুৱা আৰু জ্যোতি প্ৰসাদ শইকীয়ায়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিধায়ক ডাঃ ৰণোজ পেগু, সাংস্কৃতিক সঞ্চালক যাদৱ শইকীয়া, লখিমপুৰ জিলাৰ উপায়ুক্ত ডাঃ জীৱন বি, সদৌ চুতীয়া জাতি সন্মিলনৰ সভাপতি অমিয় বৰা, সদৌ চুতীয়া মহিলা সন্মিলনৰ সভানেত্ৰী, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল। ❑❑



## হাৰ্হি মহাবিদ্যালয়ৰ নতুন শ্ৰেণীকোঠা ভৱনৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ



# শিক্ষা, ক্ৰীড়া আৰু সংস্কৃতিৰ জৰিয়তে নিজকে সবল ৰূপত গঢ় দিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আহ্বান

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৪ ডিচেম্বৰত ঢকুৱাখনাৰ হাৰ্হি মহাবিদ্যালয়ৰ নতুন শ্ৰেণীকোঠা ভৱনৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক জীৱনত সফলতা লাভ কৰিবলৈ হ'লে শিক্ষাৰ লগতে কঠোৰ পৰিশ্ৰম কৰাৰ বাবে আহ্বান জনায়। ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰতো বিকশি উঠাৰ বাবে প্ৰয়াস চলাবলৈ কয়। তেওঁ কয় যে শৈক্ষিক কাৰ্যকলাপে বৌদ্ধিক দিশত উন্নয়ন সাধন কৰে, ক্ৰীড়াই মানসিক আৰু শাৰীৰিক শক্তিবৰ্ধন কৰে আৰু সংস্কৃতিয়ে জীৱনৰ বাবে প্ৰয়োজনীয় বিষয়বস্তুক উপলব্ধি কৰিবলৈ শিকোৱাৰ লগতে শিপাৰ লগত শক্তিশালীভাৱে সম্পৰ্ক অটুট ৰাখিবলৈ শিকায়। ধেমাজি আৰু লখিমপুৰ জিলাৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ ক্ষেত্ৰত দেখুৱাই অহা সফলতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতি বছৰে এই দুয়োখন জিলা বানৰ দ্বাৰা প্ৰভাৱিত হোৱা সত্বেও শৃংখলাবদ্ধ জীৱন যাপন, উৎকৰ্ষিত মনোভাৱ, ধৈৰ্য আৰু নিষ্ঠাৰে নিয়োজিত হোৱাৰ ফলত শৈক্ষিক দিশত এই সফলতা আহৰণ কৰিবলৈ সক্ষম হৈছে। তেওঁ এই সফলতাৰ ধাৰা ভৱিষ্যতলৈও অব্যাহত ৰখাৰ বাবে আহ্বান জনায় যাতে এই দুয়োখন জিলাৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাজ্যৰ বিকাশৰ প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰাত অৰ্থবহ অৱিহণা যোগাবলৈ সক্ষম হয়। মুখ্যমন্ত্ৰীয়ে জীৱনৰ মূল্যবোধ আহৰণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামৰ উদ্ধৃতি দি কয় যে সূৰ্যৰ দৰে জিলিকি উঠিবলৈ হ'লে জীৱনত কঠোৰ পৰিশ্ৰম কৰিব লাগিব। ৰাজ্যখনৰ শৈক্ষিক বাতাবৰণ শক্তিশালী কৰাৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বিকাশৰ ধাৰা ত্বৰান্বিত কৰাৰ বাবে চৰকাৰখনে পদক্ষেপ গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে এই মহাবিদ্যালয়খনে শৈক্ষিক দিশত সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা বাবে অধ্যক্ষগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। এই অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ প্ৰদান বৰুৱা, বিধায়ক ডাঃ ৰণোজ পেগু আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল। ❑❑

## ক্ষিপ্ৰ উন্নয়নৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাকৃতিক সম্পদসমূহে বহন কৰা সম্ভাৱনীয়তাৰ পূৰ্ণ প্ৰয়োগ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী



# এ এইচ ই চি এল আৰু অইল ইণ্ডিয়া লিমিটেডৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত যোৱা ২১ ডিচেম্বৰত অসম হাইড্ৰকাৰ্বন এণ্ড এনাৰ্জী কোম্পানী লিমিটেড (এএইচইচিএল) আৰু অইল ইণ্ডিয়া লিমিটেডৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি ১২৫ বৰ্গ কিলোমিটাৰ সামৰি নামৰূপ ব্লকত অইল ইণ্ডিয়া লিমিটেডক প্ৰদান কৰা খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ অন্বেষণ আৰু উৎপাদনৰ প্ৰক্ৰিয়াত ১০ শতাংশ এ এইচ ই চি এলে অংশীদাৰীত্বৰ লাভাংশ লাভ কৰিব। ২০০৬ চনত প্ৰতিষ্ঠা হোৱাৰ পিছৰে পৰা ইয়ে হৈছে এ এইচ ই চি এলৰ প্ৰথম প্ৰকৃত ব্যৱসায়িক উদ্যোগ। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে অইল ইণ্ডিয়া লিমিটেডৰ দৰে এক নৱৰত্ন কোম্পানীৰ লগত বুজাবুজিৰ চুক্তিত উপনীত হোৱাৰ বাবে এ এইচ ই চি এলক অভিনন্দন জ্ঞাপন কৰে। ৰাজ্য চৰকাৰে এই প্ৰতিষ্ঠানটোক ব্যৱসায়িক ক্ষেত্ৰত আগবঢ়াই নিয়াৰ লগতে ইয়াৰ পৰিসৰ বৃদ্ধিৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ মুখ্যমন্ত্ৰীয়ে অইল ইণ্ডিয়া লিমিটেডৰ বিষয়ববীয়াসকলক আহ্বান জনায়। সকলো প্ৰত্যাহ্বান নেওচি অসম তথা উত্তৰ-পূৰ্বাঞ্চলত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ অন্বেষণ আৰু উৎপাদনৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ বাবে তেওঁ অইল ইণ্ডিয়া লিমিটেডৰ শলাগ লয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে প্ৰস্তুত কৰা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে হাইড্ৰকাৰ্বন ভৱিষ্য দৰ্শন, ২০৩০ ক বাস্তৱায়িত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই অঞ্চলটোৰ সম্ভাৱনীয়তাৰ দ্ৰুত আৰু সম্পূৰ্ণ বিকাশৰ বাবে অঞ্চলটোৰ প্ৰতিখন ৰাজ্যই ইয়াৰ প্ৰাকৃতিক সম্পদসমূহৰ উপযুক্ত ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। তেওঁ লগতে কয় যে অসমত খাৰুৱা তেল অন্বেষণৰ এক সোণোৱালী ইতিহাস আছে আৰু এই খণ্ডটোৱে ৰাজ্যখনৰ উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। নুমলীগড় শোধনাগাৰৰ উৎপাদন ক্ষমতা ৩ মেট্ৰিক টনৰ পৰা ৯ মেট্ৰিক টনলৈ বৃদ্ধি কৰাৰ পদক্ষেপক আদৰণি জনাই মুখ্যমন্ত্ৰীয়ে এ এইচ ই চি এলে ৰাজ্যখনৰ খাৰুৱা তেলৰ অন্বেষণ আৰু উৎপাদনত ভাল ফলাফল প্ৰদৰ্শন কৰিব বুলি আশা প্ৰকাশ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে 'এডভাণ্টেজ আছাম' শীৰ্ষক বিশ্ববিনিয়োগ সন্মিলনৰ সফলতাৰ দিশসমূহ আলোকপাত কৰি কয় যে এই সন্মিলনত ৭৯ হাজাৰ কোটি টকাৰ বিনিয়োজনৰ প্ৰতিশ্ৰুতিৰে এতিয়ালৈকে ৫৪ হাজাৰ কোটি টকাৰ বিনিয়োগ বাস্তৱায়িত হৈছে। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ তেল আৰু প্ৰাকৃতিক গেছ খণ্ডই বহন কৰা সম্ভাৱনীয়তাসমূহৰ পূৰ্ণ প্ৰয়োগৰ ওপৰত সংহত পদক্ষেপ লৈ আহিছে যাতে ৰাজ্যখনৰ যুৱচামৰ বাবে নিয়োগ সৃষ্টিৰ এক বৃহৎ সুযোগৰ সৃষ্টি হয়। এই অনুষ্ঠানত খনি আৰু খনিজ সম্পদ বিভাগৰ মন্ত্ৰী চুম ৰংহাং, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য পৰিচালন সঞ্চালক চন্দ্ৰ মিশ্ৰ, এ এইচ ই চি এলৰ অধ্যক্ষ পোনাকণ বৰুৱা, এ এইচ ই চি এলৰ পৰিচালন সঞ্চালক ভি এছ ভাস্কৰৰ লগতে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ❑❑

## নিজৰ ব্যক্তিত্বতো মূল্য সংযোজন ঘটাব পাৰিলেহে আমি সফলতাৰ শিখৰলৈ আগবাঢ়ি যাবলৈ সক্ষম হ'ম ঃ মুখ্যমন্ত্ৰী



# মেধাৱী ছাত্ৰীলৈ দুচকীয়া বাহন (স্কুটী) প্ৰদান কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ

'একবিংশ শতিকাৰ তীব্ৰ প্ৰতিযোগিতামূলক এই বিশ্বত আজি উপযুক্ত মূল্য সংযোজন নহ'লে কোনো সামগ্ৰীয়ে বজাৰত স্থায়িত্ব লাভ কৰিব নোৱাৰে। সভ্যতা-সংস্কৃতিৰ লগতে মানুহৰ ৰুচিবোধলৈও ব্যাপক পৰিৱৰ্তন নামি অহা এই যুগত উপযুক্ত শিক্ষা আহৰণ আৰু উদ্ভাৱনী শক্তিৰ উৎকৰ্ষ সাধনেৰে নিজৰ ব্যক্তিত্বতো মূল্য সংযোজন ঘটাব পাৰিলেহে আমি সফলতাৰ শিখৰলৈ আগবাঢ়ি যাবলৈ সক্ষম হ'ম।'— অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ উদ্যোগত, 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অধীনত যোৱা ২০ ডিচেম্বৰত কামৰূপ জিলাৰ আমিনগাঁৱৰ নুমলী জলাহ পেৰেড গ্ৰাউণ্ডত আয়োজিত ২০২০ বৰ্ষৰ ড° বাণীকান্ত কাকতি বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ৫ গৰাকী ছাত্ৰীৰ হাতত দুচকীয়া বাহন (স্কুটী)ৰ প্ৰতীকী ছাবি প্ৰদান কৰি আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে এই অনুষ্ঠানৰ জৰিয়তে ২০২০ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ কামৰূপ আৰু কামৰূপ (মহানগৰ) জিলাৰ ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে স্কুটী প্ৰদান কৰাৰ পিছত পৰৱৰ্তী পৰ্যায়ত অহা ২ আৰু ৩ জানুৱাৰীত ৰাজ্যখনৰ অন্যান্য জিলাৰ ছাত্ৰীসকলক এই বঁটা প্ৰদান কৰা হ'ব। এই আঁচনিৰ জৰিয়তে চলিত বৰ্ষত ২২,০৩৪ গৰাকী ছাত্ৰীলৈ পেট্ৰ'লচালিত স্কুটাৰ আৰু ২১১গৰাকী ছাত্ৰীলৈ বিদ্যুৎচালিত স্কুটাৰ প্ৰদান কৰিবলৈ লোৱা হৈছে। ইয়াৰ বাবদ চৰকাৰৰ সৰ্বমুঠ ১৪৪.৩০ কোটি টকা ব্যয় হ'ব। ড° বাণীকান্ত কাকতি মেধা বঁটাৰ বাবে নিৰ্বাচিত ৰাজ্যখনৰ প্ৰতিগৰাকী মেধাৱী ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকসকললৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ছাত্ৰীসকলৰ মেধাৰ স্বীকৃতিস্বৰূপে ৰাজ্য চৰকাৰে প্ৰদান কৰা এই ৰঙা স্কুটীসমূহে অসমৰ গাঁৱে-ভূঞে তেওঁলোকৰ সফলতাৰ বতৰা কঢ়িয়াই লৈ যাব। ৰাজ্যৰ বহু ছাত্ৰীৰ জীৱনলৈ এই আঁচনিয়ে পৰিৱৰ্তন আনিব, তেওঁলোকৰ মনত নতুন আত্মবিশ্বাসৰ জন্ম দিব। বৰ্তমান তলৰ শ্ৰেণীত পঢ়ি থকা ছাত্ৰীসকলকো এই আঁচনিয়ে উদ্বুদ্ধ কৰিব আৰু অধ্যয়নত গভীৰভাৱে মনোনিৱেশ কৰাৰ বাবে প্ৰেৰণা যোগাব। ছাত্ৰীসকলক উদ্দেশ্যি 'ইউ কেন ৱিন, ইউ কেন ৱিন, ইউ

কেন ৰিন' — 'তোমালোকে পাৰিবাই' বুলি দৃঢ়তাৰে মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই পৃথিৱীত চেষ্টাৰ অসাধ্য একো নাই। প্ৰয়োজন মাথোঁ কঠোৰ পৰিশ্ৰম, আত্মবিশ্বাস আৰু মনোবলৰ। একবিংশ শতিকাক মহিলাৰ শতিকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আজি মহিলা সমাজ কোনো দিশতে পিছপৰি থকা নাই। সমাজ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে মহিলাসকল আজি পুৰুষৰ সমানে সমানে আগবাঢ়িছে। সেনাবাহিনীৰ তিনিওটা শাখাতে মহিলাৰ ব্যাপক যোগদানে এই কথাই স্পষ্ট ৰূপত প্ৰতীয়মান কৰিছে বুলি তেওঁ কয়। যুগে যুগে নাৰীয়ে সমাজ নিৰ্মাণ প্ৰক্ৰিয়াত অগ্ৰণী ভূমিকা পালন কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে নাৰীৰ মৰ্যাদা আৰু স্বাভিমান ৰক্ষাৰ বাবে সম্ভৱপৰ সকলো পদক্ষেপ গ্ৰহণ কৰি আহিছে। 'উজ্জ্বলা' আঁচনিৰ জৰিয়তে দেশৰ কোটি কোটি দৰিদ্ৰ মহিলাৰ চকুপানী মচিবলৈ প্ৰয়াস কৰা হৈছে। 'বেটি বচাও, বেটি পঢ়াও', 'জন-ধন যোজনা' আদি আঁচনিয়ে মহিলাৰ আত্মসন্মান বৃদ্ধি কৰিছে। একেদৰে অসম চৰকাৰেও সৌ সিদিনা হাতত লোৱা ৰাজ্যৰ ইতিহাসৰ সৰ্ববৃহৎ প্ৰত্যক্ষ লাভ হস্তান্তৰ আঁচনি 'অৰুণোদয়'-এ লক্ষ লক্ষ মহিলাৰ মুখত হাঁহি বিৰিঙাই তুলিছে। বিভিন্ন কল্যাণকামী আঁচনিৰে ৰাজ্য চৰকাৰে বিগত বছৰকেইটাত ৰাজ্যখনৰ ৭০ লাখ পৰিয়ালৰ জীৱন স্পৰ্শ কৰাৰ লগতে নাৰী সমাজেও উপাৰ্জনৰ ক্ষেত্ৰত বহুখিনি স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। নাৰীৰ মান-স্বাভিমান আৰু মৰ্যাদা ৰক্ষাৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰে কোনোপধ্যেই আপোচ কৰা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিগত দিনসমূহত নাৰীৰ আত্মসন্মানত হাত দিয়া প্ৰতিগৰাকী দুষ্কৃতিকাৰীকে তৎকালে কৰায়ত্ত কৰি ফাষ্টট্ৰেক বিচাৰ প্ৰক্ৰিয়াৰে আদালতত দোষী সাব্যস্ত কৰি কঠোৰ শাস্তি বিহা হৈছে। মহিলা আৰু শিশুৰ সুৰক্ষাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে আৰু ইয়াৰ সুফলস্বৰূপেই আজি ৰাজ্যৰ নাৰী সমাজেও নিৰ্ভয়ে নিজৰ কৰ্মক্ষেত্ৰত আত্মবিশ্বাসেৰে নামি পৰিবলৈ সক্ষম হৈছে। এই অনুষ্ঠানত দুচকীয়া বাহন লাভ কৰা ছাত্ৰীসকলক এই বাহনসমূহ লৈ ৰাজপথলৈ ওলাই অহাৰ আগতে বাহনসমূহ চলোৱাৰ ক্ষেত্ৰত দক্ষতা আহৰণ কৰি ল'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত আৱেদন কৰি চালকৰ অনুজ্ঞাপত্ৰ সংগ্ৰহ কৰি লোৱাৰ লগতে হেলমেট পৰিধান কৰাকে ধৰি যান-বাহন আইন কঠোৰভাৱে মানি চলিবলৈ ছাত্ৰীসকলক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। এগৰাকী দায়িত্বশীল নাগৰিক হিচাপে নিজৰ লগতে পথাচাৰীৰ সুৰক্ষাৰ বাবে এইকেইটা দিশত তেওঁলোক সতৰ্ক হ'বই লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি শিক্ষা, বিত্ত, স্বাস্থ্য, লোকনিৰ্মাণ আদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই দিনটোক গৌৰৱ, আনন্দ আৰু প্ৰাপ্তিৰ দিন হিচাপে অভিহিত কৰে। ছাত্ৰীৰ পৰা আই-মাতৃলৈকে অসমৰ নাৰী শক্তিক মৰ্যাদাসহকাৰে আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে বিগত দিনসমূহত হাতত লোৱা বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে আজি অসম ৰাজ্যখন সৰ্বদিশতে আগুৱাই গৈছে। আমাৰ আকাশ চুবৰ মন আছে আৰু এদিন আমি আকাশ চুমেই বুলি তেওঁ দৃঢ়তাৰে





কয়। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ ১০০০ গৰাকী ছাত্ৰীক স্কুটী প্ৰদানেৰে ২০১৭-১৮ বৰ্ষত আনুষ্ঠানিকভাৱে ড° বাণীকান্ত কাকতি বঁটা প্ৰদানৰ শুভাৰম্ভ কৰা হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে বিভিন্ন কাৰণত ২০১৮-১৯ আৰু ২০১৯-২০ বৰ্ষৰ ছাত্ৰীসকলে এই বঁটা লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। কিন্তু অহা ফেব্ৰুৱাৰী মাহৰ ভিতৰত এই দুই বৰ্ষৰ শীৰ্ষ ৫ হাজাৰ আৰু ১০ হাজাৰ গৰাকী ছাত্ৰীকো চৰকাৰে স্কুটী প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি তেওঁ ঘোষণা কৰে। চলিত বৰ্ষত ২২ হাজাৰৰো অধিক ছাত্ৰীলৈ এই বঁটা প্ৰদানকে ধৰি এই চাৰিটা বৰ্ষত ৰাজ্য চৰকাৰে প্ৰায় ৪০ হাজাৰ গৰাকী ছাত্ৰীলৈ স্কুটী প্ৰদান কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ সদৰী কৰে। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ আইন, গুৱাহাটী উন্নয়ন আদি বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ভবেশ কলিতায়ো ভাষণ প্ৰদান কৰি ড° বাণীকান্ত কাকতি বঁটাৰ বাবে নিৰ্বাচিত হোৱা ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে এই বঁটাপ্ৰাপ্তিয়ে তেওঁলোকক ভৱিষ্যৎ শিক্ষা জীৱনত দোপতদোপে আগবাঢ়ি যোৱাত প্ৰেৰণা যোগাব বুলি আশা প্ৰকাশ কৰে। অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, বিধায়কসকল ক্ৰমে অতুল বৰা, প্ৰণৱ কলিতা, সুমন হৰিপ্ৰিয়া আৰু ৰেকিবুদ্দিন আহমেদ, শিক্ষা বিভাগৰ আয়ুক্ত-সচিব প্ৰীতম শইকীয়া, উচ্চ শিক্ষা বিভাগৰ সঞ্চালক গীতিমণি ফুকন, কামৰূপ জিলাৰ উপায়ুক্ত কৈলাস কাৰ্তিক, হিৰো ম'ট' কৰ্প'ৰ নেচনেল ছেলচ্ হেড আশুতোষ বাৰ্মাকে ধৰি শিক্ষা বিভাগ আৰু প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল, কামৰূপ আৰু কামৰূপ (মহানগৰ) জিলাৰ বঁটাপ্ৰাপক ছাত্ৰীসকল আৰু তেওঁলোকৰ অভিভাৱকসকল উপস্থিত থাকে। ❏❏



# এক্ট ইষ্ট পলিচী ৰূপায়ণৰ পদক্ষেপে দক্ষিণ-পূব এছিয়া আৰু বি বি এন দেশসমূহৰে আদান-প্ৰদানৰ পথ প্ৰশস্ত কৰিছে ঃ মুখ্যমন্ত্ৰী



## অষ্টম নৰ্থ ইষ্ট ফেষ্টিভেলৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১৯ ডিচেম্বৰত মহানগৰীৰ হোটেল ৰেডিচন ব্লুত আয়োজিত অষ্টম সংখ্যক নৰ্থ ইষ্ট ফেষ্টিভেল-২০২০ৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই মহোৎসৱৰ আয়োজকসকলে উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন, সংস্কৃতি, বিবিধতা দেশৰ লগতে বিশ্বৰ অন্য প্ৰান্তত সজোৰে তুলি ধৰাৰ বাবে লোৱা প্ৰচেষ্টাৰ শলাগ লয়। উত্তৰ-পূৰ্বাঞ্চল যথেষ্ট সম্পদ আৰু সম্ভাৱনাৰে পৰিপূৰ্ণ বুলি উল্লেখ কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে বৃহত্তৰ অঞ্চলটোৱে বহন কৰা সম্ভাৱনীয়তাসমূহৰ পূৰ্ণ সুযোগ লাভ কৰাৰ বাবে সন্মিলিতভাৱে কাম কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰী হিচাপে সংসদত প্ৰথমবাৰৰ বাবে দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক জৈৱিক হাব হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱাৰ কথা উল্লেখ কৰি এইগৰাকী প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ বিকাশৰ 'নতুন ইঞ্জিন' তথা 'অষ্টলক্ষ্মী' হিচাপে অভিহিত কৰি এই ৰাজ্যসমূহে বহন কৰা সম্ভাৱনীয়তাসমূহৰ বিকাশেৰে সমগ্ৰ বিশ্বতে এক নতুন পৰিচয় দাঙি ধৰাৰ প্ৰয়াস চলাইছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। পূৰ্বতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত থকা শক্তি আৰু সম্ভাৱনাক এনেদৰে আৱিষ্কাৰ কৰাৰ প্ৰয়াস চলোৱা হোৱা নাছিল বুলিও তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'এক্ট ইষ্ট পলিচী' ৰূপায়ণৰ পদক্ষেপেৰে দক্ষিণ-পূব এছিয়াৰ দেশ তথা বিবিএন দেশসমূহৰ সৈতে অৰ্থনৈতিক, সাংস্কৃতিক আদান-প্ৰদানৰ পথ প্ৰশস্ত কৰিছে বুলি উল্লেখ কৰি এই দেশসমূহৰ বিশাল

বজাৰখনক সকলো ক্ষেত্ৰতে দখল কৰাৰ বাবে সকলোৰে মিলি কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। শিক্ষা, সংস্কৃতি, কৃষি, প্ৰযুক্তি ইত্যাদি সকলোতে প্ৰভুত্ব বিস্তাৰেৰে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলে ভাৰতবৰ্ষৰ বাবে এই দেশসমূহৰ দুৱাৰমুখ হিচাপে পৰিগণিত হোৱাৰ এক প্ৰেক্ষাপটৰ সূচনা হৈছে বুলিও তেওঁ কয়। ইয়াৰ বাবে কঠোৰ পৰিশ্ৰমৰ বিকল্প নাই বুলিও তেওঁ কয়। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে নিজৰ শক্তি আৰু সামৰ্থ্যৰ পূৰ্ণ প্ৰয়োগেৰে উৎপাদন বৃদ্ধি কৰি এই দিশত অগ্ৰসৰ হ'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষিখণ্ডত প্ৰযুক্তিৰ প্ৰয়োগ, ছয়েল হেলথ্ কাৰ্ড, ৱাটাৰ হেলথ্ কাৰ্ড ইত্যাদিৰ ব্যৱস্থাৰে কৃষিখণ্ডক আগুৱাই নিয়াৰ যি প্ৰয়াস চলাইছে ইয়াৰ বাবে নৱ প্ৰজন্মই কৃষি খণ্ডৰ প্ৰতি আকৃষ্ট হ'ব পাৰিছে বুলিও তেওঁ কয়। ৰাজ্যখনৰ ১৪জন কৃষকৰ সৈতে ভিয়েটনামৰ কৃষিখণ্ডৰ বিকাশ পৰিদৰ্শন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিগত ৩০ বছৰত ভিয়েটনামে কৃষি বিজ্ঞানী আৰু কৃষকৰ সমন্বয়ৰে কৃষি উৎপাদিত সামগ্ৰীসমূহত মূল্য সংযোজনেৰে ৩৬ ইউ এছ বিলিয়ন ডলাৰ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। এই উদাহৰণৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহেও উৎপাদন, সংগ্ৰহ আৰু বিপণনৰ এক সংহত ব্যৱস্থা গঢ়ি তুলিব পাৰিলে বিকাশৰ মাত্ৰাই এক নতুন গতি লাভ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজকসকলক ভৱিষ্যতৰ কাৰ্যসূচীত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যই লাভ কৰা সফলতাৰ নমুনা সবলভাৱে দাঙি ধৰাৰ ব্যৱস্থা কৰিবলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে আয়োজকসকলক যুৱ শক্তিক জাগ্ৰত কৰাৰ পদক্ষেপ ল'বলৈ আহ্বান জনোৱাৰ লগতে যুৱক-যুৱতীসকলৰ মত-বিনিময়ৰ অনুষ্ঠানৰ আয়োজন কৰাৰ বাবেও আহ্বান জনায়। অনুষ্ঠানত ভাৰ্চুৱেলী যোগদান কৰি প্ৰদান কৰা ভাষণত উত্তৰ-পূব উন্নয়ন দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে নৰ্থ ইষ্ট ফেষ্টিভেলৰ দৰে মহোৎসৱে উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন, বাণিজ্য ইত্যাদিৰ ক্ষেত্ৰত ইতিবাচক ফলাফল কঢ়িয়াই অনাৰ সম্ভাৱনীয়তা বহন কৰিছে বুলি কয়। ভাষণ প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ বিকাশৰ নতুন ইঞ্জিন হিচাপে অভিহিত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ক্ষেত্ৰৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ বাবে গ্ৰহণ কৰি থকা ব্যৱস্থাৱলীসমূহৰ বিষয়েও কয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱে এই উৎসৱ আয়োজন কৰাৰ পদক্ষেপ লোৱাৰ বাবে আয়োজকসকলক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰি কয় যে আজিৰ পৰা ১০ বছৰ আগেয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বহুকেইখন ৰাজ্যক দেশবাসীয়ে বিশেষভাৱে জনা নাছিল। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ৬ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে গ্ৰহণ কৰা শক্তিশালী পদক্ষেপৰ জৰিয়তে এই অঞ্চলটোৱে এক সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। পূৰ্বতে



ত্ৰিপুৰাৰ জীৱনৰেখা স্বৰূপ ৰাষ্ট্ৰীয় ঘাইপথ মাত্ৰ এটাৰে সংযুক্ত আছিল বুলি উল্লেখ কৰি এতিয়া ৰাষ্ট্ৰীয় ঘাইপথ, ৰেল যোগাযোগ, আকাশী পথৰ শক্তিশালীকৰণেৰে ত্ৰিপুৰাৰ যোগাযোগ খণ্ডত বিপ্লৱৰ সূচনা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে সন্মিলিত প্ৰচেষ্টাৰে উত্তৰ-পূৰ্বাঞ্চলে পৰ্যটনৰ ক্ষেত্ৰত আগন্তুক ১০ বছৰৰ ভিতৰত দেশৰ ভিতৰতে শ্ৰেষ্ঠ স্থান হিচাপে গঢ়ি উঠিব বুলিও কয়। অনুষ্ঠানত ভাৰ্চুৱেলী প্ৰদান কৰা ভাষণত মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে মণিপুৰে শেহতীয়াকৈ উন্নয়নৰ দিশত লাভ কৰা সফলতাসমূহ সদৰী কৰে। এনেকুৱা উৎসৱৰ জৰিয়তে উত্তৰ- পূৰ্বাঞ্চলে বহন কৰা সম্পদ আৰু সম্ভাৱনীয়তাসমূহ প্ৰদৰ্শনেৰে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ বাবে প্ৰধানমন্ত্ৰীয়ে লোৱা লক্ষ্য বাস্তৱায়িত কৰাৰ দিশত ইতিবাচক অৰিহণা যোগোৱাৰ সম্ভাৱনীয়তা আছে বুলিও তেওঁ কয়। অনুষ্ঠানত ভাৰতৰ বিদেশ সচিব হৰ্ষবৰ্ধন শ্ৰিংলাই ভাষণ প্ৰদান কৰি এক্ট ইষ্ট পলিচী ৰূপায়ণৰ পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহলৈ কঢ়িয়াই অনা সম্ভাৱনীয়তাসমূহৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। নৰ্থ ইষ্ট ফেষ্টিভেলৰ মুখ্য আয়োজক শ্যামকানু মহন্তই আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষি মন্ত্ৰী অতুল বৰা, চিকিমৰ পৰ্যটন মন্ত্ৰী বেদুসিং পাণ্ট, মুখ্য সচিব জিষ্ণু বৰুৱা, স্পাইচ জেটৰ চি অ' অ' দেবজু মুখাৰ্জী, নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰিচালন সঞ্চালক এছ কে বৰুৱায়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ



উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ, শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, কেইবাটাও সংবাদ প্ৰতিষ্ঠানৰ সম্পাদককে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ❏❏



# সদৌ অসম জাতীয় ছহিদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদ আৰু সদৌ অসম ছহিদ নিৰ্যাতিত পৰিয়াল পৰিষদৰ সৈতে মুখ্যমন্ত্ৰী সোণোৱালৰ বৈঠক



সদৌ অসম জাতীয় ছহিদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদ আৰু সদৌ অসম ছহিদ নিৰ্যাতিত পৰিয়াল পৰিষদৰ সৈতে যোৱা ১৮ ডিচেম্বৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত দুয়োটা সংগঠনৰ প্ৰতিনিধিবৰ্গই তেওঁলোকৰ দাবীসমূহ মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰে। বৈঠকৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ছহিদৰ ত্যাগ আৰু আদৰ্শৰ প্ৰতি সন্মান জনাই দুয়োটা সংগঠনক একত্ৰিত হৈ কাম কৰাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই দুয়োটা সংগঠনৰ প্ৰতিনিধিবৰ্গই অনতি পলমে একত্ৰিত হোৱাৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। বৈঠকত দুয়োটা সংগঠনৰ প্ৰতিনিধিবৰ্গই গুৱাহাটীত কাৰ্যালয় নিৰ্মাণৰ বাবে ভূমি প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীক আহ্বান জনায়। প্ৰতিনিধি বৰ্গৰ আহ্বানৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই মুখ্যমন্ত্ৰী সোণোৱালে গুৱাহাটীত ২ বিঘা ভূমি কাৰ্যালয় নিৰ্মাণৰ বাবে প্ৰদানৰ যথোচিত পদক্ষেপ লোৱাৰ বাবে গৃহ বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মাক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে এই কাৰ্যালয় নিৰ্মাণৰ বাবে ৫০ লাখ টকা প্ৰদানৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰক নিৰ্দেশ দিয়ে। ছহিদ আৰু নিৰ্যাতিত পৰিয়ালৰ নিকটাত্মীয়ক সংস্থাপন প্ৰদানৰ দিশত যাৱতীয় পদক্ষেপ যুগুতোৱাৰ বাবে সংগঠন দুটাৰ প্ৰতিনিধি বৰ্গৰ সৈতে শীঘ্ৰে এক আলোচনাত মিলিত হোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে গৃহ বিভাগৰ প্ৰধান সচিবগৰাকীক এই বৈঠকতে নিৰ্দেশ দিয়ে। অসম আন্দোলনৰ যিসকল নিৰ্যাতিতই এতিয়ালৈকে আৰ্থিক সাহায্য পোৱা নাই তেওঁলোককো আৰ্থিক সাহায্য প্ৰদানৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে বৈঠকতে নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰ্তমানৰ চৰকাৰে মানৱীয়, নৈতিক আৰু জাতীয় দায়িত্বৰে ছহিদসকলৰ ত্যাগ আৰু আদৰ্শক জীয়াই ৰাখিবলৈ নিষ্ঠাসহকাৰে প্ৰয়াস চলাইছে। ছহিদৰ আদৰ্শক জীয়াই ৰাখিব পাৰিলে জাতিটোৱে শক্তিশালী ৰূপত ভৱিষ্যতেও বিশ্ব দৰবাৰত জিলিকি থাকিব পাৰিব। ছহিদসকলক প্ৰকৃত বীৰ তথা ত্যাগৰ প্ৰতীক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ছহিদসকলৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ বাবে ছহিদ স্মাৰক তথা ছহিদ উদ্যান স্থাপনৰ লেখীয়া পদক্ষেপসমূহ গ্ৰহণ কৰিছে বুলিও কয়। এই বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, গৃহ বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা প্ৰমুখ্যে শীৰ্ষ বিষয়াসকলৰ লগতে দুয়োটা সংগঠনৰ প্ৰতিনিধি বৰ্গও উপস্থিত থাকে। ❑❑



## নলবাৰীত শিক্ষাবিদ প্ৰফুল্ল কুমাৰ গোস্বামীৰ সোঁৱৰণী গ্ৰন্থ উন্মোচন



# মানুহৰ মুক্তি মংগলৰ বাবে কাম কৰাজন প্ৰাতঃস্মৰণীয় ঃ মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা

'মানুহে যদি মানুহৰ মুক্তি আৰু মংগলৰ বাবে কাম কৰে, সেয়া মৃত্যুৰ দাপোনত প্ৰতিবিম্বিত হ'ব। তেনে কাম কৰিলে আপুনি কষ্ট কৰিব নালাগে। মানুহে আপোনাক নিজেই সেৰা, সন্মান জনাব। যিবোৰ মানুহে মানুহৰ মুক্তি আৰু মংগলৰ বাবে কাম কৰিছে, সেইবোৰ ব্যক্তি প্ৰাতঃস্মৰণীয়। তেনে ব্যক্তি 'এণ্টিভাইৰাছ'ৰ নিচিনা।' যোৱা ২৫ ডিচেম্বৰত নলবাৰীৰ গৰ্ডন চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিগন্ত কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এক সভাত লেখক, কবি তুপুল শৰ্মাই সম্পাদনা কৰা বিশিষ্ট শিক্ষাবিদ প্ৰফুল্ল কুমাৰ গোস্বামীৰ সোঁৱৰণী গ্ৰন্থ 'স্বৰ্ণাভ স্মৃতিলিপি'ৰ উন্মোচনী অনুষ্ঠানত এই মন্তব্য কৰে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে। চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক প্ৰফুল্ল কুমাৰ গোস্বামীৰ পৰিয়ালৰ উদ্যোগত আয়োজিত এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি সাহিত্যাচাৰ্য ড° বসন্ত কুমাৰ ভট্টাচাৰ্যই কয় যে এখন গ্ৰন্থৰ জন্ম মানে এখন হৃদয়ৰ জন্ম। এখন গ্ৰন্থ উন্মোচনীৰ দিনটো এটা উৎসৱৰ দিন হিচাপে পৰিগণিত হয়। প্ৰফুল্ল গোস্বামীয়ে এই গ্ৰন্থখনৰ জৰিয়তে মৃত্যুৰ পিছতো এটা জীৱন লাভ কৰিলে। সভাখনত উপস্থিত থাকে বিশিষ্ট লেখিকা তথা নলবাৰী এম এন ছি কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° লীনা ডেকা, বিশিষ্ট চকু



চিকিৎসক ডাঃ শুভ্ৰকিংকৰ গোস্বামী, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক দীপক শৰ্মা, নলবাৰী কলেজৰ অধ্যক্ষ দীপক গোস্বামী, প্ৰয়াত গোস্বামীৰ সতীৰ্থ অৱসৰপ্ৰাপ্ত শিক্ষক আনন্দ গোস্বামীকে ধৰি বহুকেইবাগৰাকীও বিশিষ্ট ব্যক্তি। গ্ৰন্থ উন্মোচনীৰ পিছতেই প্ৰয়াত গোস্বামীৰ সুযোগ্য সন্তান তথা নলবাৰীৰ বিশিষ্ট চিকিৎসক ডাঃ দিগন্ত গোস্বামী আৰু তেওঁলোকৰ তৎপৰতাত গঠন হোৱা 'প্ৰফুল্ল গোস্বামী স্মৃতি ন্যাস' আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নলবাৰীৰ উপায়ুক্ত পুৰবী কোঁৱৰে। ❑❑

# গৃহ তথা সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ সৈতে মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক




'মৈত্ৰী' আঁচনিৰ আৰ্হিৰে ৰাজ্যৰ সীমান্ত আৰক্ষী চকী (বি অ' পি)সমূহৰ সৰ্বাংগীণ আন্তঃগাঁথনি উন্নয়নৰ বাবে এক বিশেষ অভিযান হাতত লোৱাৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই আঁচনিৰ অধীনত সীমান্ত আৰক্ষী চকীৰ ভৱনসমূহ অত্যাধুনিক ৰূপত নতুনকৈ নিৰ্মাণ অথবা উন্নীতকৰণ কৰাৰ লগতে সংলগ্ন বেৰেক নিৰ্মাণৰো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। প্ৰায় ১০০ কোটি টকা ব্যয়ৰে প্ৰথম পৰ্যায়ত এই অভিযানৰ অধীনত ৫০ খনকৈ সীমান্ত আৰক্ষী চকীক সামৰি লোৱা হ'ব যদিও পৰৱৰ্তী পৰ্যায়ত ইয়াক অধিক সম্প্ৰসাৰিত কৰা হ'ব। যোৱা ১৮ ডিচেম্বৰত জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ বৈঠকত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ কাম-কাজসমূহৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে এই ঘোষণা কৰে। এই সীমান্ত আৰক্ষী চকীসমূহলৈ যাতায়াতৰ সুব্যৱস্থা কৰাৰ লগতে বিদ্যুৎ আৰু খোৱাপানীৰ উপযুক্ত ব্যৱস্থা কৰাৰ বাবেও প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ তেওঁ বিভাগটোৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। ৰাজ্যখনৰ আন্তঃৰাজ্যিক সীমান্তৰ আওহতীয়া স্থানসমূহত থকা সীমান্ত আৰক্ষী চকীসমূহত কৰ্মৰত আৰক্ষী জোৱানসকলে যথেষ্ট প্ৰতিকূলতাৰ মাজেৰে কৰ্তব্য পালন কৰিবলগীয়া হোৱাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ সুবিধা-অসুবিধাৰ বুজ লোৱাৰ লগতে প্ৰয়োজনীয় প্ৰাথমিক সা-সুবিধাখিনি প্ৰদানৰ দিশত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। সীমান্ত অঞ্চলত বসবাস কৰা লোকসকলৰ সুৰক্ষা আৰু উন্নয়নৰ স্বাৰ্থত তথা সীমান্তৰ তদাৰকী ব্যৱস্থা সুচলতৰ কৰাৰ বাবে এই অঞ্চলসমূহত উন্নত বাট-পথ, দলং আদিৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব বুলি উল্লেখ কৰি এইক্ষেত্ৰত প্ৰয়োজনীয় আঁচনি যুগুত কৰিবলৈও তেওঁ বিভাগটোক নিৰ্দেশ দিয়ে। বিভাগটোৰ প্ৰস্তাৱ অনুসৰি তহলদাৰী আৰক্ষী জোৱানসকলৰ আহ-যাহৰ সুবিধাৰ বাবে ৰাজ্যৰ ১০০ খন সীমান্ত আৰক্ষী চকীলৈ ৪ খনকৈ মটৰচাইকেল আৰু ৮ খনকৈ চাইকেল যোগান ধৰাৰ লগতে ইন্ধনৰ বাবেও যাৱতীয় পুঁজি প্ৰদান কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। এই বৈঠকত গৃহ বিভাগ আৰু সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ বিষয়ববীয়াসকলে ৰাজ্যখনৰ আন্তঃৰাজ্যিক সীমান্তৰ শেহতীয়া পৰিস্থিতিৰ সবিশেষ মুখ্যমন্ত্ৰীক অৱগত কৰে। চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহ আৰু স্থানীয় প্ৰশাসনৰ সৈতে আলাপ-আলোচনাৰ মাধ্যমেৰে স্পৰ্শকাতৰ অঞ্চলসমূহৰ সীমা-বিবাদ সন্দৰ্ভত সমাধানসূত্ৰত উপনীত হ'ব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। এই বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যৰ ভাৰত-বাংলা আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সাম্প্ৰতিক পৰিস্থিতি, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াৰ শেহতীয়া স্থিতি আদি বিষয় সন্দৰ্ভতো গৃহ বিভাগৰ বিষয়াসকলৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন বৰঠাকুৰ, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান মুকেশ আগৰৱালা, গৃহ বিভাগৰ আয়ুক্ত-সচিব জি ডি ত্ৰিপাঠী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ সচিব প্ৰভাতী থাওচেনকে ধৰি সংশ্লিষ্ট বিভাগসমূহৰ অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত আছিল। ❑❑

# শ্ৰমিক কল্যাণ বিভাগৰ কাম-কাজৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ




# ৩ লাখ ২২ হাজাৰ পঞ্জীয়নকৃত নিৰ্মাণ শ্ৰমিকৰ প্ৰত্যেকলৈ ৫ হাজাৰ টকাকৈ মোকলাই দিয়াৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১৮ ডিচেম্বৰত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত ৰাজ্য চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগে ৰূপায়ণ কৰি থকা বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰে। পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে বিভাগক ৰাজ্যখনৰ ৩ লাখ ২২ হাজাৰ পঞ্জীয়নকৃত নিৰ্মাণ শ্ৰমিকৰ প্ৰত্যেকলৈ চিকিৎসাজনিত সাহায্য ৫ হাজাৰ টকাকৈ আগবঢ়োৱাৰ বাবে দ্ৰুত পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। ৰাজ্য চৰকাৰে সমাজৰ দৰিদ্ৰ তথা অৱহেলিত লোকসকলৰ উত্তৰণৰ দিশত বিভিন্ন পদক্ষেপ লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ছহিদ দয়াল দাস পাণিকা স্বনিয়োজন আঁচনিৰ অধীনত চাহ বাগিচা অঞ্চলৰ নিৰনুৱা যুৱক-যুৱতীসকললৈ আত্মসংস্থাপনৰ কাম-কাজ হাতত লোৱাৰ বাবে ২৫ হাজাৰ টকাকৈ আগবঢ়োৱাৰ পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে শ্ৰমিক কল্যাণ বিভাগৰ বিষয়াবৰ্গক এই আঁচনিৰ অধীনত আৰু অধিক যোগ্য হিতাধিকাৰীক সামৰি লোৱাৰ বাবেও নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে অসংগঠিত শ্ৰমিকৰ পেঞ্চন আঁচনিৰ অধীনত ক্ষুদ্ৰ দোকানীসকলক সামৰি লোৱাৰ দিশতো পদক্ষেপ লোৱাৰ বাবে নিৰ্দেশ দিয়াৰ লগতে প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ দ্ৰুত ৰূপায়ণৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে আগন্তুক বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত পেঞ্চন আঁচনিৰ অধীনত অতি কমেও ১০ লাখ ক্ষুদ্ৰ দোকানীক পঞ্জীয়ন কৰাৰ দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে অসংগঠিত খণ্ডৰ শ্ৰমিকসকলক পঞ্জীয়নৰ বাবে আগবাঢ়ি অহাৰ বাবে আকৰ্ষিত কৰাৰ দিশত উপযুক্ত সজাগতা কাৰ্যসূচী গ্ৰহণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এইসকল লোকৰ আধাৰ পঞ্জীয়ন বৃদ্ধি কৰাৰ পদক্ষেপ লোৱাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে যাতে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ সুফল লাভ কৰিব পাৰে। এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পবন কুমাৰ বৰঠাকুৰ, শ্ৰমিক কল্যাণ বিভাগৰ প্ৰধান সচিব জে বি এক্কা, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তী, শ্ৰম আয়ুক্ত ছাজাদ জামান হাজৰিকা উপস্থিত থাকে। ❑❑




# বৰাক উপত্যকাৰ তিনিখন জিলাৰ উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৩ ডিচেম্বৰত হাইলাকান্দি জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত হাইলাকান্দি, কাছাৰ আৰু কৰিমগঞ্জ জিলাৰ উপায়ুক্তসকলৰ সৈতে জিলাকেইখনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনি আৰু প্ৰকল্পৰ পৰ্যালোচনা কৰে। এই পৰ্যালোচনা কালত মুখ্যমন্ত্ৰীয়ে জিলাকেইখনত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ ৰূপায়ণ ক্ষিপ্ৰ কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। জিলাসমূহৰ বিভিন্ন অঞ্চল সঘনাই পৰিদৰ্শন কৰি জনসাধাৰণৰ সৈতে মত বিনিময় কৰিবলৈ আৰু সু-প্ৰশাসনৰ সুফল জনসাধাৰণক প্ৰদানৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ তেওঁ উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। সৌভাগ্য আঁচনিৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ বাবে অবিৰত বিদ্যুৎ যোগান সুনিশ্চিত কৰিবলৈ এপিডিচিএলৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। বৰাক উপত্যকাৰ এই জিলাকেইখনত গ্ৰাম্য বৈদ্যুতিকৰণৰ কাম যুদ্ধকালীন তৎপৰতাৰে সম্পূৰ্ণ কৰি তোলাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। জলজীৱন মিছনৰ অধীনত জনসাধাৰণক ফ্লৰাইড আৰু আৰ্চেনিকমুক্ত বিশুদ্ধ খোৱাপানী যোগান সুনিশ্চিত কৰা, স্বচ্ছ ভাৰত অভিযানৰ অধীনত প্ৰতিটো পৰিয়ালৰ বাবে শৌচাগাৰ নিৰ্মাণৰ কাম দ্ৰুত কৰি তোলা, ২০২২ চনৰ ভিতৰত সকলোৰে বাবে গৃহ প্ৰদানৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ কাম-কাজ ক্ষিপ্ৰতৰ কৰি তোলাৰ পদক্ষেপ ল'বলৈও তেওঁ উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। বনভূমিত বসবাস কৰা লোকসকলৰ বাবে চাৰিও দিশৰ সেউজ আৱৰণৰ সৈতে এক আদৰ্শ গাঁও নিৰ্মাণ কৰি তোলাৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰী সোণোৱালে হাইলাকান্দিৰ উপায়ুক্ত মেঘনিধি দাহালক নিৰ্দেশ দিয়ে, যাতে ই অন্যান্য জিলাসমূহৰ বাবেও এক আদৰ্শত পৰিণত হয়। চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে জনসাধাৰণক আস্থা আৰু বিশ্বাসত লৈ তেওঁলোকক ইয়াৰ অংশীদাৰ কৰি তুলিবলৈ মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত স্বচ্ছতা আৰু দায়বদ্ধতা সুনিশ্চিতকৰণৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। পৰ্যালোচনা কালত মুখ্যমন্ত্ৰীয়ে জিলা তিনিখনত ৰূপায়িত হৈ থকা ৰাষ্ট্ৰীয় ঘাইপথৰ কাম-কাজৰ পৰ্যালোচনা কৰাৰ লগতে ধলেশ্বৰীৰ পৰা মিজোৰাম সীমান্তৰ ভৈৰৱীলৈকে থকা পথছোৱাৰ সাম্প্ৰতিক অৱস্থাৰ বুজ লয়। এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে তিনিওখন জিলাৰ আইন-শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। তেওঁ লগতে ভাৰত-বাংলাদেশ সীমান্তৰ লাঠিটিলা ডুমাবাৰীত নিৰ্মীয়মাণ স্মাৰ্ট ফেন্সিঙৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। ড্ৰাগছ সৰবৰাহকাৰীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবেও মুখ্যমন্ত্ৰীয়ে উপত্যকাটোৰ তিনিওখন জিলাৰ আৰক্ষী অধীক্ষকসকলৰ লগতে দক্ষিণ সংমণ্ডলৰ উপ-আৰক্ষী মহাপৰিদৰ্শকগৰাকীক নিৰ্দেশ দিয়ে। এই পৰ্যালোচনা বৈঠকত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, বিধায়কদ্বয় চুজামুদ্দিন লস্কৰ আৰু নিজামুদ্দিন চৌধুৰী, জিলা উন্নয়ন আয়ুক্তসকল, অতিৰিক্ত উপায়ুক্তসকল, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ লগতে তিনিওখন জিলাৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ❒❒

# মাজুলীৰ ৰাইজৰ মৰম আৰু আশীৰ্বাদৰ বাবেই মই ৰাজ্যবাসীক নিষ্ঠাৰে সেৱা কৰাৰ শক্তি লাভ কৰিছো



## মাজুলীৰ নাগৰিক সমাজৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিৰ সাক্ষাৎ মুখ্যমন্ত্ৰীক

মাজুলীৰ নাগৰিক সমাজৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিসকলে যোৱা ২২ ডিচেম্বৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক তেওঁৰ চৰকাৰীৰ বাসভৱনত সাক্ষাৎ কৰে। নদীদ্বীপ মাজুলী জিলাৰ পৰা বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰি জিলাখনত দ্ৰুত আন্তঃগাঁথনি উন্নয়ন সম্ভৱ কৰি তোলাৰ বাবে তেওঁলোকে মুখ্যমন্ত্ৰী সোণোৱালক ধন্যবাদ জ্ঞাপন কৰে। তেওঁলোকে কয় যে পূৰ্বৰ ৰাজ্য চৰকাৰসমূহৰ পৰা সদায়ে অৱহেলাৰ পাত্ৰৰূপে পৰিগণিত হৈ অহা আৰু উন্নয়নৰ পৰা বঞ্চিত হোৱা মাজুলীয়ে মুখ্যমন্ত্ৰী সোণোৱালৰ নেতৃত্বত প্ৰগতিৰ দিশত যি বিকাশ লাভ কৰিবলৈ সক্ষম হৈছে তাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীৰ অৱদানক মাজুলীৰ ৰাইজে সদায়ে মনত ৰাখিব। ভৱিষ্যতেও মাজুলীৰ লগতে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ বাবে একেই আন্তৰিকতা আৰু উৎসৰ্গিত মনোভাৱেৰে মুখ্যমন্ত্ৰীগৰাকীয়ে কাম কৰি যাব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে। নাগৰিক সমাজৰ লগতে মাজুলীৰ দল-সংগঠনসমূহৰ প্ৰতিনিধিসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয় যে মাজুলীৰ ৰাইজে বিগত চাৰে চাৰিটা বছৰে তেওঁলৈ আগবঢ়োৱা মৰম আৰু আশীৰ্বাদেই ৰাজ্যখনৰ জনসাধাৰণক নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ বাবে তেওঁক শক্তি প্ৰদান কৰিছে। নদীদ্বীপ মাজুলীৰ দ্ৰুত উন্নয়ন আৰু প্ৰগতি সুনিশ্চিত কৰাৰ সমান্তৰালভাৱে ইয়াৰ চহকী জৈৱ বিবিধতা আৰু সাংস্কৃতিক ঐতিহ্য তথা আধ্যাত্মিক মূল্যবোধৰো সুৰক্ষা আৰু সংৰক্ষণৰ বাবে সকলোৱে মিলি কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মাজুলীক ৰাজ্যখনৰ এখন অন্যতম আগশাৰীৰ জিলা হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰি এই লক্ষ্যত উপনীত হোৱাৰ বাবে সকলোৱে সমন্বিত প্ৰচেষ্টাত সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। এই সাক্ষাৎ কালত টিংখাং সমষ্টিৰ বিধায়ক বিমল বৰাও উপস্থিত আছিল। ▢▢

## ব্ৰহ্মপুত্ৰ মুকুতা নামৰ জাহাজ পৰ্যটকৰ বাবে মুকলি



# ব্ৰহ্মপুত্ৰৰ বিশালতা, মহানতা আমাৰ জাতীয় জীৱনৰ বাবে অনুপ্ৰেৰণাৰ উৎস ঃ মুখ্যমন্ত্ৰী

নদী পৰ্যটনৰ অংশ হিচাপে এ বি চি ডি এক্সপ্ল'ৰেচন কোম্পানীৰ দ্বাৰা নিৰ্মাণ কৰি উলিওৱা ব্ৰহ্মপুত্ৰ মুকুতা নামৰ জাহাজখন যোৱা ২৪ ডিচেম্বৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰগড়ৰ বগীবিল দলঙৰ সমীপত পৰ্যটকৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে। উল্লেখ্য যে ধীৰাজ বিকাশ গগৈ আৰু উদয় শংকৰ মহনে ডেৰ বছৰীয়া প্ৰয়াসৰ জৰিয়তে এই জাহাজখন নিৰ্মাণ কৰি উলিয়াইছে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই জাহাজখনৰ জৰিয়তে ব্ৰহ্মপুত্ৰৰ সম্ভাৱনাক উজ্জীৱিত কৰাৰ বাবে যি বাস্তৱসন্মত পদক্ষেপ লোৱা হ'ল, সেয়া পৰ্যটন ক্ষেত্ৰৰ বাবে সুখৱৰ। তেওঁ কয় যে ব্ৰহ্মপুত্ৰৰ বিশালতা, মহানতা আমাৰ জাতীয় জীৱনৰ বাবে অনুপ্ৰেৰণাৰ উৎস। ব্ৰহ্মপুত্ৰ হ'ল অসমীয়া সভ্যতা, সংস্কৃতি আৰু অৰ্থনীতিৰ ৰাজহাড় স্বৰূপ। এই নদীৰ অনুপ্ৰেৰণা লৈ আমাৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী ৰূপত গঢ় দিব পাৰো। মানৱ সমাজক সুন্দৰ ৰূপত গঢ় দিয়াৰ দিশত ব্ৰহ্মপুত্ৰৰ বিশেষ অৱদান আছে। আমাৰ যি সেউজীয়া বাতাবৰণ আৰু জলবায়ু সেয়া অটুট ৰখাৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰৰ বিশেষ ভূমিকা আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে আমি ব্ৰহ্মপুত্ৰৰ সৈতে সহাৱস্থান কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব। নৈখনক মৰ্যাদা প্ৰদান কৰিব লাগিব। ব্ৰহ্মপুত্ৰক সদ্ ব্যৱহাৰ কৰি পৰ্যটনৰ বিকাশৰ দিশত ব্ৰহ্মপুত্ৰ মুকুতাই বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ইয়াত সন্নিবিষ্ট সুবিধাসমূহে পৰ্যটকক আকৰ্ষিত কৰিব পাৰিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৮৯১ কিলোমিটাৰ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰখন ইমানদিনে অব্যৱহৃত হৈ আছিল। ব্ৰহ্মপুত্ৰ অতি সুন্দৰ। বাৰিষা আৰু খৰালিৰ সময়ছোৱাত সুন্দৰ বাতাবৰণৰ সৃষ্টি কৰে। সেই দৃশ্যপট বিশ্বৰ বুকুত উপস্থাপন কৰাৰ বাবে প্ৰয়াস কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰহ্মপুত্ৰ মুকুতাই অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰাৰ লগতে স্বাৱলম্বিতা অৰ্জনৰ ক্ষেত্ৰত সহায় কৰিব। আনহাতে ব্ৰহ্মপুত্ৰৰ সৌন্দৰ্য সম্পৰ্কে বিশ্বক অৱগত কৰাৰ সুযোগ প্ৰদান কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। দেশী-বিদেশী পৰ্যটকক আকৰ্ষণ কৰি উত্তৰ-দক্ষিণপাৰৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিৰ সাৰুৱা পথাৰ আৰু জৈৱ-বৈচিত্ৰ্যৰ সম্ভাৰ সম্পৰ্কে সকলোকে অৱগত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। উল্লেখ্য যে এই জাহাজখনে বগীবিলৰ পৰা ডিব্ৰু-ছৈখোৱা আৰু বগীবিলৰ পৰা শিৱসাগৰ, মাজুলী, কাজিৰঙা, ওৰাং হৈ গুৱাহাটীলৈ যাত্ৰা কৰিব। □□

# বেবেজীয়া চাৰিআলিৰ পৰা বৰ্ষামুখ সংযোগী পথৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ




# পথ যোগাযোগ ব্যৱস্থাৰ উন্নতি সাধন অবিহনে সামাজিক বিকাশ সম্ভৱ নহয় ঃ মুখ্যমন্ত্ৰী

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৪ ডিচেম্বৰত লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ বেবেজীয়াত ৯.৫০ কিঃমিঃ দৈৰ্ঘ্যৰ বেবেজীয়া চাৰিআলিৰ পৰা বৰ্ষামুখ সংযোগী পথছোৱাৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে ২০২০-২১ বৰ্ষৰ আৰ আই ডি এফ আৰু ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ পুঁজিৰ অধীনত এই পথছোৱা নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে পথ যোগাযোগ ব্যৱস্থাৰ উন্নতি সাধন অবিহনে সমাজ এখনৰ বিকাশ সাধন কৰাটো সম্ভৱ নহয়। সেইবাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে শাসন ক্ষমতালৈ আহিয়েই পথৰ উন্নয়ন সাধন কৰাৰ লগতে নতুন নতুন পথ নিৰ্মাণৰ বাবে পদক্ষেপ গ্ৰহণ কৰে যাতে ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ পথ যোগাযোগ ব্যৱস্থা সুচলতৰ হৈ উঠে। তেওঁ লগতে কয় যে অৰ্থনৈতিক উন্নয়ন সাধনত পথ যোগাযোগ ব্যৱস্থাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেইবাবে ৰাজ্য চৰকাৰে ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা শক্তিশালীকৰণৰ লক্ষ্যৰে পথ যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰা পথছোৱা যাতে সফলতাৰে সম্পূৰ্ণ কৰিব পৰা যায় তাৰ বাবে ঢকুৱাখনাৰ স্থানীয় জনসাধাৰণক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে খিলঞ্জীয়া জনসাধাৰণৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে ১ লাখৰো অধিক খিলঞ্জীয়া লোকক ভূমিপট্টা প্ৰদান কৰিছে। অহা জানুৱাৰী মাহত আৰু ১ লাখ খিলঞ্জীয়া লোকক ভূমিপট্টা প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নব কুমাৰ দলে, সাংসদ প্ৰদান বৰুৱা আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী সোণোৱালে ঢকুৱাখনা মহকুমাৰ শ্ৰীশ্ৰীবাসুদেৱ থান নৰোৱা সত্ৰৰ মুখ্য প্ৰৱেশ দ্বাৰৰ শুভ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে দ্বাৰ উদ্বোধন কৰি সত্ৰখন পৰিদৰ্শন কৰে আৰু ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণৰ বাবে প্ৰাৰ্থনা জনায়। ❑❑

## বিন্ধাকটাৰ মুলুকগাঁৱত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া এলেকা পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



# বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা জানুৱাৰীত স্থাপন কৰা হ'ব

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২০ ডিচেম্বৰত বিন্ধাকটাৰ মুলুকগাঁৱত ব্ৰহ্মপুত্ৰই সৃষ্টি কৰা গৰাখহনীয়া এলেকা পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে গুঁইজানৰ পৰা ৰহমৰীয়ালৈকে জলসম্পদ বিভাগে এনডিআৰএফৰ অধীনত ১২৯ কোটি টকা ব্যয়েৰে প্ৰস্তুত কৰা ডিপিআৰ সম্পৰ্কে আলোচনা কৰে। উল্লেখ্য যে ডিব্ৰু আৰু ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে এই প্ৰকল্প গ্ৰহণ কৰা হৈছে। দিনজান আৰ্মি কেণ্টনমেণ্টলৈ নদীৰ খহনীয়াই যি ভাবুকি কঢ়িয়াই আনিছে তাৰ বাবে দিনজান আৰ্মি কেণ্টনমেণ্ট এলেকাকো এই প্ৰকল্পৰ অধীনত সামৰি লোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে সেনাবাহিনীৰ বিষয়াসকলক প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সৈতে অগ্ৰাধিকাৰ ভিত্তিত বিষয়টো সন্দৰ্ভত যোগাযোগ কৰিবলৈ আহ্বান জনায়। জলসম্পদ বিভাগৰ বিষয়াসকলে মুখ্যমন্ত্ৰীক অৱগত কৰে যে দিনজানৰ পৰা বিন্ধাকটাৰ পুৰণা নামঘৰলৈ ৩১ কোটি টকা ব্যয় সাপেক্ষে হাতত লোৱা খহনীয়া প্ৰতিৰোধ আঁচনিৰো প্ৰশাসনিক অনুমোদন হ'লে সোনকালে নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হ'ব। এই পৰিদৰ্শনৰ সময়ত বিধায়কসকল ক্ৰমে ঋতুপৰ্ণ বৰুৱা, বিনোদ হাজৰিকা, প্ৰশান্ত ফুকন, উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক প্ৰতীক থুবে, জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা প্ৰমুখ্যে বিভাগৰ বিষয়াসকল উপস্থিত থাকে। ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে বিন্ধাকটাৰ ইতিহাসপ্ৰসিদ্ধ বৰনামঘৰত চলি থকা বিভিন্ন কামৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে লগতে বিন্ধাকটাত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ প্ৰস্তাৱিত ভূমি পৰিদৰ্শন কৰে। তেওঁ লগতে ভৱিষ্যতে এই প্ৰতিষ্ঠানলৈ ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ পৰা আহিব পৰা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি মথাউৰি নিৰ্মাণৰ বাবে জলসম্পদ বিভাগৰ লগত আলোচনা কৰি প্ৰস্তাৱ তৈয়াৰ কৰিবলৈও কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা অহা জানুৱাৰী মাহত স্থাপন কৰা হ'ব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই প্ৰতিষ্ঠানে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তুৰ নিৰাপত্তা আৰু সুৰক্ষা প্ৰদানৰ লগতে সংকটকালীন সময়ত উদ্ধাৰ হোৱা জীৱ-জন্তুৰ পৰিচৰ্যা আৰু গৱেষণাৰ কাম কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে দিহিং-পাটকাইক ৰাষ্ট্ৰীয় উদ্যান হিচাপে গঢ়ি তোলাৰ বাবে সিদ্ধান্ত লোৱা হৈছে আৰু ইয়াৰ বাবে যাৱতীয় প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে। ❐❐

## জলসিঞ্চন বিভাগৰ কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে মুখ্যমন্ত্ৰীয়ে বিতৰণ কৰিলে নিযুক্তিপত্ৰ

# আত্মনিৰ্ভৰ ভাৰত অভিযান বাস্তৱায়িত কৰাৰ দিশত ৰাজ্যৰ কৃষক সমাজক আত্মনিয়োগ কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ অধীনত ৰাজ্যত ৰূপায়িত হোৱা কেইবাটাও জলসিঞ্চন প্ৰকল্প যোৱা ৩০ ডিচেম্বৰত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। কামৰূপ জিলাৰ আমিনগাঁৱৰ কুমাৰ ভাস্কৰ বৰ্মা ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ জলসিঞ্চন বিভাগে আয়োজন কৰা এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী সোণোৱালে গুৱাহাটীৰ বেতকুছিত নিৰ্মাণ কৰিবলগীয়া বিভাগৰ এটা কেন্দ্ৰীয় গৱেষণাগাৰ, এটা সভাগৃহ আৰু অতিথিশালাৰো আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে জলসিঞ্চন বিভাগৰ নতুনকৈ নিযুক্তিপ্ৰাপ্ত ৩৯৭ গৰাকী ক্ষেত্ৰীয় সহায়কৰ মাজৰে ৬ গৰাকীক আনুষ্ঠানিকভাৱে নিযুক্তিপত্ৰ প্ৰদান কৰে।

উল্লেখ্য যে প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ অধীনত ৰাজ্যৰ ৩৫,৭৯৩ গৰাকী কৃষকৰ মাজত ৯৬৯৯ টা পাম্প বিতৰণ কৰা হ'ব। ৫৩৯.০৫ কোটি টকা ব্যয়ৰে ৰূপায়ণ কৰিবলগীয়া এই যোজনাই ৰাজ্যৰ ৩ লাখ বিঘা কৃষি ভূমি উপকৃত কৰিব।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে দেশৰ কৃষি খণ্ডৰ উৎপাদন বৃদ্ধিৰ জৰিয়তে কৃষক সকলৰ উপাৰ্জন দুগুণলৈ বৃদ্ধি কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰি অহা বিভিন্ন আঁচনি সম্পৰ্কে আলোকপাত কৰে। মুখ্যমন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা, চয়েল হেলথ্ কাৰ্ড, প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ অধীনত কৃষকসকলক প্ৰদান কৰা ৫ হাজাৰ টকাৰ অনুদান, কে চি চিৰ অধীনত কৃষকলৈ আগবঢ়োৱা ১০ হাজাৰ টকাৰ ৰাজসাহায্য আদিকে ধৰি আন আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিসমূহে কৃষিখণ্ডৰ উৎপাদন দ্ৰুত গতিত বৃদ্ধি কৰাৰ লগতে কৃষকসকলকো নিজৰ উপাৰ্জন বৃদ্ধি কৰিবলৈ সুযোগ দিছে।




মুখ্যমন্ত্ৰী সোণোৱালে কৃষকসকলক কেন্দ্ৰ আৰু ৰাজ্য




চৰকাৰৰ আঁচনিসমূহৰ উপযুক্ত সুযোগ গ্ৰহণ কৰি আত্মনিৰ্ভৰ ভাৰত অভিযান বাস্তৱায়িত কৰি তোলাৰ দিশত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ অসম চৰকাৰৰ কাৰ্যকালত ৰাজ্যৰ ৪৮ লাখ কৃষক পৰিয়ালক কৃষিখণ্ডৰ উৎপাদন বৃদ্ধিৰ বাবে সহায়-সহযোগিতা আগবঢ়োৱা হৈছে। ২০১৬ চনত চৰকাৰ গঠন কৰাৰ সময়ত অসমবাসীক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰখন বহুলাংশে সফল হৈছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এখন দুৰ্নীতিমুক্ত, বিদেশীমুক্ত, সন্ত্ৰাসবাদ মুক্ত আৰু প্ৰদূষণমুক্ত অসম গঢ়াৰ বাবে ৰাজ্য চৰকাৰে নিষ্ঠাৰে লোৱা পদক্ষেপসমূহে এই দিশত সফলতা কঢ়িয়াই আনিছে।

ৰাজ্যত চিৰস্থায়ী শান্তি প্ৰতিষ্ঠাৰ দিশত অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ইতিমধ্যে বৃহৎ সংখ্যক উগ্ৰপন্থীয়ে হিংসাৰ পথ পৰিহাৰ কৰি মূল সুঁতিলৈ উভতি আহিছে। ৰাজ্যিক লোকসেৱা আয়োগৰ সংস্কাৰকে ধৰি নিযুক্তি সংক্ৰান্তীয় পৰীক্ষাসমূহ নিকা আৰু স্বচ্ছতাৰে অনুষ্ঠিত কৰিবলৈ সক্ষম হোৱাৰ ফলত মেধাৰ ভিত্তিত ৰাজ্যৰ যুৱক-যুৱতীসকলে কৰ্ম সংস্থাপনৰ সুযোগ লাভ কৰিবলৈ আজি সক্ষম হৈছেবুলি মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ গৌৰৱ এশিঙীয়া গঁড়ৰ চোৰাং চিকাৰ ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ ফলত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি আন উদ্যান আৰু অভয়াৰণ্যসমূহৰ বন্যপ্ৰাণী সমূহ আজি সুৰক্ষিত হৈছেবুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাজ্যৰ সেউজ আৱৰণ বৃদ্ধি কৰিবলৈ বিগত সময়ছোৱাত ৮.৫০ কোটি গছপুলি অসম চৰকাৰে ৰোপণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ফৰেষ্ট ছাৰ্ভে অৱ ইণ্ডিয়াৰ প্ৰতিবেদনত শেহতীয়াকৈ ৰাজ্যৰ সেউজ আৱৰণ ২২২ বৰ্গ কিঃমিঃ বৃদ্ধি হৈছে বুলি প্ৰকাশ পাইছে।

ৰাজ্যত ঔদ্যোগীকৰণৰ ইতিবাচক পৰিৱেশ গঢ়াৰ বাবে ২০১৮ বৰ্ষত আয়োজন কৰা বিশ্ব বিনিয়োগ সন্মিলনৰ ফলশ্ৰুতিত ৭৯ হাজাৰ কোটিৰ বুজাবুজিৰ চুক্তিপত্ৰ স্বাক্ষৰ হোৱাৰ বিপৰীতে ইতিমধ্যে প্ৰায় ৫০ হাজাৰ কোটিৰ বিনিয়োগ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ ফলত শেহতীয়াকৈ ৰাজ্যত ন ন উদ্যোগ গঢ়ি উঠিছে আৰু কৰ্ম সংস্থাপনৰ সুযোগ মুকলি হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে ভাৰত-বাংলা সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰাৰ বাবে লোৱা পদক্ষেপৰ কথাও ভাষণ প্ৰসংগত উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ইজৰাইলৰ প্ৰযুক্তিৰে ৰূপায়ণ কৰা প্ৰকল্পৰ জৰিয়তে নদী সীমান্তৰ ৪৮ কিঃমিঃ সুৰক্ষিত কৰা হৈছে। বৰ্তমানৰ অসম চৰকাৰে এক্টইষ্ট পলিচিৰ উপযুক্ত ব্যৱহাৰেৰে অসমক দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ ৰূপে গঢ়ি তোলাৰ দিশত বহুদূৰ সফলতাৰে আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ ইতিবাচক পৰিস্থিতিৰ সুযোগ লৈ চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ বজাৰ দখল কৰাৰ বাবে ৰাজ্যৰ কৃষকসকলৰ প্ৰতি মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়।

ৰাজ্যৰ থলুৱা জাতি-জনগোষ্ঠীৰ জাটি-মাটি-ভেটিৰ লগতে ভাষা, কৃষ্টি-সংস্কৃতি আৰু ঐতিহ্য সুৰক্ষাৰ বাবে অসম চৰকাৰৰ দায়বদ্ধতাৰ কথা মুখ্যমন্ত্ৰী সোণোৱালে দোহাৰে। বিগত চাৰে চাৰি বছৰে ৰাজ্যবাসীয়ে আগবঢ়াই অহা অকুণ্ঠ সহায়-সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীয়ে অসমবাসীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে কয় যে এই সহযোগিতাৰ বাবেই ৰাজ্যত চৰকাৰে গ্ৰহণ কৰা প্ৰকল্পসমূহৰ দ্ৰুত ৰূপায়ণ সম্ভৱ হৈ উঠিছে।

এই অনুষ্ঠানত জলসিঞ্চন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ভৱেশ কলিতা আৰু জলসিঞ্চন বিভাগৰ আয়ুক্ত সচিব ৰাকেশ কুমাৰেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত নলবাৰীৰ বিধায়ক অশোক শৰ্মা, কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিককে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ❏❏

# পৰ্যটন বিভাগৰ সঞ্জীৱনী আঁচনি আৰু পৰ্যটন সাৰথি আঁচনি

শেহতীয়াকৈ কৰ'নাজনিত পৰিস্থিতিৰ বাবে ৰাজ্যৰ পৰ্যটন উদ্যোগ বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্যৰ পৰ্যটন উদ্যোগক পুনৰুজ্জীৱিত কৰাৰ মহৎ উদ্দেশ্য হাতত লৈ তথা পৰ্যটন খণ্ডৰ ওপৰত নিৰ্ভৰশীল লোকসকলক সকাহ দিয়াৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে পৰ্যটন সঞ্জীৱনী নামৰ এক নতুন আঁচনি ৰূপায়ণ কৰিব। উক্ত আঁচনিৰ অধীনত হিতাধিকাৰীসকলে ১ ৰ পৰা ২০ লাখ টকা পৰ্যন্ত ঋণ ল'ব পাৰিব। ৮ ৰ পৰা ১০ শতাংশ সুদৰ হাৰত উক্ত ঋণ হিতাধিকাৰীসকলে লাভ কৰিব। উল্লেখ্য যে প্ৰথম এবছৰলৈ তেওঁলোকে ঋণৰ কিস্তি আৰু সুদ আদায় দিব নালাগে। প্ৰথম বছৰৰ সকলো সুদ ৰাজ্য চৰকাৰৰ ফালৰ পৰা পৰিশোধ কৰা হ'ব। উক্ত আঁচনিৰ বাবে ৰাজ্য চৰকাৰে ৫০ কোটি টকা ধাৰ্য কৰিছে। আঁচনিখনৰ বিষয়ে বিতংভাৱে জানিবলৈ অসম পৰ্যটন উন্নয়ন নিগমৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰক। উক্ত আঁচনিখনৰ দ্বাৰা পৰ্যটন খণ্ডৰ সৈতে জড়িত থকা অংশীদাৰসকল উপকৃত হ'ব। আনহাতে, পৰ্যটন সাৰথি আঁচনিখনৰ অধীনত ইলেক্ট্ৰনিক গেজেটৰ জৰিয়তে বিভাগে সংশ্লিষ্ট বিষয়াসকলৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰি পৰ্যটন ক্ষেত্ৰসমূহৰ তথ্য-পাতিৰ সৰবৰাহ কৰাৰ লগতে কাম-কাজসমূহ নিৰীক্ষণ কৰিব পাৰিব। 'ইলেক্ট্ৰনিক গেজেট'ৰ দ্বাৰা ইয়াৰ অংশীদাৰসকলক উপকৃত কৰিব পৰাকৈ উক্ত 'পৰ্যটন সাৰথি' আঁচনিখন ৰূপায়ণ কৰা হ'ব। ❑❑



# ডি এন পি লিমিটেডৰ ত্ৰয়োদশ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন




ৰাজ্য চৰকাৰৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান ডি এন পি লিমিটেডৰ ত্ৰয়োদশ বাৰ্ষিক সাধাৰণ সভাখন যোৱা ১৮ ডিচেম্বৰত কোম্পানীৰ গুৱাহাটীস্থিত কাৰ্যালয়ত ডি এন পি এলৰ অধ্যক্ষ ৰূপম গোস্বামীৰ অধ্যক্ষতাত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে যোৱা ১৯ ডিচেম্বৰত এখন সংবাদমেলযোগে অধ্যক্ষ ৰূপম গোস্বামীয়ে ২০১৯-২০ বিত্তীয় বৰ্ষৰ বাৰ্ষিক হিচাপসমূহ উল্লেখ কৰে। অধ্যক্ষগৰাকীয়ে কয় যে ডি এন পি লিমিটেডে ২০১৯-২০ বিত্তীয় বৰ্ষত প্ৰায় ৮৫.১৫ কোটি টকাৰ ৰাজহ আহৰণ কৰিছে। ২০১৯-২০ বৰ্ষত কৰ প্ৰদানৰ পাছত মুঠ লাভৰ পৰিমাণ প্ৰায় ৩৫.৪২ কোটি টকা। যোৱা ৩১ মাৰ্চত অন্ত পৰা ২০১৯-২০ বিত্তীয় বৰ্ষত কোম্পানীয়ে ইয়াৰ শ্বেয়াৰসমূহৰ ওপৰত ৯.৪০ শতাংশ হাৰত লাভ্যাংশ আগবঢ়ায়। প্ৰতি ১০ টকা শ্বেয়াৰৰ বিপৰীতে লাভৰ পৰিমাণ ০.৯৪ পইচাকৈ যাৰ মুঠ পৰিমাণ প্ৰায় ১৫.৭২ কোটি টকা। উক্ত সংবাদমেলত গোস্বামীয়ে জনায় যে ২০১৪-১৫ বিত্তীয় বৰ্ষৰ পৰা ডি এন পি লিমিটেডে সামাজিক দায়বদ্ধতা আঁচনিৰ বিভিন্ন কাম-কাজৰ সৈতে জড়িত হৈ আছে। সামাজিক দায়বদ্ধতা আঁচনিসমূহৰ ভিতৰত কোম্পানীয়ে বিশেষকৈ স্বাস্থ্য আৰু স্বচ্ছতা, প্ৰাকৃতিক বহন ক্ষমতা তথা ভাৰসাম্যতা আৰু শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি আহিছে। অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে যে কোম্পানীটোত জড়িত কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণ কৰা হৈছে। কোম্পানীয়ে ২০১৯-২০ বিত্তীয় বৰ্ষত সামাজিক দায়বদ্ধতা আঁচনিৰ বাবদ প্ৰায় ১.০৫ কোটি টকা ব্যয় কৰিছে। বৰ্তমানলৈকে উক্ত আঁচনিৰ অধীনত প্ৰায় ৩৫৮ টা শৌচাগাৰৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ লগতে শিক্ষাৰ প্ৰসাৰৰ বাবে ২০১৯-২০ বিত্তীয় বৰ্ষত প্ৰায় ২১.০৫ লাখ টকা প্ৰদান কৰাৰ কথা অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে। ২০১৯-২০ বিত্তীয় বৰ্ষত বৰ্তমানলৈকে ৫২ টা সৌৰচালিত লাইট সংস্থাপিত কৰা হৈছে আৰু ১০০ টা সৌৰচালিত লাইট সংস্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কোম্পানীৰ মধুবনস্থিত ডেছপাছ ষ্টেচনত প্ৰায় ৫০০তকৈ অধিক অৰ্কিড সংৰক্ষণৰ বাবে এখন অৰ্কিড উদ্যান নিৰ্মাণ কৰা হৈছে। অধ্যক্ষগৰাকীয়ে কয় যে ক'ভিড-১৯ য়ে সৃষ্টি কৰা ভয়াৱহ পৰিস্থিতিৰ প্ৰতি মোকাবিলা কৰিব পৰাকৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ কোম্পানীৰ তৰফৰ পৰা ১০ লাখ টকাৰ বৰঙনি আগবঢ়োৱাৰ লগতে কোম্পানীয়ে নিজাববীয়াকৈ কৰ'না মহামাৰীৰ সময়ত আৰ্তজনক সহায়ৰ হাত আগবঢ়োৱাৰ বাবে ৯ লাখ টকাৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান ধৰিছে। সংবাদমেলত অধ্যক্ষগৰাকীয়ে দুলীয়াজান-নুমলীগড় পাইপলাইন সম্প্ৰসাৰণ কৰি নগাঁও-হোজাই-লামডিং হৈ বৰাক উপত্যকালৈ গেছ পৰিবহণ কৰাৰ পৰিকল্পনা কৰাৰ কথা জানিবলৈ দিয়ে। আনহাতে, ছয়-ন মাহৰ ভিতৰত গুৱাহাটীবাসীয়ে ঘৰে ঘৰে পাইপ গেছৰ সংযোগ লাভ কৰিব বুলিও উল্লেখ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যবাসীৰ খৰচৰ পৰিমাণ কমি যাব। আনহাতে, বাৰাউনী-গুৱাহাটী পাইপলাইন শীঘ্ৰে সম্পূৰ্ণ হ'ব বুলিও অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে। সংবাদমেলত নুমলীগড় শোধনাগাৰৰ উৎপাদন ক্ষমতা ৯ মিলিয়ন টনলৈ বৃদ্ধি পাইছে বুলি উল্লেখ কৰে। গোস্বামীয়ে কয় যে— ডি এন পি লিমিটেডে নুমলীগড় শোধনাগাৰলৈ অতিৰিক্ত 2MMSCMO গেছ পৰিবহণ কৰি কোম্পানীৰ ব্যৱসায়ৰ পৰিসৰ বৃদ্ধিৰ আঁচনি কৰিছে। ইতিমধ্যে বৰাক উপত্যকাত পাইপ গেছৰ সংযোগ প্ৰদান কৰা হৈছে। কামৰূপ (গ্ৰাম্য-মহানগৰত) ৩ লাখ ২১ হাজাৰ পাইপ গেছ প্ৰদান কৰা হ'ব বুলিও সংবাদমেলত ডি এন পি এলৰ সঞ্চালকগৰাকীয়ে জানিবলৈ দিয়ে। উজনি অসমৰ ৭খন জিলাত ক্ৰমে ২ লাখ গেছৰ সংযোগ প্ৰদান কৰা হ'ব। ❑❑

# ৩১ জানুৱাৰীৰ ভিতৰত লাইকা-দধিয়াবাসীক পুনৰ সংস্থাপিত কৰিব ৰাজ্য চৰকাৰে

## পুনৰ সংস্থাপন প্ৰক্ৰিয়া চূড়ান্ত কৰাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালৰ নিৰ্দেশত ১০ জনীয়া কমিটী গঠন



ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত লাইকা-দধিয়া গাঁৱত বসবাস কৰি থকা খিলঞ্জীয়া পৰিয়ালসমূহক ৰাজ্য চৰকাৰে অহা ৩১ জানুৱাৰীৰ ভিতৰত পুনৰ সংস্থাপিত কৰিব। লাইকা-দধিয়াবাসীৰ দাবীৰ প্ৰতি সঁহাৰি জনাই এই পৰিয়ালসমূহক স্থায়ীভাৱে পুনৰ সংস্থাপিত কৰিবলৈ তাৎক্ষণিক যাৱতীয় পদক্ষেপ লোৱাৰ বাবে পৰিৱেশ আৰু বন বিভাগক যোৱা ৩০ ডিচেম্বৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্দেশ দিয়ে। লাইকা-দধিয়াৰ ১৪৫৫ টা পৰিয়ালৰ পুনৰ সংস্থাপনৰ সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে অসম বিধানসভা চৌহদৰ মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে বন আৰু পৰিৱেশ বিভাগক ৰাজহ বিভাগৰ সৈতে পূৰ্ণ সহযোগিতাৰে পুনৰ সংস্থাপনৰ নীতি-নিৰ্দেশনা প্ৰস্তুত কৰি লাইকা-দধিয়াবাসীক অহা ৩১ জানুৱাৰীৰ ভিতৰত ৰাষ্ট্ৰীয় উদ্যানখনৰ বাহিৰত নতুন ভূমি চিনাক্ত কৰি সংস্থাপিত কৰাৰ বাবে পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। এই দিশত সহায়ক হোৱাকৈ পৰিৱেশ আৰু বন মন্ত্ৰী পৰিমল শুক্লবৈদ্যক অধ্যক্ষ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনক সদস্য আৰু পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশীক সদস্য সচিব হিচাপে লৈ মুখ্যমন্ত্ৰী সোণোৱালে এখন কমিটী গঠন কৰিবলৈ নিৰ্দেশ দিয়ে। কমিটীৰ সদস্য হিচাপে লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, চাবুৱাৰ বিধায়ক বিনোদ হাজৰিকা, ধেমাজিৰ বিধায়ক ডাঃ ৰণোজ পেগু, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত সচিব এম এছ মনিৱন্নন, প্ৰধান মুখ্য বন সংৰক্ষক এ এম সিং আৰু তিনিচুকীয়া তথা লখিমপুৰ জিলাৰ উপায়ুক্তদ্বয়ক অন্তৰ্ভুক্ত কৰা হৈছে।

মুখ্যমন্ত্ৰী সোণোৱালে কমিটীখনক এমাহৰ ভিতৰত লাইকা-দধিয়াবাসীৰ পুনৰ সংস্থাপনৰ বিষয়টো মীমাংসা কৰি স্থায়ী সমাধানৰ বাবে এক যুক্তি সংগত ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী সোণোৱালে পৰিৱেশ আৰু বন বিভাগক স্থায়ী পুনৰ সংস্থাপনৰ বাবে নতুন ভূমি চিনাক্ত কৰি এসপ্তাহৰ ভিতৰতে জৰীপ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ কয় যাতে তৎকালে পুনৰ সংস্থাপন প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা যায়। লাইকা-দধিয়াবাসীৰ সমস্যা মানৱীয়তাৰ দৃষ্টিভংগীৰে বিবেচনা কৰি মুখ্যমন্ত্ৰী সোণোৱালে পুনৰ সংস্থাপিত হ'বলগীয়া পৰিয়ালসমূহৰ বাবে প্ৰয়োজনীয় খোৱাপানী, বিদ্যুৎ, প্ৰাথমিক চিকিৎসা সেৱা আদি সামৰি এটা 'পুনৰ সংস্থাপন পেকেজ' প্ৰস্তুত কৰিবলৈ বিভাগক কয়। পুনৰ সংস্থাপন কৰিবলগীয়া ভূখণ্ড যাতে বানপানী আৰু খহনীয়াৰ পৰা মুক্ত হয় সেই দিশত নজৰ দিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। তদুপৰি, পুনৰ সংস্থাপিত হ'বলগীয়া পৰিয়ালসমূহে নতুন অঞ্চলটোৰ সেউজ আৱৰণ বৰ্তাই ৰখাৰ বাবে বৃক্ষ ৰোপণৰ পদক্ষেপ ল'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

পৰিৱেশ আৰু বন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, পঞ্চায়ত আৰু



গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে ডাঃ ৰণোজ পেগু, বিনোদ হাজৰিকা আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, প্ৰধান মুখ্য বন সংৰক্ষক এ এম সিং প্ৰমুখ্যে ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়া এই বৈঠকত উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰী সোণোৱালে লাইকা-দধিয়াত বসবাস কৰা পৰিয়ালসমূহৰ এটা প্ৰতিনিধি দলৰ সৈতেও মত-বিনিময় কৰে। মুখ্যমন্ত্ৰী সোণোৱালে প্ৰতিনিধি দলটোৱে উত্থাপন কৰা বিষয়সমূহ তথা তেওঁলোকৰ সমস্যা আৰু অভাৱ-অভিযোগৰ বুজ লয়। অহা ৩১ জানুৱাৰীৰ ভিতৰত লাইকা-দধিয়াবাসীক পুনৰ সংস্থাপিত কৰা হ'ব বুলি প্ৰতিনিধি দলটোক মুখ্যমন্ত্ৰী সোণোৱালে আশ্বাস প্ৰদান কৰে। ❐❐

# গ্ৰন্থ নিৰস মৰুভূমিৰ মৰুদ্যান ঃ হৃষীকেশ গোস্বামী

*১৯ পৃষ্ঠাৰ পৰা* অটুট থাকিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। অসমীয়া ভাষাক এক মধুৰ ভাষা বুলি উল্লেখ কৰি তেওঁৰ শিপা উত্তৰ-পূব ভাৰতত আছে বুলিও তেওঁ উল্লেখ কৰে। ভাৰতৰ বিভিন্ন ৰাজ্যত স্থানীয় ভাষা-সাহিত্যৰ বিষয়ে বহুলোক অজ্ঞাত বুলি উল্লেখ কৰি নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে এই দিশত এক ব্যাপক পৰিৱৰ্তন আনিব বুলিও বিশিষ্ট লেখক তথা চিন্তাবিদগৰাকীয়ে আশা প্ৰকাশ কৰে।

অনুষ্ঠান বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি অৰুণাচল প্ৰদেশ নিৱাসী বিশিষ্ট সাহিত্যিক, সাহিত্য একামেডী বঁটা প্ৰাপক, পদ্মশ্ৰী য়েছে দৰজে ঠংচিয়ে প্ৰায় ন মাহৰ পিছত তেওঁৰ প্ৰিয় চহৰ গুৱাহাটীলৈ আহি তেওঁ অত্যন্ত পুলকিত হৈছে বুলিও কয়। কৰ'না সৃষ্ট পৰিৱেশৰ বাবে সকলোৱে নিজৰ গাততে সোমাই থাকিবলগীয়া হৈছিল যদিও গুৱাহাটী গ্ৰন্থ মেলাই গ্ৰন্থপ্ৰেমী জনসাধাৰণক একলগ হোৱাৰ সুবিধা প্ৰদান কৰিছে বুলিও তেওঁ কয়। ইয়াৰ বাবে বিশিষ্ট সাহিত্যিক গৰাকীয়ে ৰাজ্য চৰকাৰৰ লগতে অসম প্ৰকাশন পৰিষদকো বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। ভাষণ প্ৰসংগত তেওঁ লগতে কয় যে কৰ'নাই বহু ক্ষেত্ৰলৈ অশনি সংকেত কঢ়িয়াই আনিছিল যদিও সমগ্ৰ বিশ্বতে কৰ'নাৰ সময়ত পঢ়ুৱৈৰ সংখ্যা বৃদ্ধিৰ দিশটোৱে এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। এই সময়ত লেখকসকলেও অফুৰন্ত সময়ৰ সদ ব্যৱহাৰেৰে বহু সংখ্যক গ্ৰন্থ লিখি উলিয়াব পাৰিছে বুলিও তেওঁ কয়। অৰুণাচলৰ অসমীয়া ভাষাৰ সাহিত্যিক তথা তেওঁৰ অগ্ৰজ লুম্মেৰ দাইৰ সমগ্ৰ ৰচনাৱলী উন্মোচন কৰিবলৈ পাই তেওঁ নিজকে সৌভাগ্যৱান বুলি অনুভৱ কৰিছে বুলিও তেওঁ ব্যক্ত কৰে। লুম্মেৰ দাইৰ সাহিত্য জীৱনত অসম প্ৰকাশন পৰিষদৰ বিশেষ অৱিহণা আছে বুলি উল্লেখ কৰি তেওঁৰ সমগ্ৰ ৰচনাৰাজি অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশ কৰি উলিওৱাৰ যি পদক্ষেপ লোৱা হ'ল সেই পদক্ষেপে লুম্মেৰ দাইক এক অমৰ স্থানত অধিস্থিত কৰিলে বুলিও তেওঁ উল্লেখ কৰে। গুৱাহাটী গ্ৰন্থমেলাই অসমক পুনৰুজ্জীৱিত কৰাৰ লগতে প্ৰতিগৰাকী অসমীয়াৰ মনত প্ৰাণৰ সঞ্চাৰ কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

অনুষ্ঠানত বঁটাপ্ৰাপক বিশিষ্ট পণ্ডিত, গৱেষক ড° থানেশ্বৰ শমাইও নিজৰ অনুভৱ ব্যক্ত কৰি ভাষণ প্ৰদান কৰে।

অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা আজিৰ এই গ্ৰন্থমেলা উদ্বোধনী অনুষ্ঠানত অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ তথা বিশিষ্ট লেখকসুমন্ত চলিহা, শিক্ষা বিভাগৰ সচিব দীপক মজুমদাৰকে ধৰি অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। পিছত গ্ৰন্থমেলাথলীত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে ৰাজ্য চৰকাৰৰ জনসংযোগ বিভাগৰ কক্ষ এটা মুকলি কৰে। ❐❐

# ৰাজ্যৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ মৃত্যুত মুখ্যমন্ত্ৰী সোণোৱালৰ শোক

সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক, পদ্মশ্ৰী সুনীল কোঠাৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱন কালত প্ৰয়াত সুনীল কোঠাৰীয়ে অসমৰ সাংস্কৃতিৰ জগতলৈ যি অনন্য বৰঙনি যোগাই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ভাৰতীয় ধ্ৰুপদী নৃত্যৰ বিশেষজ্ঞ পদ্মশ্ৰী সুনীল কোঠাৰীয়ে আমাৰ সত্ৰীয়া সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাই গৈছে। পদ্মশ্ৰী সুনীল কোঠাৰী অসমীয়া সাংস্কৃতিক জীৱনলৈ আগবঢ়োৱা অনন্য অৱদানৰ বাবে ৰাজ্য চৰকাৰে মাধৱদেৱ বঁটা প্ৰদান কৰিছিল। এইগৰাকী সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধকৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। বিশিষ্ট সমাজকৰ্মী, ৰাজনীতিক মণি পুৰকায়স্থৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। মুখ্যমন্ত্ৰীয়ে কয় যে জীৱনকালত প্ৰয়াত মণি পুৰকায়স্থই আমাৰ সমাজ জীৱনলৈ বিশেষ বৰঙনি আগবঢ়াইছে। এইগৰাকী ৰাজনৈতিক নেতাই সমাজৰ সাংগঠনিক দক্ষতা প্ৰদৰ্শন কৰাৰ লগতে অসমীয়া সমাজৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰি গৈছে। প্ৰয়াত পুৰকায়স্থ ডিমৰীয়া কলেজৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ মুখ্যমন্ত্ৰীয়ে গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

আনহাতে বিশিষ্ট সমাজকৰ্মী, উদ্যোগপতি চন্দ্ৰকান্ত জয়ছোৱালৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত চন্দ্ৰকান্ত জয়ছোৱালে আমাৰ সমাজ জীৱনলৈ যি বৰঙনি আগবঢ়াই গ'ল তাক সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী উদ্যোগপতি হিচাপে তেওঁ ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত বৰঙনি আগবঢ়াই গৈছে। তদপুৰি, কালৰাৱ সমাজ, উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, হিন্দুস্তানী কেন্দ্ৰীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, সদগুৰু সদাফলদেৱ সমাজৰ উত্তৰ-পূৰ্বাঞ্চলৰ সভাপতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত থাকি আমাৰ বৃহত্তৰ সমাজখনলৈ তেওঁ যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী বিশিষ্ট সমাজৰ্মীৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত চন্দ্ৰকান্ত জয়ছোৱালৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

বিশিষ্ট লেখিকা, সাংবাদিক, গায়িকা তুলতুল বৰুৱাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। যোৱা ২২ ডিচেম্বৰত এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱন কালত প্ৰয়াত তুলতুল বৰুৱাই আমাৰ সাহিত্য, সাংবাদিকতা আৰু সাংস্কৃতিক জীৱনলৈ যি অৰিহণা আগবঢ়াই গৈছে সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। জ্ঞান-গৰিমাৰে প্ৰোজ্বল এইগৰাকী সাহিত্যিকে বহু মূল্যবান নিবন্ধ লিখিছিল। অনাতাঁৰ কণ্ঠশিল্পী হিচাপেও এইগৰাকী শিল্পীয়ে আমাৰ সাংস্কৃতিক জীৱন চহকী কৰি থৈ গৈছে। এগৰাকী সাংবদিক হিচাপেও তেওঁ নিষ্ঠাৰে সেৱা আগবঢ়াই গৈছে। গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ প্ৰমূল্যসমূহ সমাজ জীৱনত জীয়াই ৰখাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰা এইগৰাকী সাংবাদিকে বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ হ'কে কাম কৰি গৈছে। এইগৰাকী সাংবাদিক, লেখিকাৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত তুলতুল বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। ❐❐

## ধুবুৰী জিলাৰ গৌৰীপুৰত বাছ আৰু ট্ৰাকৰ মাজত সংঘটিত হোৱা শোকাৱহ দুৰ্ঘটনাত নিহতসকলৰ প্ৰতি মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

ধুবুৰী জিলাৰ গৌৰীপুৰত যোৱা ২৭ ডিচেম্বৰত বাছ আৰু ট্ৰাকৰ মাজত সংঘটিত হোৱা শোকাৱহ দুৰ্ঘটনাত নিহত হোৱাসকলৰ প্ৰতি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে। এক প্ৰেছ বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে কয় যে দুৰ্ঘটনাত অকালতে প্ৰাণ হেৰুৱাৰ লগা ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক আৰু মৰ্মান্তিক । মুখ্যমন্ত্ৰীয়ে দুৰ্ঘটনাত নিহত হোৱা ব্যক্তিসকলৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়াবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে দুৰ্ঘটনাত আহত হৈ চিকিৎসাধীন হোৱা ব্যক্তিসকলৰ আশু-আৰোগ্য কামনা কৰিছে। ❐❐

# চাংসাৰি এইমছ

## অগণিত জনতাৰ সপোনৰ চিকিৎসা প্ৰতিষ্ঠান

ৰবীন শইকীয়া

সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ৰ নাম উচ্চাৰণ কৰিবলগা হ'লে আমাৰ মনটো সুদূৰ দিল্লীলৈ উৰা মাৰে। কাৰণ ৰাজধানী চহৰ দিল্লীতেই দেশৰ প্ৰথমখন আয়ুৰ্বিজ্ঞানৰ প্ৰতিষ্ঠান স্থাপন হৈছিল। ১৯৫৬ চনত স্থাপিত দিল্লী এইমছে ইতিমধ্যে ৬৪ বছৰ অতিবাহিত কৰিলে। এইখন উচ্চ চিকিৎসা প্ৰতিষ্ঠান আজিও বহু লোকৰ বাবে সপোনৰ বাহিৰত। এইখিনিতে এইমছ স্থাপনৰ প্ৰেক্ষাপটৰ বিষয়ে থাউকতে মনোনিৱেশ কৰা প্ৰয়োজন। দেশত চিকিৎসা শিক্ষা বিজ্ঞানৰ আন্তঃৰাষ্ট্ৰীয় মানসম্পন্ন প্ৰতিষ্ঠান স্থাপনৰ মূল কাণ্ডাৰী আছিল তদানীন্তন স্বাস্থ্যমন্ত্ৰী ৰাজকুমাৰী অমৃত কৌৰ। অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰি স্বদেশলৈ ঘূৰি অহা এইগৰাকী উচ্চ ব্যক্তিত্বসম্পন্ন মহিলাই দেশৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে জড়িত হোৱাৰ লগতে সবল নেতৃত্বৰ পৰিচয় দিয়ে। দেশ স্বাধীনৰ অন্তত গঠিত নতুন চৰকাৰৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে তেওঁকেই অৰ্পণ কৰে স্বাস্থ্যমন্ত্ৰীৰ গুৰুদায়িত্ব। বিদেশত উচ্চ শিক্ষিত কৌৰে দেশৰ অগণিত জনতাক ব্যয়সাধ্য নিৰিখত উন্নতমানৰ চিকিৎসা প্ৰদানৰ অতীব প্ৰয়োজনীয়তা মৰ্মে মৰ্মে অনুভৱ কৰি সেই লক্ষ্য পূৰণৰ সংকল্প লয়। প্ৰথমে কলকাতাত তেনে এখন চিকিৎসা প্ৰতিষ্ঠান স্থাপনৰ মন মেলা হৈছিল। কিন্তু ৰাজ্যখনৰ মুখ্যমন্ত্ৰী বিধান চন্দ্ৰ ৰয়ে সহমত প্ৰকাশ নকৰাত মূৰকত দিল্লীকেই নিৰ্বাচন কৰা হয় এইমছ স্থাপন কৰিবলৈ। সেইগৰাকী জনদৰদী মহিলাই এইমছ স্থাপন কৰিবলৈ প্ৰয়োজনীয় বৃহৎ ধনৰাশি যোগাৰ কৰিবলৈও বিভিন্ন সংস্থাৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰে। তেনেদৰেই এক ডাঙৰ সপোন দিঠকত পৰিণত হ'বলৈ পালে আৰু কোটি কোটি জনতাৰ আশা-ভৰসাৰ প্ৰতীক হৈ পৰিল দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান। এইখন চিকিৎসা গৱেষণা প্ৰতিষ্ঠানত শিক্ষা আৰু চিকিৎসা লাভ কৰিবলৈ দেশ-বিদেশৰ




ফাইল ফটো

এইমছৰ আধাৰশিলা স্থাপনৰ মুহূৰ্ত




হেজাৰ-বিজাৰ লোকে বাট ৰোলা পৰিলক্ষিত হয়। আমি সকলোৱে জানো, এইমছ মানে কেৱল চিকিৎসাই নহয়, ইয়াৰ সমান্তৰালকৈ স্নাতক-স্নাতকোত্তৰ শিক্ষাদানৰ লগতে গৱেষণাও অন্যতম অগ্ৰাধিকাৰমূলক এজেণ্ডা। দিন অতিবাহিত হোৱাৰ লগে লগে স্বাভাৱিক কাৰণতে দেশৰ আন আন প্ৰান্তৰ জনতাকো অনুৰূপ চিকিৎসা প্ৰদান আৰু মেডিকেলৰ শিক্ষাদানৰ গুৰুত্ব বৃদ্ধি পালে। উন্নত চিকিৎসাৰ ক্ষেত্ৰত সৃষ্টি হোৱা আঞ্চলিক বৈষম্য দূৰ কৰা আৰু সুদক্ষ চিকিৎসক তথা চিকিৎসা বিজ্ঞানৰ শিক্ষক-বিজ্ঞানী গঢ়াৰ লক্ষ্যৰে দেশৰ ভিন ভিন অঞ্চলত আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান স্থাপনৰ সিদ্ধান্ত লোৱা হয়। ইয়াৰ অংশ হিচাপে ২০১২ চনত দেশৰ কেইবাটাও অঞ্চলত এইমছ স্থাপন সম্ভৱ হৈ উঠিল। ১৯৫৬ চনৰ পিছত সুদীৰ্ঘ কাল অতিবাহিত হোৱাৰ অন্তত ২০১২ চনত মধ্যপ্ৰদেশৰ ভূপাল, ওড়িশাৰ ভুবনেশ্বৰ, ৰাজস্থানৰ যোধপুৰ, বিহাৰৰ পাটনা, ছত্তীশগড়ৰ ৰায়পুৰ, উত্তৰাখণ্ডৰ ঋষিকেশ, উত্তৰপ্ৰদেশৰ ৰায়বেৰিলিত একোখনকৈ এইমছৰ আত্মপ্ৰকাশ ঘটিল। সেইদৰে ২০১৮ চনত মহাৰাষ্ট্ৰৰ নাগপুৰ আৰু পৰৱৰ্তী সময়ত অন্ধ্ৰপ্ৰদেশৰ মংগলগিৰি, ঝাৰখণ্ডৰ দেওগড়ৰ উপৰি বাতিণ্ডা, গোৰখপুৰ আৰু মাদুৰাই আদিত কেন্দ্ৰীয় চৰকাৰে এইমছ স্থাপন কৰিবলৈ আগবাঢ়ি আহে।

এইমছ স্থাপনৰ কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিৰ তালিকাত নাম অন্তৰ্ভুক্ত হ'ল অসমৰ। উত্তৰ-পূব ভাৰতৰ প্ৰধান আৰু জনবহুল ৰাজ্য অসমত এইমছ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ নিশ্চিতভাৱে এক উল্লেখনীয় আৰু যুগান্তকাৰী ঘটনাৰূপে চিহ্নিত কৰিব পাৰি। এইমছ স্থাপনৰ বাবে চাংসাৰিকেই উপযুক্ত স্থান হিচাপে বাছনি কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বহুপ্ৰত্যাশিত এইমছৰ ২০১৭ চনৰ মাজভাগত স্বয়ং প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আধাৰশিলা স্থাপন কৰি উত্তৰ-পূবৰ লাখ লাখ লোকক এক নতুন পথৰ সন্ধান দিলে। লগে লগে যেন উত্তৰ-পূৰ্বাঞ্চলৰ চিকিৎসা বিজ্ঞানৰ ইতিহাসত সংযোজিত হ'ল নতুন অধ্যায়ৰ। চাংসাৰি এইমছৰ নিৰ্মাণ ব্যয় ধাৰ্য কৰা হৈছে ১,১২৩ কোটি টকা। চাৰি বছৰৰ ভিতৰত এই বৃহৎ প্ৰকল্পৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হয়। প্ৰথম পৰ্যায়ৰ নিৰ্মাণ প্ৰকল্পৰ কাম ২০২১ চনৰ জুনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্মাণকাৰ্য ২০২২





মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীয়ে এইমছৰ স্থান পৰিদৰ্শন কৰাৰ দৃশ্য

চনৰ জুনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট সংস্থাক নিৰ্দেশনা দিয়া হৈছে। এই চিকিৎসা তথা গৱেষণা প্ৰতিষ্ঠানখনত ৭৫০খন বিছনা আৰু এম বি বি এছৰ ১০০খন আসনত অনুমোদন জনোৱা হৈছে। ২০২০ চনৰ পৰাই চাংসাৰি এইমছত এম বি বি এছৰ নামভৰ্তি পৰ্ব আৰম্ভ হয়। প্ৰথম অৱস্থাত ৫০খন আসনত নামভৰ্তি কৰাৰ অন্তত ২০২১ বৰ্ষত আৰু ৫০খন আসনত নামভৰ্তি কৰা হ'ব। সেই অনুসৰি ২০২১ বৰ্ষত ১০০খন আসনত নামভৰ্তি কৰাৰ সুযোগ লাভ কৰিব মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে। তদুপৰি এইখন প্ৰতিষ্ঠানত ৬০খন আসনৰ নাৰ্ছিং কলেজ আৰু ২২টা ছুপাৰ স্পেচিয়েলিটী বিভাগ থাকিব। ইয়াৰ সমান্তৰালকৈ ১৬টা অস্ত্ৰোপচাৰ কক্ষও উপলব্ধ হ'ব প্ৰতিষ্ঠানখনত। ২০২১ বৰ্ষৰ পৰা চাংসাৰি এইমছত চিকিৎসা সেৱা আৰম্ভ কৰাৰ কথা। চিকিৎসা সেৱা আৰম্ভ হোৱাৰ লগে লগে অঞ্চলটোৰ অগণন ৰোগাক্ৰান্তই এক নতুন চিকিৎসা লাভ কৰাটো সম্ভৱ হৈ উঠিব। উল্লেখ্য যে অসমত আধুনিক চিকিৎসা সেৱাৰ ১৯০০ চনতে সূচনা হৈছিল। ইংৰাজ চিকিৎসক জ'ন বেৰি হোৱাইটে বেৰি হোৱাইট মেডিকেল স্কুল স্থাপন কৰিছিল ডিব্ৰুগড়ত। সেইখন চিকিৎসালয়কে ১৯৪৭ চনত অসম চিকিৎসা মহাবিদ্যালয় নামেৰে নামকৰণ কৰা হয়। এইখন চিকিৎসা মহাবিদ্যালয়ে ইতিমধ্যে ৭৩ বৰ্ষ অতিবাহিত কৰিলে আৰু ৮,৫০০এম বি বি এছৰ লগতে তিনি হেজাৰৰো অধিক স্পেচিয়েলিষ্ট চিকিৎসক সৃষ্টি কৰিবলৈ সক্ষম হৈছে। ৰাজ্যখনত পৰ্যায়ক্ৰমে চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি পাইছে। বৰ্তমান ৰাজ্যখনত ৭খন চিকিৎসা মহাবিদ্যালয়ত পাঠদান আৰু চিকিৎসা সেৱা সম্ভৱ হৈছে। ২০২১ বৰ্ষত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ো আৰম্ভ হোৱাৰ কথা। এইদৰে ইখনৰ পিছত সিখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপনেৰে এক নতুন গতি দিব খোজা হৈছে। তথাপি অসমসহ উত্তৰ-পূৰ্বাঞ্চলত চৰকাৰী খণ্ডত আন্তঃৰাষ্ট্ৰীয় মানৰ চিকিৎসা প্ৰতিষ্ঠানৰ অভাৱ আছিল। সেই অভাৱৰ বাবেই ৰাজ্যখনৰ হেজাৰ হেজাৰ লোকে উন্নত চিকিৎসা বিচাৰি সুদূৰ দিল্লী-মুম্বাই-চেন্নাই-হায়দৰাবাদ আদিলৈ ঢাপলি মেলিবলৈ বাধ্য হৈ আহিছে। ইয়াৰ ফলত অৰ্থ আৰু সময় উভয় ফালৰ পৰাই বহু লোক ক্ষয়-ক্ষতিৰ সন্মুখীন হ'বলগীয়া হৈছে। আনকি জটিল ৰোগীয়ে দিল্লী-মুম্বাইলৈ গৈ উন্নত চিকিৎসা লাভৰ পূৰ্বেই মৃত্যুমুখতো পৰিবলগা হৈছে। চাংসাৰি এইমছৰ শৈক্ষিক আৰু চিকিৎসা যাত্ৰা আৰম্ভ হোৱাৰ লগে লগে অঞ্চলটোৰ অগণিত জনতাই ইয়াতেই সেই সুবিধা লাভ কৰাটো সম্ভৱ হ'ব। প্ৰধানমন্ত্ৰী স্বাস্থ্য সুৰক্ষা যোজনাৰ অধীনত নিৰ্মাণকাৰ্য চলি থকা চাংসাৰি এইমছ সম্পূৰ্ণ হৈ উঠিলে দক্ষিণ-পূব এছিয়াতে চিকিৎসাৰ ক্ষেত্ৰত অঞ্চলটো উজলি উঠিব বুলি আশা প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। মুখ্যমন্ত্ৰীগৰাকীয়ে চাংসাৰি এইমছৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰি সন্তোষ প্ৰকাশ কৰে আৰু পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ আটকধুনীয়াকৈ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ তেওঁ আহ্বান জনাইছে। সঁচা অৰ্থতেই চাংসাৰি এইমছ হৈ উঠক অঞ্চলটোৰ উন্নয়নৰ নতুন এক বাহকৰূপে। ❑❑

# মাঘ বিহুত ভেলাঘৰ-ভেলাপুঁজি-মেজিৰ প্ৰাসংগিকতা



**ড° বসন্ত কুমাৰ শৰ্মা**

অসমৰ কৃষিজীৱী সমাজৰ লোকাচাৰ, লোক উৎসৱৰ লগত সম্পৃক্ত হৈ থকা বিভিন্ন আকাৰ-প্ৰকাৰৰ অনুষ্ঠান-পৰ্বসমূহে পৰিৱৰ্তিত সমাজ ব্যৱস্থা আৰু পৰম্পৰাগত ধাৰাৰ আওতাত স্থিতি-গতি লভা মন কৰিবলগীয়া। মাঘ বিহুৰ লোকাচাৰ-লোক উৎসৱৰ মাজত কেবাটাও সৰু-ডাঙৰ অনুষ্ঠান বৰ্তি থকাৰ লগতে ভেলাঘৰ-ভেলাপুঁজি-মেজি নিকপকপীয়াকৈ বৰ্তি থকাৰ উপৰি কৃষিজীৱী সমাজত থকা সদ্ভাৱ-প্ৰীতি, একতাও মাঘ বিহুকেন্দ্ৰিক লোক উৎসৱে নিমজভাৱে উদ্ভাসিত কৰা উল্লেখযোগ্য। ভেলাঘৰ-ভেলাপুঁজি-মেজি শব্দ তিনিটাৰ মাজত নিগূঢ় সম্পৰ্ক থকা আৰু ঠাই বিশেষে একাকাৰ হৈ— 'জুইৰ উত্তাপ দিয়া' এই ভাবধাৰাৰে প্ৰবাহিত হোৱা নুই কৰিব নোৱাৰি। ভেলাঘৰ, ভেলাপুঁজি-মেজি সাধাৰণতে পুহ মাহৰ পৰাই সজোৱা কাম আৰম্ভ কৰে আৰু শুক্লপক্ষৰ শুভ বাৰতে আৰম্ভ কৰাৰ বাবে চেষ্টা কৰে। কৃষিজাত সামগ্ৰী, বনজাত সামগ্ৰীকে সজোৱাত ব্যৱহাৰ কৰাৰ উপৰি মুকলি পথাৰ, আহল-বহল ঠাই, নৈ-বিল-জান-জুৰিৰ পাৰ, ৰাজহুৱা স্থানকে উচিত স্থান বুলি গ্ৰহণ কৰি লগে-ভাগে আগবাঢ়ে। একক, ব্যক্তিগত প্ৰচেষ্টা, আঁচনিক দূৰলৈ ঠেলি দি সামূহিক, দলগত কাম বুলি গ্ৰহণ কৰি আঁচনি ৰূপায়িত কৰাত সততে মনোনিৱেশ কৰে। ব্যক্তি বিশেষৰ নান্দনিক দৃষ্টিভংগী কাৰ্যত প্ৰতিফলিত কৰোঁতে সামূহিক নান্দনিক ধাৰাৰ লগত মিলাইহে চূড়ান্তভাৱে প্ৰতিফলিত কৰে। চমুকৈ ক'বলৈ হ'লে— ভেলাঘৰ-ভেলাপুঁজি-মেজি সজোৱা কামত পৰম্পৰাগত ৰীতি-নীতি আৰু অঞ্চল বিশেষত গঢ় লোৱা আৱেগ-অনুভূতিকে বেছি প্ৰাধান্য দিয়া পৰিলক্ষিত হয়। তাৰ মাজতো বৃহৎ অসমীয়া সমাজত সজীৱ হৈ থকা আৱেগ-অনুভূতিৰ মূল দিশসমূহ প্ৰকটভাৱে জিলিকি উঠি সমন্বয়ৰ বাৰ্তা দিয়ে। অনৈক্যৰ মাজত ঐক্য, আনন্দ-উছাহৰ গতিধাৰাৰ মাজত যোগসূত্ৰ স্থাপন, বিভিন্ন জনবিন্যাসৰ আংশিক ৰেহ-ৰূপ উদঙাই দিয়াৰ উদাহৰণ বহুত আছে। ভেলাঘৰ বিভিন্ন আকাৰ-প্ৰকাৰত হ'ব পাৰে। সজোৱাৰ বাবে নৰা, বাঁহ,





বেত, খেৰ, উলুবন ব্যৱহাৰ কৰে। সজোৱা কামত পুৰুষ-মহিলা উভয়ে সহযোগ কৰে। কামৰ শ্ৰেণী অনুযায়ী পুৰুষ-মহিলাই যোগদান কৰে। কেতিয়াবা কামৰ শ্ৰেণী বিভাজনত সকলোৰে স্বীকৃত নিৰ্দিষ্ট ব্যক্তিয়ে কাম ভগাই দিয়ে। সকলোৱে সাধ্য অনুযায়ী কাম কৰে। কামত পিছপৰা ব্যক্তিক শাস্তি দিয়াৰ ব্যৱস্থা নাথাকে। তিৰস্কাৰ-বহিস্কাৰ কৰাৰো ব্যৱস্থা নাথাকে।

অৱশ্যে কামত পাৰ্গত ব্যক্তিক উৎসাহ দি পুৰস্কাৰ দিয়াৰ ব্যৱস্থা একেবাৰে নথকা নহয়। সময়ে সময়ে দুই-এগৰাকীৰ কাৰ্যত অসন্তোষ ভাবধাৰা প্ৰকাশ পালেও থাপি-থুপি থৈ আনন্দ মনেৰে আগবাঢ়ে। ভেলাঘৰ সজোৱা কাম মাঘ বিহুৰ প্ৰথম দিনৰ (পহিলা বিহু) আগতে শেষ হ'বই লাগিব। ঠাই বিশেষে পহিলা বিহুৰ (পুহৰ শেষ দিন) আগদিনা ভেলাঘৰত সামূহিক ভোজন সমাপন কৰে। নিৰামিষ ভোজনৰ গুৰুত্ব নাথাকে। ভেলাঘৰৰ ভিতৰত বা চোতালত ৰন্ধা-বঢ়া কৰে। দিনতকৈ ৰাতিহে ভোজনৰ (লগ ভাত) ব্যৱস্থা কৰাত প্ৰাধান্য দিয়ে। ভেলাঘৰৰ আকৃতি, সজোৱা পদ্ধতিত প্ৰতি বছৰতে নতুন দিশ উন্মোচিত হোৱা আৰু সৰু-ডাঙৰ সমাজৰ মাজত অঘোষিত প্ৰতিযোগিতাই মূৰ দাঙি উঠা অস্বীকাৰ কৰিব নোৱাৰি। ভেলাঘৰত নৰা ব্যৱহাৰ কৰিলেও বাঁহ, কাঠ আদিও যথেষ্ট পৰিমাণে ব্যৱহাৰ কৰা নিদৰ্শন নোহোৱা নহয়। ভেলাঘৰ মানেই ফুটা থকা দুখন চাল, জুমি চাব পৰা নৰাৰ বেৰ বুলি প্ৰতীয়মান হৈছিল। সময়ৰ পৰিৱৰ্তনৰ লগত সংগতি ৰাখি ভেলাঘৰ সজোৱাত পৰিৱৰ্তন ঘটিল। পানী জাহাজ, তলাতল ঘৰ, ইণ্ডিয়া গে'ট আদিয়ে চালে চকু ৰোৱা ৰূপত ভেলাঘৰৰ স্থানত স্থিতি লভিলে। ঠাই বিশেষে পহিলা বিহুৰ পুৱাই জ্বলাই নিদি বৰ বিহুৰ পুৱাহে জ্বলাই দিয়ে (মাঘৰ পহিলা তাৰিখ)।

ভেলাঘৰ সজোৱাত নামনি অসমতকৈ উজনি অসমত অধিক গুৰুত্ব দিয়া, দীৰ্ঘ সময় অতিবাহিত কৰা উল্লেখযোগ্য। আনহাতে, ভেলাঘৰৰ যাৱতীয় দিশ সম্পন্ন কৰা সময়ত উজনি অসমত বিহুগীত, বিহু নৃত্য পৰিৱেশন কৰি উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰাৰ উদাহৰণো আছে। নামনি অসমত ভেলাঘৰ সজোৱা সময়ত বিহুগীত, বিহু নৃত্যই প্ৰাধান্য লাভ কৰাৰ উদাহৰণ বিৰল। ভেলাঘৰ মাঘৰ তিনি দোমাহী—(পুহৰ শেষ তাৰিখ, মাঘৰ ১,২ তাৰিখ)ৰ ভিতৰতে জ্বলাই দি জুইৰ তাপ লোৱাৰ প্ৰথা ব্যাপক বুলি ক'ব পাৰি। কোনো কাৰণতে মাঘ মাহৰ পিছলৈ ভেলাঘৰ জ্বলোৱা কাম ৰৈ নাথাকে।

ভেলাপুঁজি আকাৰ-প্ৰকাৰত সকলো অঞ্চলতে একে ঠাইতে ৰৈ থকা আৰু সজোৱা পদ্ধতিত প্ৰায় মিল থকা নুই কৰিব নোৱাৰি। গুৰি বহল, ঘূৰণীয়া আকৃতিৰ। ওপৰ অংশ চিয়া। কেঁচা বাঁহ, নৰা ব্যৱহাৰ কৰা হয়। মাজত ভলুকা বা জাতি বাঁহ দিয়া হয়। বাঁহত আঁখি থাকিলে ভাল হয়। মাজত বাঁহ মজবুত হোৱা আৱশ্যক। মজবুত কৰাৰ বাবে কেতিয়াবা দুডাল বাঁহো দিয়া হয়। কোনো কাৰণতে তিনিডাল বাঁহ দিয়া নহয়। তিনি অমংগলসূচক। সেয়ে বৰ্জনীয়। মাজৰ বাঁহক কেন্দ্ৰ কৰি এটা বৃত্ত গঢ় দিয়া হয় আৰু বৃত্তৰ পৰিধিত সমান দূৰত্বত 'শিয়াল গাঁত' খান্দি কেঁচা কোমল বাঁহ পুতি লোৱা হয়। বাঁহৰ আগ অংশ, টঙালেৰে মাজৰ বাঁহৰ আগৰ লগত ভালকৈ জুতি বান্ধি লোৱা হয়। বন্ধা বিষয়ত ৰছী, গুণা, প্লাষ্টিক জাতীয় সামগ্ৰী সম্পূৰ্ণৰূপে বৰ্জন কৰা হয়। বাঁহ বন্ধা কাম শেষ কৰিয়ে নৰাৰে সজোৱাৰ কাম আৰম্ভ কৰে। ঠাই বিশেষে নৰাৰ মাজত বাঁহ, পানী হিলৈৰ টোপ দিয়াৰ নিদৰ্শনো আছে। পানী হিলৈ ফুটি বিহুৰ সময়ত জুইৰ তাপ লোৱা ব্যক্তিৰ অনিষ্ট কৰিব পাৰে বুলি আশংকা কৰি সম্প্ৰতি এই দিশটো এৰাই চলা দেখা যায়। ভেলাপুঁজি

সজোৰা কাম সম্পূৰ্ণ হ'লেই জখলাৰে উঠি মূল বাঁহৰ (মাজৰ বাঁহ) ওলাই থকা অংশত কলফুল (পূজাত ব্যৱহাৰ কৰা কলৰ কলফুল) দিয়া হয় আৰু একে সময়তে গোটেইবোৰ বাঁহৰ আগ একেটা থুপত আবদ্ধ কৰি লাইজাবৰি লতা বা তেনেধৰণৰ লতাৰে বান্ধি দিয়া হয়। সজোৰা কাম শেষ হোৱাৰ লগে লগে আটায়ে ভেলাপুঁজি চুই সেৱা জনায় আৰু মনে মনে প্ৰাৰ্থনা কৰে— 'দায়-দোষ নধৰিবা। গচকি গচকি নৰা জাপিছো। কামৰ ত্বৰিত গতিত হয়তো নক'বলগীয়া কথা কৈছো।' প্ৰথম বিহুৰ দিনাই ভেলাপুঁজিৰ জুইৰ তাপ লোৱাত সকলোৰে সময়মতে উপস্থিত হয়। সূৰ্য উদয় হোৱাৰ আগেয়ে, কাউৰীয়ে মাটিত পৰাৰ আগেয়ে ভেলাপুঁজিত জুই দিব লাগে। সময় ইফাল-সিফাল হোৱা স্বীকাৰ্য। গা-পা ধুই 'ভাল কাপোৰ' পিন্ধি ভেলাপুঁজিত জুই দিয়াৰ কাম কৰোতে, কম বয়সৰ ল'ৰা-ডেকাইহে আগভাগ লয়। উশাহ নোলোৱাকৈ (একে উশাহতে) ভেলাপুঁজিৰ চৌদিশ এপাক, তিনিপাক, পাঁচপাক ঘূৰি পূবমুৱাকৈ আঁঠু কাঢ়ি অতি সন্তৰ্পণে ভেলাপুঁজিত জুই দিয়াৰ কাম সম্পন্ন কৰে। লগে লগে বিজ্ঞ ব্যক্তিয়ে গদগদকৈ উচ্চাৰণ কৰে—

'অগ্নি প্ৰজ্বলিতং বন্দে
চতুৰ্বেদ হুতাশনং।
সুবৰ্ণ বৰ্ণ মমলং
জ্যোতি ৰূপায়তে নমঃ।।'

ভেলাপুঁজিত দপ দপকৈ জুই উঠাৰ সময়তে মাহ কড়াই ছটিয়াই দি সেৱা জনায়। ভেলাপুঁজিৰ আগত থকা কলফুল পৰাৰ লগে লগে কপালত ফোঁট লয়, ভেলাপুঁজিৰ ছাইৰো ফোঁট লয়। থিতাতে মাহ প্ৰসাদ খাই সম্ভৱ হ'লে ভেলাপুঁজিৰ আধাপোৰা বাঁহ ঘৰলৈ নি নাৰিকল, আমৰ গছত বান্ধি দি 'এইবাৰ বহুত ফল দিবি দেই'— মনে মনে প্ৰাৰ্থনা জনায়।

মেজিয়ে ঠাই বিশেষে ভেলাপুঁজিৰ ঠাই দখল কৰিলেও মেজিয়ে অন্য দিশৰ উন্মেষ নকৰাকৈ নাথাকে। মেজিতো সমাজৰ পৱিত্ৰ দিশ, আধ্যাত্মিক চিন্তা-চৰ্চা প্ৰকটভাৱে প্ৰতিফলিত হোৱা স্বীকাৰ্য। বিশেষকৈ বৰ দোমাহীৰ (মাঘৰ ১ তাৰিখ) দিনত মেজিৰ কাষত সকলোৰে সমবেত হৈ অঞ্চলৰ যোগাত্মক দিশৰ চিন্তা-চৰ্চা কৰাৰ লগতে ভাগৱতৰ কাহিনী শুনিবলৈ আগ্ৰহ প্ৰকাশ কৰা নুই কৰিব নোৱাৰি। কিছুসংখ্যকে আমৰ কেঁচা ডালত ঘি দি, মেজিলৈ আগবঢ়াই অগ্নি দেৱতাক প্ৰাৰ্থনা জনোৱাৰ উদাহৰণো পোৱা যায়।

মাঘ বিহুত ভেলাঘৰ, ভেলাপুঁজি, মেজিয়ে গুৰুত্বপূৰ্ণ স্থান দখল কৰা আৰু সমন্বয়ৰ বাৰ্তা কঢ়িয়াই নতুন কৰ্ম প্ৰেৰণা, সুখাৱহ গতি প্ৰদান কৰাত সহায় কৰা উল্লেখযোগ্য। লোকাচাৰ, লোক উৎসৱৰ দিশসমূহ সময়, অঞ্চলভেদে পৰিৱৰ্তন পৰিবৰ্ধন হৈ ভেলাঘৰ-ভেলাপুঁজি-মেজিত প্ৰকাশ পালেও ইয়ে কৃষিজীৱী সমাজৰ গতি ত্বৰান্বিত কৰাত প্ৰভূত পৰিমাণে ইন্ধন যোগাইছে বুলি ভাবিবৰ থল আছে। ❐❐

লেখকৰ ফোন নং ঃ ৯৪০১৬০২৩৬৭



## আলেখ্য ঃ জ্ঞান দীপিকা আঁচনি

# ভৱিষ্যতৰ সোণালী সপোন...




**গীতাঞ্জলি বৰকটকী**

গাঁওখনৰ ভিতৰতে এজন মেধাৱী ছাত্ৰ পাৰ্থ। সি দেখাত যিদৰে ধুনীয়া, তেনেদৰে পঢ়া-শুনাতো আগবঢ়া। পাৰ্থই এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা দিছে। পৰীক্ষাৰ পিছৰ আজৰি সময়খিনিত সি মাক-দেউতাকক ইটো-সিটো কামত সহায় কৰি দিয়ে। এসাঁজ খালে এসাঁজ খাবলৈ নোপোৱা সিহঁতৰ ঘৰখন তাৰ দেউতাকে কিদৰে চলাইছে সি বুজিব পৰা হৈছে। খেতিৰ মাটি বুলিবলৈও নাই। দেউতাকে আৰ-তাৰ ঘৰত দিন-হাজিৰা কৰি ঘৰখন কোনোমতে চলাই আছে। সেয়েহে সি দেউতাকৰ দুখ বুজি অবাবত সময় নষ্ট নকৰি আজৰি পৰত মাছ মাৰি বজাৰত বেচি দেউতাকক সহায় কৰে। সেইদিনা দুপৰীয়া মাছ বিক্ৰী কৰি বজাৰৰ পৰা ঘৰলৈ ওভতাৰ পৰত তাৰ লগতে পঢ়া মনোজৰ পৰা বাটতে গম পালে যে আৰু দুদিনমান পিছতেই সিহঁতৰ পৰীক্ষাৰ ৰিজাল্ট দিব। খবৰটো শুনি তাৰ মনটো উগুল-থুগুল লাগিল। সি খৰধৰকৈ ঘৰলৈ আহি মাকক খবৰটো জনালে। দেউতাক তেতিয়া ঘৰত নাছিল। গাঁওবুঢ়াৰ ঘৰত হাজিৰা কৰিবলৈ গৈছিল। পৰীক্ষা ভালেই হোৱা বুলি তাৰ বিশ্বাস আছে যদিও এতিয়া ৰিজাল্ট দিয়াৰ কথা শুনি তাৰ মনটো দুৰু দুৰুকৈ নকঁপা নহয়। সন্ধিয়া ঘৰত চাকি-বন্তি জ্বলোৱাৰ পৰত দেউতাক ঘৰ সোমালহি। গাটো ধুই ৰঙা চাহকাপ হাতত লৈ তেওঁ মাকৰ লগত ইটো সিটো কথা পাতি থাকোতে পৰহি যে পাৰ্থৰ ৰিজাল্ট দিব তেওঁক জনালে। পাৰ্থৰ ৰিজাল্ট দিব বুলি জানি তেওঁৰ মনতো আনন্দ লাগিল। লগতে এটা চিন্তায়ো জুমুৰি দি ধৰিলে। পাৰ্থই যে ভাল ৰিজাল্ট কৰিব সেইটো খাটাং। কিন্তু তাক ক'ত কেনেকৈ নাম লগাই দিব সেই চিন্তাই মনত পাক ঘূৰণি খাবলৈ ধৰিলে।

গাঁৱত শিক্ষাৰ নামত একমাত্ৰ প্ৰাথমিক বিদ্যালয়খনেই আছে। গতিকে উচ্চতৰ মাধ্যমিক শ্ৰেণীত নামভৰ্তি কৰিবলৈ হ'লে গাঁৱৰ পৰা প্ৰায় কুৰি কিলোমিটাৰ নিলগৰ নগৰলৈ ঢাপলি মেলিব লাগিব। ইমানদূৰ বাট অহা-যোৱা কৰি পঢ়াটো জানো সম্ভৱ হ'ব। কিন্তু তাক নগৰত ৰাখি পঢ়াবলৈ তেওঁ ইমান টকা পাব ক'ত? ইফালে পাৰ্থৰ বিজ্ঞান শাখাত পঢ়িবলৈ মন। গতিকে

ইমান টকা তেওঁ ক'ত পাব তাকে লৈ চিন্তা লাগিল। এফালে পুত্ৰৰ ভৱিষ্যৎ গঢ়াৰ সপোন, আনফালে আৰ্থিক দৈন্য ! কি কৰিব একোকে ভাবি পোৱা নাই তেওঁ।

টক টক টক

ৰতনীয়ে চৌকাৰ জুইকুৰাৰ পৰা জ্বলা খৰি দুডালমান উলিয়াই দুৱাৰখন খুলি দিবলৈ গ'ল। দুৱাৰখন খুলি দেখিলে পাৰ্থৰ বিদ্যালয়ৰ প্ৰধান শিক্ষক। মুখত এমোকোৰা তামোল লৈ তেওঁ ঘৰৰ ভিতৰলৈ সোমাই আহিল।

ঃ পাৰ্থ আছেনে ?

ঃ আছে। আহক, আহক। বহকহি ছাৰ।

প্ৰধান শিক্ষকক বহিবলৈ দি ৰতনী ভিতৰ সোমাল। হৰি মাষ্টৰে ঘৰটো চাৰিওফালে এবাৰ চকু ফুৰালে। উৰুখা চালখনৰ ফুটাইদি জোনাকে ভুমুকিয়াই মজিয়াখনত বুটা বাচিছে। তেনেতে পাৰ্থ আৰু দেউতাক দুয়ো কোঠাটোলৈ সোমাই আহিল। পাৰ্থই ছাৰৰ ভৰি চুই সেৱা জনালে। তেওঁ তাক মূৰত হাত বুলাই আশীৰ্বাদ দিলে। পাৰ্থৰ দেউতাকেও হাতযোৰ কৰি ছাৰক আদৰণি জনালে। মাষ্টৰে পাৰ্থৰ দেউতাকৰ মুখলৈ লক্ষ্য কৰি ক'লে — আপোনাক বৰ চিন্তাক্লিষ্ট যেন লাগিছে। কিবা অসুখ-বিসুখ নেকি ?

ঃ অসুখ-বিসুখ একো হোৱা নাই ছাৰ। মাথোঁ তাৰ পঢ়া-শুনাক লৈহে চিন্তাত পৰিছো। তাৰ হেনো দুই-এদিনতে ৰিজাল্ট দিব। আমাৰতো অৱস্থা জানেই। দিন ভিক্ষা, প্ৰাণ ৰক্ষা অৱস্থা। বিজ্ঞান শাখাত নাম লগাবলৈ তাৰ বৰ মন। কিন্তু গাঁৱতনো ক'ত উচ্চ শিক্ষাৰ অনুষ্ঠান আছে আৰু চহৰত পঢ়ুৱাবলৈও মোৰ সামৰ্থ্য নাই। ঘৰৰ পৰা গৈও সি তাতত পঢ়িব নোৱাৰে। তাক হোষ্টেলত ৰাখি পঢ়ুওৱাৰ কথাটো ভাবিবই নোৱাৰো। দুই-এটা হয়তো টিউচনো দিব লাগিব। সেইবোৰ চিন্তাই মোক হেঁচি ধৰিছে। কিন্তু টকাৰ অভাৱৰ বাবে তাকনো পঢ়াৰ পৰা বঞ্চিত কৰো কিদৰে ?

মাষ্টৰে বৰ মনোযোগেৰে পাৰ্থৰ দেউতাকৰ কথাবোৰ শুনি আছিল। মাষ্টৰে তেওঁৰ পিঠিত হাতখন থৈ ক'লে ঃ আপুনি একো চিন্তা নকৰিব। আজিকালি চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বৰ সুন্দৰ আঁচনি গ্ৰহণ কৰি সেইবোৰ কাৰ্যকৰী কৰি আছে।

পাৰ্থৰ দেউতাকৰ মুখখন উজ্জ্বল হৈ পৰিল। তেওঁ ক'লে ঃ হয় নেকি ? আমিনো এইবোৰ কথাৰ কি ভু পাওঁ। অলপ বুজাই কওকচোন। আমাৰ পাৰ্থই বাৰু এই আঁচনিখনৰ পৰা কিবা সুবিধা পাবনে ?

ঃ কিয় নাপাব ? পাৰ্থয়ো সেই সুবিধা পাব। এই আঁচনিখনৰ নাম হৈছে 'জ্ঞান দীপিকা আঁচনি'। আপুনি একো চিন্তা নকৰিব। মই সকলো ব্যৱস্থা কৰি দিম। আচলতে পৰহিলৈ তাৰ ৰিজাল্ট দিব বুলি গম পায়ে মই আপোনালোকৰ ঘৰলৈ আহিছিলো তাৰ এডমিচন আদিৰ কথা পাতিবলৈ।

এনেতে ৰঙা চাহ একাপ আৰু পাপৰ ভজা অকণ লৈ সোমাই আহিল পাৰ্থৰ মাক। মাষ্টৰে চাহত সোহা মাৰি ক'লে ঃ আজিকালি চৰকাৰে শিক্ষাৰ উন্নতিৰ বাবে বহু ব্যৱস্থা গ্ৰহণ কৰিছে। দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে যাতে পঢ়া-শুনাৰ ক্ষেত্ৰত থমকি ৰ'বলগীয়া নহয় তাৰ বাবেও বিভিন্ন আঁচনি লৈছে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল চৰকাৰখন শাসনলৈ অহাৰ পিছৰ পৰাই অন্যান্য খণ্ডৰ দৰে শিক্ষা খণ্ডৰো যথেষ্ট উন্নতি সাধন হৈছে। এই আঁচনিসমূহৰ সফল ৰূপায়ণৰ ফলত ধনী-দুখীয়া উভয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে উপকৃত হৈছে। শেহতীয়াকৈ ২০১৯-২০২০ বৰ্ষৰ বাজেটত ৰাজ্যখনৰ লাখ লাখ শিক্ষাৰ্থীৰ উজ্জ্বল ভৱিষ্যৎ সুনিশ্চিত কৰিবলৈ 'জ্ঞান দীপিকা' নামৰ এখন আঁচনি প্ৰৱৰ্তন কৰিছে। এই আঁচনিখনৰ অধীনত প্ৰতিগৰাকী হোষ্টেল আৱাসীকে প্ৰতিমাহে ৭০০ টকাকৈ বছৰেকত মুঠ ১০ মাহৰ বাবে মাচুল ৰেহাইৰ ব্যৱস্থা কৰা হৈছে। অৰ্থনৈতিক অৱস্থাটো চালি-জাৰি চাই চৰকাৰী আৰু প্ৰাদেশীকৃত মহাবিদ্যালয়, বিশ্বদ্যিালয়ৰ হোষ্টেলত থকা সকলো ছাত্ৰ-ছাত্ৰীয়ে এই সুবিধা লাভ কৰিব।

ঃ চৰকাৰে দেখোন বহু সুবিধাই দিছে। আমিহে লিখা-পঢ়া নজনাবোৰে একো গমকে নাপাওঁ ।

পাৰ্থৰ দেউতাকৰ কথা শুনি মিচিকা হাঁহি এটা মাৰি মাষ্টৰে ক'লে ঃ কথাটো নোহোৱা নহয়। চৰকাৰী সা-সুবিধা বা আঁচনিবোৰৰ বিষয়ে আমাৰ বহুতেই গম নাপায়। এই আঁচনিত আৰু এচটা সুবিধা দিয়া হৈছে — উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ শিক্ষাৰ্থীক পুৰস্কৃত কৰাৰ ব্যৱস্থাও আছে। ইয়াৰ ফলত শিক্ষাৰ্থীসকল যথেষ্ট উপকৃত হ'ব। তদুপৰি নৱম আৰু দশম শ্ৰেণী পৰ্যন্ত ইউনিফৰ্মৰ বাবে বছৰি ৭০০ টকাকৈ প্ৰদান কৰা হ'ব। পূৰ্বতে চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণী পৰ্যন্তহে ছাত্ৰ-ছাত্ৰীয়ে বছৰি ৪০০ টকাকৈ লাভ কৰিছিল। তেনেদৰে যিসকল অভিভাৱকৰ বাৰ্ষিক আয় দুই লাখ টকা পৰ্যন্ত তেওঁলোকৰ সন্তানক বিনামূলীয়া নামভৰ্তিৰ সুবিধা দিয়া হ'ব। তেনে লোকৰ সন্তানক স্নাতক শ্ৰেণী পৰ্যন্ত বিনামূলীয়া পাঠ্যপুথিৰ ব্যৱস্থা কৰা হ'ব। এইবাৰ সকলো শিক্ষাৰ্থীকে বিনামূলীয়া নামভৰ্তিৰ সুবিধা দিয়া হৈছে।

মাষ্টৰৰ মুখেৰে আঁচনিখনৰ বিষয়ে জানিব পাৰি পাৰ্থৰ মাক আৰু দেউতাকৰ মুখত হাঁহি বিৰিঙি উঠিল। পাৰ্থৰ দেউতাকে ক'লে ঃ বৰ ডাঙৰ চিন্তা এটাৰ পৰা মুক্ত হ'লো ছাৰ। চৰকাৰক অশেষ ধন্যবাদ। আপোনাৰো উপকাৰ পাহৰিব নোৱাৰিম ছাৰ।

ঃ আজিকালি চৰকাৰে সকলোৰে বাবে বিভিন্ন আঁচনি লৈছে। তাৰ ভিতৰত এইখনো এখন। আপুনি নিশ্চিন্ত মনে পাৰ্থৰ ৰিজাল্টৰ বাবে অপেক্ষা কৰক। এতিয়া উঠো। ৰিজাল্টৰ দিনা মিঠাই খাবলৈ আহিম। ❑❑

*(দূৰভাষ ঃ ৮১৩৪৮২৭৫৯৬/৮৬৩৮৫২২৩৮৫)*

কৃষি দিহা

# ধাননিপথাৰত পোক-পৰুৱা, বেমাৰ-আজাৰ নিয়ন্ত্ৰণৰ উপায়



ধান খেতিত দেখা বিভিন্ন পোক-পৰুৱা, বেমাৰ-আজাৰক বাধা দিবলৈ আমাৰ কৃষক ৰাইজে নিজৰ নিজৰ অভিজ্ঞতাৰ ভিত্তিত পৰম্পৰাগতভাৱে পথাৰত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছে। প্ৰকৃতি আৰু পৰিৱেশৰ পৰা নিজস্ব অভিজ্ঞতাৰে আহৰণ কৰা এনেবোৰ কৌশলৰ আঁৰত বৈজ্ঞানিক সত্য নিহিত হৈ আছে। বছৰৰ পাছত বছৰ ধৰি কৃষক ৰাইজে আহৰণ কৰা তেনেবোৰ কৃষি কৌশলক আধুনিক কৃষি বিজ্ঞানেও থলুৱা প্ৰযুক্তি কৌশল হিচাপে স্বীকৃতি দিছে। এনেবোৰ কৃষি কৌশল প্ৰাকৃতিক। পোক-পৰুৱা বা বেমাৰ-আজাৰ নিয়ন্ত্ৰণ কৰিবলৈ খেতি পথাৰত ৰাসায়নিক দ্ৰব্য প্ৰয়োগ কৰাৰ ফলত সৃষ্টি হোৱা পৰিৱেশ প্ৰদূষণৰ সমস্যাৰ পৰাও এনেবোৰ থলুৱা কৃষি প্ৰযুক্তি মুক্ত। এনে কৌশলসমূহ প্ৰদূষণমুক্ত হোৱাৰ উপৰি কম খৰচী আৰু স্থানীয়ভাৱে উপলব্ধ।

ধাননিপথাৰত পোক-পৰুৱা, বেমাৰ-আজাৰৰ উপদ্ৰৱক বাধা দিবলৈ আমাৰ কৃষক ৰাইজে পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰি অহা কিছুমান থলুৱা প্ৰযুক্তি কৌশল তলত উল্লেখ কৰা হ'ল।

- কঠীয়াৰ আগলি অংশত ধান খেতিৰ অনিষ্টকাৰী বিভিন্ন পোক-পৰুৱাই কণী পাৰে। সেয়েহে কঠীয়া ৰোৱাৰ আগেয়ে কঠীয়াৰ আগলি অংশ কাঁচিৰে কাটি বা হাতেৰে ছিঙি দিলে ইয়াত থকা বিভিন্ন পোক-পৰুৱাৰ কণী আদি ধ্বংস হয়। ফলত পাছত মূল পথাৰত খেতিডৰাত পোক-পৰুৱাৰ প্ৰাদুৰ্ভাৱ বহুখিনি কমে।
- ১ কিলোগ্ৰাম মহানিমৰ পাত, ১ কিলোগ্ৰাম কেঁচা জলকীয়া (ভোট জলকীয়া হ'লে উত্তম), ৫০০ গ্ৰাম আদা আৰু ৫০০ গ্ৰাম নহৰু থেতেলি লৈ ১০ লিটাৰ পানীত মিহলাই উতলাব লাগে। এই পৰিমাণৰ মিশ্ৰণটো উতলাই ৫ লিটাৰলৈকে কমাই পেলাব লাগে। ঠাণ্ডা হোৱাৰ পাছত এই মিশ্ৰণৰ সৈতে ১৫ লিটাৰ গো-মূত্ৰ মিহলাই মিশ্ৰণটো আধাঘণ্টা সময় ধৰি লৰাই চেকি ল'ব লাগে। এনেদৰে প্ৰস্তুত কৰা এই জৈৱিক কীটনাশক দ্ৰব্যবিধৰ ১ লিটাৰ দ্ৰব্য ২০ লিটাৰ পানীত মিহলাই তৈয়াৰ কৰা মিশ্ৰণ ধান খেতিত স্প্ৰে' কৰি শুৰ পোকক ধৰি বিভিন্ন পোক-পৰুৱাৰ আক্ৰমণ নিয়ন্ত্ৰণ কৰিব পাৰি। এবিঘা মাটিৰ বাবে এনেদৰে প্ৰস্তুত কৰা মিশ্ৰণ ৬০ লিটাৰ প্ৰয়োজন। শুৰ পোকৰ আক্ৰমণ হৈ থকা পথাৰত একেৰাহে দুদিনত দুটা স্প্ৰে' কৰা উচিত। শুৰ পোকে আশ্ৰয় লৈ থকা বিভিন্ন স্থান যেনে— পথাৰৰ আলি আৰু কাষৰ ঘাঁহ-বনতো এই জৈৱিক কীটনাশকবিধ স্প্ৰে' কৰা উচিত। এই জৈৱিক দ্ৰব্যবিধ অকল কীটনাশকেই নহয়, পথাৰৰ শস্যৰ বাবে ই পুষ্টিদায়ক পদাৰ্থ হিচাপেও কাম কৰে।
- ধান চপোৱাৰ পাছত মজাখোৰা পোকৰ পলুবোৰ





ধানৰ নৰাৰ গুৰিত বাহ সাজি থাকে। সেয়ে পথাৰত বৈ যোৱা নৰা আদি পুৰি পেলালে মজাখোৱা পোকৰ এনে পলুবোৰ মৰি যায়। ফলত পিছৰবাৰৰ ধান খেতিত মজাখোৱা পোকৰ প্ৰাদুৰ্ভাৱ বহুখিনি কমি যায়। সেয়েহে ধান চপোৱাৰ পাছত পথাৰত বৈ যোৱা নৰা পুৰি পেলোৱা উচিত। ইয়াৰ পাছত মাটিডৰা ৬ ইঞ্চিমান দকৈ হাল বাই দিলে মাটিৰ তলত সোমাই থকা শুৰ পোকৰ লেটাবোৰ চৰায়ে খাই হ্ৰাস কৰে।

❐ ধান খেতিত দেখা দিয়া গান্ধী পোকৰ আক্ৰমণক বাধা দিবলৈ ধানৰ গেঁৰধৰা সময়ত ৰবাব টেঙাৰ বাকলি সমভাৱে পথাৰখন বিভিন্ন অংশত পেলাই থ'লে সুফল পোৱা যায়। পথাৰলৈ শুৰ পোক নাহিবলৈ আগতীয়াকৈ ধানগছৰ গুৰিত ৰবাব টেঙাৰ বাকলিৰ গুড়ি আৰু কেঁচা গোবৰৰ মিশ্ৰণ ছটিয়ালে সুফল পোৱা যায়।

❐ ধাননিডৰাৰ চাৰিওফালে দ নলা খান্দি দি এডৰা খেতিৰ পৰা আনডৰা খেতিলৈ শুৰ পোকক ধৰি বহু পোকৰ পলু বগাই যোৱাত বাধা দিব পাৰি।

❐ ১৮ লিটাৰ পানীত ৪০ গ্ৰাম চুণ আৰু ১০ গ্ৰাম নিমখ মিহলাই খেতিত প্ৰয়োগ কৰি শুৰ পোকৰ প্ৰাদুৰ্ভাৱ কমোৱাত সুফল পোৱা বুলি একাংশ কৃষক ৰাইজে প্ৰকাশ কৰিছে।

❐ বিভিন্ন পৰভোজী চৰায়ে পোক-পৰুৱা তথা ইহঁতৰ কণী আদি খাই জীয়াই থাকে। প্ৰতি বিঘা ধাননিত তিনিটাকৈ বাহৰ আগলি বা জেং পুতি দিলে এনেবোৰ চৰায়ে পথাৰৰ মাজত জিৰণি লোৱাত সুবিধা হয়। ফলত ধাননিডৰাত পোক-পৰুৱাৰ আক্ৰমণ হ্ৰাস পায়। কিন্তু চৰায়ে পকা ধান খোৱাত বাধা দিবলৈ ধান পকাৰ আগে আগে এই বাহৰ আগলি বা জেংবোৰ পথাৰৰ পৰা উঠাই দিয়া উচিত।

❐ পথাৰখনত পোক-পৰুৱাৰ উপস্থিতিক বাধা দিবলৈ ধাননিডৰাত মাজে মাজে পচতীয়াৰ আগ আৰু ডাল ৰোৱাৰ উপৰি পথাৰত বিহলঙনি, নিম, কেতুৰি আদি গছৰ পাত ছটিয়াব লাগে।

❐ চহৰা পোকৰ ছালখন যথেষ্ট কোমল। চহৰা পোক আক্ৰান্ত পথাৰত বগৰী গছৰ দৰে কাঁইটীয়া গছৰ ডালেৰে ধান খেতিডৰা মৃদুভাৱে কোবাই দিলে পোকবোৰ আঘাতপ্ৰাপ্ত হয় আৰু পথাৰত পোকৰ সংখ্যা প্ৰায় কমি যায়।

❐ মাজে মাজে পথাৰত পঁচা গো-মূত্ৰ ছটিয়াই থাকিলে ধাননি পথাৰত পোক-পৰুৱা, বেমাৰ-আজাৰ হ্ৰাস পায়।

❐ টুপলিকটা পোকৰ কণী ধ্বংস কৰিবলৈ কেৰাচিনত ডুবোৱা নাৰিকল বা মৰাপাটৰ ৰছী ধাননি পথাৰখনৰ ওপৰেৰে বুলাই নিব লাগে।

❐ গান্ধীপোকক আঁতৰাবলৈ ধানৰ গাখীৰতী অৱস্থাত পথাৰৰ মাজে মাজে পঁচা ভেকুলী, কেঁকোৰা আদি আধাপোৰা অৱস্থাত ওলোমাই দিব লাগে।

❐ পথাৰৰ মাজে মাজে জুইৰ পোহৰ-ফান্দৰ ব্যৱস্থা কৰি দিলে পথাৰত থকা পোক-পৰুৱাবোৰ জুইৰ পোহৰৰ প্ৰতি আকৰ্ষিত হয় আৰু পুৰি মৃত্যু ঘটে। ফলত পথাৰত পোকৰ সংখ্যা যথেষ্ট হ্ৰাস পায়।

❐ ধাননি পথাৰত নিমগছৰ পাত মাটিৰ সৈতে মিহলাই দিলে টুপলিকটা পোক আৰু মজাখোৱা পোকৰ সংখ্যা হ্ৰাস পায়। ❐❐

# সমাজ কল্যাণ বিভাগৰ বিভিন্ন আঁচনি




সংহত শিশু উন্নয়ন সেৱা আঁচনিখন হৈছে বিশ্বৰ ভিতৰত অন্যতম এক বৃহৎ আৰু অনন্য আঁচনি। এই আঁচনিখনৰ অধীনত নৱজাতকৰ পৰা আৰম্ভ কৰি ছয় বছৰ বয়স পৰ্যন্ত শিশুলৈ, গৰ্ভৱতী মহিলা আৰু দুগ্ধ পান কৰোৱা মাতৃসকলৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি পুষ্টিকৰ খাদ্যৰ যোগান ধৰা হয়। তদুপৰি এই আঁচনিখনৰ অধীনত ছয় মাহৰ পৰা ছয় বছৰ পৰ্যন্ত পুষ্টিহীন শিশু আৰু গৰ্ভৱতী মহিলাৰ লগতে দুগ্ধপান কৰোৱা গৰিষ্ঠসংখ্যক মাতৃক উপকৃত কৰাৰ চেষ্টা কৰা হৈছে। বৰ্তমান সময়লৈকে ৰাজ্যত ৩৯,৩১৯ টা অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰা হৈছে। তদুপৰি মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আইন (MGNREGA) ৰ অধীনত ১৫০০ টা অন্য অংগনবাড়ী কেন্দ্ৰ নিৰ্মীয়মাণ অৱস্থাত আছে।

পোষণ অভিযানৰ অধীনত শাৰীৰিক বিকাশহীনতা, পুষ্টিহীনতা হ্ৰাস কৰা, ল'ৰা-ছোৱালী, কিশোৰ-কিশোৰী আৰু মহিলাৰ ৰক্তহীনতা হ্ৰাস কৰাৰ লগতে কম ওজনৰ নৱজাতকৰ সংখ্যা হ্ৰাস কৰাৰ কাৰণে পদক্ষেপ হাতত লোৱা হৈছে।

সমাজ কল্যাণ বিভাগৰ অধীনত মহিলাসকল বিশেষভাৱে উপকৃত হৈছে। প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা নামৰ আঁচনিখন ২০১৭ চনৰ পৰাই দেশত প্ৰযোজ্য হৈ আহিছে। এই যোজনাৰ জৰিয়তে গৰ্ভৱতী মহিলা আৰু দুগ্ধপান কৰোৱা মাতৃলৈ তিনিটা কিস্তিত ৫০০০ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হয়। অৱশ্যে এই সাহায্য প্ৰথম সন্তানৰ ক্ষেত্ৰতহে প্ৰযোজ্য। প্ৰতিষ্ঠানিক প্ৰসৱৰ পিছত যোগ্য মাতৃগৰাকীয়ে জননী সুৰক্ষা যোজনাৰ অধীনত চৰকাৰী নিয়ম অনুসৰি পাব লগা সাহায্য লাভ কৰে। গড় হিচাপত প্ৰতিগৰাকী মাতৃয়ে লাভ কৰা আৰ্থিক অনুদানৰ পৰিমাণ ৬০০০ টকা।

ইয়াৰ উপৰি ৰাজ্যখনৰ অন্যান্য প্ৰান্তত বেটী বচাও, বেটী পঢ়াও আঁচনিখনৰ পূৰ্ণ পৰ্যায়ত প্ৰচাৰ তীব্ৰতৰ কৰা হৈছে। বৰ্তমানো সমাজত মহিলাসকল প্ৰায়েই নিপীড়িত আৰু নিৰ্যাতিত হৈ আহিছে। জটিল পৰিস্থিতিৰ মুখামুখি হোৱা এনেধৰণৰ মহিলাৰ ক্ষেত্ৰত 'শ্ৰদ্ধাৰ গৃহ' নামেৰে এক বিশেষ আঁচনি ৰূপায়ণ কৰা হৈছে। এনে মহিলাৰ আশ্ৰয় আৰু যতন লোৱাৰ লগতে আত্মসংস্থাপনৰো ব্যৱস্থা কৰা হৈছে চৰকাৰৰ ফালৰ পৰা। ইয়াৰ উপৰি আশ্ৰয়হীন মহিলাৰ কাৰণে সমাজ কল্যাণ বিভাগে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ১১ টা আশ্ৰয়গৃহ সক্ৰিয় কৰি তুলিছে। এই আশ্ৰয়গৃহসমূহতে নিৰ্যাতিত, নিপীড়িত মহিলাসকলৰ দক্ষতা বিকাশ আৰু আত্মসংস্থাপনৰ কাৰণে এম্ব্ৰইডাৰী, পুতলা নিৰ্মাণ, চিলাই, মোনা আদি সামগ্ৰী নিৰ্মাণৰ প্ৰশিক্ষণৰ দিহা কৰা হৈছে।

ইয়াৰ উপৰি ৰাজহুৱা আৰু ব্যক্তিগত প্ৰতিষ্ঠানত নিপীড়িত, সংঘৰ্ষজৰ্জৰ অঞ্চলত আক্ৰান্ত মহিলা, পৰিয়াল আৰু সমাজৰ দ্বাৰা নিৰ্যাতিত মহিলা তথা কৰ্মস্থানত নিপীড়িত মহিলাৰ আশ্ৰয় আৰু চিকিৎসাৰ ব্যৱস্থা কৰাৰ লগতে সু-পৰামৰ্শ প্ৰদান কৰাৰ বাবে ৰাজ্যৰ আটাইকেইখন জিলাতে 'ৱান ষ্টপ চেণ্টাৰ'ৰ ব্যৱস্থা কৰা হৈছে। হিংসাত্মক ঘটনাত আক্ৰান্ত মহিলাৰ ক্ষেত্ৰত তাৎক্ষণিক সহায়-সহযোগৰ কাৰণে ১৮১ হেল্পলাইন নম্বৰ ২৪ ঘণ্টাই উপলব্ধ তথা সক্ৰিয় কৰাৰ ব্যৱস্থা কৰা হৈছে।



ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ বিভাগে দিব্যাংগ, বৃদ্ধ আৰু তৃতীয় লিংগৰ বাবে বিশেষ পেঞ্চন আঁচনি গ্ৰহণ কৰিছে। বিশেষভাৱে দিব্যাংগসকলক চিনাক্ত কৰি তেওঁলোকৰ মাজত 'দিব্যাংগ পৰিচয় পত্ৰ' বিতৰণ কৰা হৈছে। প্ৰতিজন দিব্যাংগ স্বনিৰ্ভৰশীল হ'বৰ কাৰণে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰথম পৰ্যায়ত ১০,০০০ টকা আৰ্থিক অনুদান প্ৰদান কৰা হৈছিল যদিও পিছৰ পৰ্যায়ত ইয়াৰ পৰিমাণ ২০,০০০ টকালৈ বৃদ্ধি কৰা হয়। তদুপৰি দীনদয়াল দিব্যাংগ আঁচনিৰ অধীনত দিব্যাংগসকলক ৫০০০ টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হৈছিল। এই আঁচনিখনক 'দীনদয়াল দিব্যাংগ পেঞ্চন' আঁচনি নামেৰে নামকৰণ কৰা হয়। যিসকল দিব্যাংগই বিশেষ নিয়োগ বিনিময় কেন্দ্ৰত নাম অন্তৰ্ভুক্তি কৰিছে তেওঁলোকক ৫০০০ টকাৰ নিবনুৱা ভাত্তা প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি প্ৰতিজন দিব্যাংগৰ স্বাস্থ্যৰ যতন ল'বৰ নিমিত্তে ১০০০ টকাৰ আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰা হৈছে। দিব্যাংগ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতি মাহে ২০০ টকাকৈ বছৰি ২৪০০ টকাৰ জলপানি হিচাপে চৰকাৰৰ ফালৰ পৰা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি কাৰিকৰী শিক্ষা আৰু চিকিৎসা সেৱা শিক্ষাৰ বাবদ দিব্যাংগ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিমাহে লাভ কৰে ৩০০০ টকাৰ বিশেষ জলপানি।

ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ বিভাগে অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ সহযোগত 'সঁহাৰি' আঁচনিৰ জৰিয়তে ৰাজ্যৰ ১২খন জিলাৰ ৪,০৮০ জন হিতাধিকাৰীক কৃত্ৰিম অংগ প্ৰত্যংগ সংৰোপণৰ কাৰণে ভগৱান মহাবীৰ বিকলাংগ সহায়ক সমিতিৰ সহায়ত অনুদান আগবঢ়াইছে। তদুপৰি মানসিকভাৱে বিকাৰগ্ৰস্ত গৃহহীন লোকৰ বাবে ১০ টা বেচৰকাৰী সংস্থাৰ জৰিয়তে পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিছে সমাজ কল্যাণ বিভাগে।

দৃষ্টিহীন দিব্যাংগসকলৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বশিষ্ঠৰ লটাকটা পথত এটা ব্ৰেইলী প্ৰেছ নিৰ্মাণ কৰা হৈছে। অন্য এটা প্ৰেছ যোৰহাটৰ দৃষ্টিহীন বিদ্যালয় চৌহদত নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। দিব্যাংগসকলৰ পুনৰ সংস্থাপনৰ কাৰণে ৰাষ্ট্ৰীয় আঁচনিৰ অধীনত থকা চাৰিটা আঞ্চলিক পুনৰ সংস্থাপন কেন্দ্ৰ কাৰ্যক্ষম কৰি তোলা হৈছে।

ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ বিভাগে জ্যেষ্ঠ তথা বৃদ্ধ নাগৰিকসকলৰ কল্যাণৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈছে। পিতৃ মাতৃ বা জ্যেষ্ঠ নাগৰিকৰ কাম-কাজৰ বাবে চৰকাৰে 'প্ৰণাম' নামৰ এখন আঁচনি প্ৰৱৰ্তন কৰিছে। লগতে ২.২৯ কোটি টকা ব্যয় সাপেক্ষে কামৰূপ মহানগৰ জিলাৰ সোণাপুৰত এটা 'বৃদ্ধ আৱাস গৃহ' নিৰ্মাণৰ কাম পূৰ্ণগতিত চলি আছে। ❐❐



# বাদামে বহুমূত্ৰ আৰু হৃদৰোগ নিৰাময় কৰে



**উপেন দত্ত**

বাদামৰ ব্যৱহাৰে আমাৰ স্বাস্থ্যৰ বহু উপকাৰ সাধন কৰে। বৰ্তমান সময়ত আমাৰ সমাজৰ বহুত মানুহে ভাবে যে আমি খোৱা বিভিন্ন প্ৰকাৰৰ বাদামত প্ৰচুৰ পৰিমাণে চৰ্বি বা ফেট থকাৰ বাবে বাদাম সঘনাই খোৱা স্বাস্থ্যৰ কাৰণে হানিকৰ। কিন্তু অলপতে কৰা এটা অধ্যয়নৰ যোগেদি এদল চিকিৎসকে উদ্ভাৱন কৰিছে যে বাদাম নিয়মিত পৰিমাণে খোৱাৰ অভ্যাস কৰিলে হৃদৰোগ সংক্ৰান্ত কেইবাটাও অসুখ নিৰাময় হয়। লগতে বহুমূত্ৰ ৰোগতো ইয়াৰ যথেষ্ট উপকাৰ পোৱা যায়। বাদাম খালে শৰীৰৰ ওজন বাঢ়ে আৰু শকত হোৱাত সহায় কৰে বুলি ভবা ধাৰণাটো এতিয়া সত্য নহয় বুলি প্ৰমাণিত হৈছে। বৰং এমুঠি বাদাম সপ্তাহত ৪/৫ বাৰ খাব পাৰিলে হৃদৰোগ হোৱাৰ পৰা পৰিত্ৰাণ পাব পাৰি আৰু বহুমূত্ৰ ৰোগতো ভাল কাম দিয়ে। এদল খাদ্য বিশেষজ্ঞই অলপতে আমেৰিকাৰ এখন স্বাস্থ্য আলোচনীত প্ৰকাশ কৰিছে।


**বাদামৰ পৰিপুষ্টি সাধনত ভূমিকা ঃ** বেলেগ জাতীয় বাদামে শৰীৰৰ পুষ্টি সাধনত সহায় কৰে। বাদামত কম পৰিমাণৰ চেচুৰেটেড ফেটছ থাকে। বাদামত উচ্চ পৰিমাণৰ মন-আনচেটুৰেটেড আৰু পলি আনচেটুৰেটেড উপাদান থাকে। বাদামত কলেষ্ট'ৰেল নাথাকে।

বাদামত ফাইটোকেমিকেলছ যেনে—ফাইটোএষ্ট্ৰোজেনছ আৰু ফেনলিক কম্পাউণ্ডছ এলাৰ্জিক এচিড থাকে।

ঃ বাদামত প্ৰয়োজনীয় খাদ্যৰ আঁহ থাকে। ই যথেষ্ট পৰিমাণৰ প্লেণ্ট প্ৰ'টিন প্ৰসিদ্ধ আৰু সেয়ে মাংসৰ পৰিৱৰ্তে বাদাম খাব পাৰি। বাদামত উচ্চ এমিনো এচিদ আৰু 'আৰ জিনিন' থকাৰ বাবে আমাৰ শৰীৰটোক বহু বেমাৰৰ পৰা ৰক্ষা কৰিব পাৰে। বাদামে ৰোগ প্ৰতিৰোধ কৰা শক্তি বঢ়াব পাৰে। বাদামত ভিটামিন ই, বি৬, নিয়াচিন আৰু ফলিক এচিড প্ৰচুৰ পৰিমাণে থাকে। বাদামত বহুধৰণৰ মিনাৰেল যেনে— মেগনেচিয়াম, জিংক, আইৰণ, কেলচিয়াম, কপাৰ, চেলেনিয়াম আৰু পটাচিয়াম থাকে।

**বাদাম আৰু হৃদৰোগ ঃ** এল.ডি.এল (LDL) (low density of lipoprotel) কলেষ্ট'ৰেল যাক কোৱা হয় অনিষ্টকাৰী কলেষ্ট'ৰেল। ই আমাৰ শৰীৰৰ বিভিন্ন অংগৰ তেজৰ আৰটেৰিবিলাকৰ বা শিৰাবোৰৰ ফুটা বন্ধ কৰি দিয়ে। ইয়াৰ ফলত হৃদৰোগ হ'ব পাৰে। এনে ক্ষেত্ৰত এল.ডি.এল (LDL) কলেষ্ট'ৰেল প্ৰধানকৈ চেটুৰেটেড ফেটছৰ দ্বাৰা বাঢ়ি যায়। বাদাম খালে এই অনিষ্টকাৰী কলেষ্ট'ৰেল হ্ৰাস পায়। বাদামৰ নিয়মিত ব্যৱহাৰে ৰক্তহীনতা দূৰ কৰে। কিয়নো ইয়াত যথেষ্ট পৰিমাণে কপাৰ থাকে। প্ৰতি ১০০ গ্ৰামত ইয়াৰ পৰিমাণ ১.১৫ গ্ৰাম। তেজৰ হিম'গ্লবিন বঢ়োৱাত বাদামে বহুত সহায় কৰে। সেইবাবে ৰক্তহীনতা অসুখত বাদাম বৰ উপকাৰী। পুৰণি কোষ্ঠকাঠিন্যতা ৰোগত ৰাতি বিচনালৈ যোৱাৰ পূৰ্বে ১০ টা বাদাম খালে পিছদিনা ই লেকজেটিভৰ কাম কৰে। শ্বাস-প্ৰশ্বাসৰ কষ্ট হ'লে ১০ টামান বাদাম কুহুমীয়া পানীত তিয়াই বাদামখিনি মোহাৰি ভাঙি পানীখিনি পুৰা চাহখোৰাৰ পিছত দিনে ১ বাৰকৈ ৬/৭ দিন খাব লাগে। শ্বাস-প্ৰশ্বাসৰ কষ্ট কমিব। ❐❐

*লেখকৰ ফোন নং ঃ ৯৪৩৫০-৫৪০৯৬*



# জলসম্পদ বিভাগত কনিষ্ঠ অভিযন্তাৰ ৮৭টা চাকৰি

## ১৮ জানুৱাৰীৰ ভিতৰত আবেদনৰ আহ্বান

অসম চৰকাৰৰ জলসম্পদ বিভাগত (Water Resource Department, Assam)ত খালী হৈছে ৮৭টা পদ। যোগ্য প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰি অসম লোকসেৱা আয়োগৰ অৱৰ সচিবে দিয়া নিয়োগ বিজ্ঞাপন অনুসৰি মুঠ খালী পদ ৮৭ টাৰ ভিতৰত অসংৰক্ষিত ৪৭ টা, অ' বি চি/এম অ' বি চি ২১ টা, এছ টি পি ৭টা, এছ টি এইচ ৭টা আৰু আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে ৫টা পদ সংৰক্ষিত থাকিব। আবেদনকাৰী স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানৰ পৰা Civil Engineering বিষয়ত ডিপ্ল'মাধাৰী হোৱা হ'ব লাগিব। বয়স ১ জানুৱাৰী, ২০২০ লৈ ১৮ বছৰৰ পৰা ৩৮ বছৰৰ ভিতৰত হ'ব লাগিব। বয়সৰ ঊৰ্ধ্বসীমাৰ ক্ষেত্ৰত সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে চৰকাৰী বিধিগত ৰেহাই লাভ কৰিব। দৰমহাৰ নিৰিখ পি বি ২ ৰ আধাৰত ১৪,০০০-৬০,০০০ টকাসহ ৮,৭০০ টকাৰ গ্ৰেড পে' লাভ কৰিব। আবেদন মাচুল হিচাপে সাধাৰণ আৰু আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীয়ে ২৮৫.৪০ টকা, এছ চি/ এছ টি/ অ' বি চি/ এম অ' বি চি শ্ৰেণীৰ প্ৰাৰ্থীয়ে ১৮৫.৪০ টকা পৰিশোধ কৰাৰ বিপৰীতে দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু দিব্যাংগ প্ৰাৰ্থীয়ে ৩৫.৪০ টকা অনলাইন মাধ্যমেৰে এ পি এছ চিৰ হকে পৰিশোধ কৰিব লাগিব। অনলাইন ৱেবছাইট http://assamegras.gov.in/helpdesk আৰু হেল্পলাইন নম্বৰ ১৮০০-২১২-১১-৮৮-৬৬ ৰ সহায় ল'ব পাৰে। আগ্ৰহীসকলে বিজ্ঞাপন বিষয়ক সবিশেষ তথ্যৰ লগতে পদৰ বাবে থাকিবলগীয়া অন্যান্য চৰ্তাৱলীকে ধৰি অনলাইনযোগে আবেদন দাখিল কৰিবলৈ এ পি এছ চিৰ ৱেবছাইট https://apscrecruitment.in লগ ইন কৰিব পাৰে। আবেদনৰ অন্তিম তাৰিখ ১৮ জানুৱাৰী, ২০২১। বিজ্ঞাপন সম্পৰ্কীয় তথ্য-পাতিৰ বাবে ই মেইল cceapsc@gmail.com হেল্পলাইন নম্বৰ ১৮০০-৫৭২-২৩-৪৩ত যোগাযোগ কৰিব পাৰে। ❏❏




# লোকনিৰ্মাণ বিভাগৰ ১৯পদৰ বিজ্ঞাপন

## আবেদনৰ অন্তিম তাৰিখ ৭ জানুৱাৰী

অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগত সহকাৰী অভিযন্তাৰ ১৯ টা পদ খালী হৈ আছে। অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰি বিভাগীয় ৱেবছাইটত প্ৰকাশ কৰা হৈছে। মুঠ খালী পদৰ ১৯ টাৰ ভিতৰত অসংৰক্ষিত ৮ টা, অ' বি চি/ এম অ' বি চি ৫ টা, এছ চি ১ টা, এছ টি প্লেইনছ ২ টা, এছ টি হিলছ ১ টা, ইয়াৰ উপৰিও আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ বাবে এটা পদ সংৰক্ষিত। মুঠ পদৰ ভিতৰত এটা পদ দিব্যাংগ প্ৰাৰ্থীৰ বাবে বিশেষভাৱে সংৰক্ষিত। আবেদনকাৰী ইলেক্ট্ৰিকেল বিষয়ত বি টেক অথবা বেটছেলৰ ডিগ্ৰীধাৰী হোৱাটো বাঞ্ছনীয়। আবেদন মাচুল হিচাপে সাধাৰণ আৰু আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীয়ে ২৮৫.৪০ টকা, এছ চি, এছ টি, এম অ' বি চি প্ৰাৰ্থীয়ে ১৮৫.৪০ টকা পৰিশোধ কৰাৰ বিপৰীতে দৰিদ্ৰ সীমাৰেখাৰ তলৰ দিব্যাংগ প্ৰাৰ্থীয়ে ৩৫.৪০ টকা অনলাইন মাধ্যমেৰে এ পি এছ চিৰ হকে পৰিশোধ কৰিব লাগিব। অনলাইনৰ ৱেবছাইট হৈছে https://assamegras.gov.in হেল্পডেস্ক আৰু হেল্পলাইন নম্বৰ ১৮০০-২১২-১১-৮৮-৬৬ ত যোগাযোগ কৰিব। ❏❏

# সংগ্ৰহালয় সঞ্চালকালয়ত ৭ পদত মকৰল




অসম চৰকাৰৰ সংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ অধীনস্থ সংগ্ৰহালয় সঞ্চালকালয়ত খালী হৈছে ৭ টা পদ। যোগ্য প্ৰাৰ্থীৰ পৰা আৱেদন আহ্বান কৰি অসম লোকসেৱা আয়োগৰ অবৰ সচিবে এক বিজ্ঞাপন প্ৰকাশ কৰিছে। খালী পদসমূহৰ ভিতৰত আছে District Museum Officer– ৫ টা পদ, Assistant Architect– ১টা পদ, Laboratary Cemist– ১টা পদ, District Museum Officer– ৫টা পদৰ অসংৰক্ষিত ২ টা, OBC, MOBC ৰ ১টা, এছ ছি ১টা আৰু এছ টি (Plains) শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে এটা পদ সংৰক্ষিত থাকিব। আৱেদনকাৰী— History (Ancient/Anthropology/Archeology/Sanskrit) বিষয়ত Post Graduate ডিগ্ৰীধাৰী হোৱাৰ লগতে Museum Training/Method বিষয়ত জ্ঞান থকা হ'ব লাগিব। অথবা Museology বিষয়ত এম এ উত্তীৰ্ণ হ'ব লাগিব। দৰমহাৰ নিৰিখ PB-4 ৰ আধাৰত ৩০,০০০ টকাৰ পৰা ১,১০,০০০ টকাসহ ১২,৭০০ টকাৰ গ্ৰেড পে' লাভ কৰিব। Laboratary Chemist পদৰ প্ৰাৰ্থী Chemistry বিষয়ত বি এছ চি উত্তীৰ্ণ হোৱাৰ লগতে Conservation বিষয়ত Diploma Certificate থকা হ'ব লাগিব। পদটো অসংৰক্ষিত। দৰমহাৰ নিৰিখ PB-4 ৰ আধাৰত ৩০,০০০ ৰ পৰা ১,১০,০০০ টকাসহ ১২,৭০০ টকাৰ গ্ৰেপ পে' লাভ কৰিব। বয়স ১ জানুৱাৰী, ২০২০ লৈ ২১-৩৮ বছৰ হ'ব লাগিব। বয়সৰ ঊৰ্ধ্বসীমা সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে চৰকাৰী বিধিগত ৰেহাই লাভ কৰিব। আৱেদন মাচুল হিচাপে Tresury Challan NON TAX REVENUE OTHER NON TAX REVENUE 0051 PSC, 105 STATE PSC APPLICATION FEE RECEIPT OF APSC মাধ্যমেৰে সাধাৰণ আৰু আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীয়ে ২৫০ টকা, এছ চি/এছ টি/অ' বি চি/ এম অ' বি চি শ্ৰেণীৰ প্ৰাৰ্থীয়ে ১৫০ টকা পৰিশোধ কৰাৰ বিপৰীতে দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু দিব্যাংগ প্ৰাৰ্থীয়ে কোনোধৰণৰ আবেদন মাচুল পৰিশোধ কৰিব নালাগে। অনলাইনযোগে মাচুল পৰিশোধ কৰিবলৈ ৱেবছাইট https://assamegras.gov.in ৰ সহায় ল'ব পাৰে। আগ্ৰহী প্ৰাৰ্থীয়ে এ পি এছ চিৰ ৱেবছাইট https:// apsc.nic.in application DRC (new form) লগ ইন কৰিব পাৰিব। যাৱতীয় নথি-পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপিসহ নিৰ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি প্ৰস্তুত কৰা আৱেদন To, The Deputy Secretary, Assam Public Service Commission, Jawaharnagar, Khanapara, Guwahati–22 (Assam) ঠিকনালৈ প্ৰেৰণ কৰিব লাগিব। আৱেদনৰ অন্তিম তাৰিখ ১৯ জানুৱাৰী ২০২১। ❑❑

**আবেদনৰ অন্তিম তাৰিখ ১৯ জানুৱাৰী**

# এছ বি আইৰ গুৱাহাটী মুখ্য কাৰ্যালয়ত ৩৪টা পদ খালী




ষ্টেট বেংক অব ইণ্ডিয়াৰ গুৱাহাটীৰ মুখ্য কাৰ্যালয়ত খালী হৈছে Channel Manager Facilitator (২৭) টা আৰু Channel Manager Supervisor (৭) টা মুঠ ৩৪ টা পদ। অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন আহ্বান কৰা হৈছে। Channel Manager Facilitator প্ৰাৰ্থীৰ দৰমহাৰ নিৰিখ ৩৪,০০০ টকা আৰু Channel Manager Supervisor পদৰ প্ৰাৰ্থীৰ দৰমহাৰ নিৰিখ ৪১,০০০ টকা। আগ্ৰহী প্ৰাৰ্থীসকলে সবিশেষ তথ্যৰ বাবে এছ বি আইৰ ৱেবছাইট https://sbi.co.in লগ ইন কৰিব পাৰে। আগ্ৰহীসকলে প্ৰাৰ্থীসকলে আৱেদনৰ বাবে agmph.ihoguw@sbi.co.in ত ই মেইল যোগে ৮ জানুৱাৰীৰ পূৰ্বে পোৱাকৈ আৱেদন প্ৰেৰণ কৰিব লাগিব। ❑❑